কালামুল ইছলাম-৫

# মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰীৰ

pdf By Syed Mostafa Sakib



## তব্‌লীগ জামাআ'ত

কালামুল ইছলাম- ৫

# তব্‌লীগ জামাআ'ত

# تبلیغی جماعت

১। মৌঃ ইলিয়াছ চাহেবে কৈছে — "হযৰত মৌঃ থানৱীয়ে বহুত ডাঙৰ কাম কৰিছে, এই কাৰণে মোৰ হেঁপাহ, শিক্ষা তেওঁৰ হওঁক আৰু তব্‌লীগ কৰা নিয়ম মোৰ হওঁক। এই ধৰণে তেওঁৰ শিক্ষা প্ৰচাৰ হৈ যাব।" (মল্‌ফুজাতে ইলিয়াছ, পৃঃ ৫৬, ৫৭)

২। ইলিয়াছ চাহেবে আৰু কৈছে— "হযৰত থান্‌ৱীৰ সৈতে সম্পৰ্ক গাঢ় কৰিলে তেওঁৰ বৰ্কতৰ পৰা উপকাৰ ল'লে, তেওঁৰ আত্মাৰ সন্তুষ্টি বৃদ্ধি কৰিবৰ বাবে সকলোতকৈ ডাঙৰ আৰু মজবুত মাধ্যম. এয়াই যে তেওঁৰ শিক্ষা আৰু নিৰ্দেশৰ ওপৰত দৃঢ়তাৰ সৈতে থকা আৰু এই বিলাক ব্যাপকভাৱে প্ৰচাৰ কৰাৰ চেষ্টা কৰা।" (মল্‌ফুজাতে ইলিয়াছ, পৃঃ ৬৭)

৩। মৌঃ ইলিয়াছ চাহেবে কৈছে —

اس تبلیغ کا طریقہ بھی مجھ پر خواب میں منکشف ہوا

*"এই তব্‌লীগৰ নিয়মো মোৰ ওপৰত সপোনত প্ৰদান কৰা হৈছে।"*

(মল্‌ফুজাতে ইলিয়াছ, পৃঃ ৫০)

pdf By Syed Mostafa Sakib

মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

محمد فاروق عبدالله نوری

ৰাজা ফাউণ্ডেশ্যন

'Tableege Jamaa't' : A book written by Muhd. Faruque Abdullah Noori following the advice of Hazarat A'llama Alhaj Mufti Golam Samdani Rezvee Saheb, Islamic Scholar, Islampur, Mursidabad (W.B) and published by 'Raza Foundation', Muslimghopa, Sipajhar, Darrang, (Assam), Price : Rs 40.00 ( Forty ) only.

লেখক : খাঁকপায়ে ৰাজা মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
ম'বাইল নং— ৯৮৫৪৮০৭০৪১
E-mail: Farukabdullahnoori@gmail.com

প্ৰথম প্ৰকাশ : ৭ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীঃ
নগৰবাহী উৰুছ মুবাৰক, দৰং

উন্মোচক : হযৰত আ'ল্লামা আলহাজ আবু চুফীয়ান খাঁন আবেদী আল ক্বাদ্‌ৰী চাহেব, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আ'লীমে দ্বীন, চাঁদপুৰ (বাংলাদেশ)

প্ৰকাশক : 'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
পিন নং- ৭৮৪১৪৫, স্থাপিত- ইং ২০০৬ চন

মুখ্য নিৰীক্ষক : হযৰত মাওলানা মুহাম্মদ ছৰফৰাজ আ'লী ক্বাদ্‌ৰী চাহেব, যোৰহাট (অসম)

অৰিহণা : ৪০.০০(চল্লিশ) টকা মাত্ৰ

মুদ্ৰণ : পাৰামাউন্ট অফ্‌ছেট, বৰদৌলগুৰি,দৰং(অসম)
ভ্ৰাম্যভাষ- ৯৮৫৪০৪৬৩৮৩





# অভিমত

বিছ্‌মিল্লাহিৰ ৰাহ্‌মানিৰ ৰাহীম
নাহ্‌মাদুহু ওৱা নুছাল্লী আ'লা ৰাছুলিহিল কাৰীম

*আম্মা বাঅ'দ,*

*আল্লাহৰ ওচৰত বহুত শুকৰিয়া এই যে কিছুমান বিতৰ্কিত বিষয় নিষ্পত্তি নোহোৱাৰ ফলত সমাজ দোধোৰ মোধোৰত থাকিবলগীয়া অৱস্থাটোক আঁতৰ কৰিবলৈ এই গ্ৰন্থখনি বহুত কষ্ট কৰি বিশিষ্ট প্ৰবন্ধকাৰ, লেখক মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবে প্ৰস্তুত কৰি উলিয়াইছে। 'তব্‌লীগ জামাআ'ত' সম্পৰ্কত থাকিব পৰা দোষ- ত্ৰুটি আৰু ইয়াৰ আৱিষ্কাৰক সকলৰ গোপন উদ্দেশ্য কিছুমান সন্দৰ্ভত কিতাপলব্ধ তথ্য কিছুমান ইয়াত সন্নিৱিষ্ট কৰা হৈছে। কিন্তু এটা কথা ঠিক ইছলাম জীয়াই থাকিবলৈ তব্‌লীগ জৰুৰী। এই তব্‌লীগ মৌলানা সকলে নছিহতৰ দ্বাৰা, কিতাপ পত্ৰ লিখাৰ দ্বাৰা, নিজৰ আদৰ্শৰ দ্বাৰা সাধাৰণ মানুহক সংস্পৰ্শত ৰাখি কৰা হয়। কিতাপখনিত উদ্ধৃত বিষয়বস্তুৰ বিপৰীতে থকা দলিল সমূহ গ্ৰহণযোগ্য হোৱা বুলি ক'ব পাৰি। ইন্‌শ্বা-আল্লাহ প্ৰত্যেকজন দ্বীন দৰদী ৰাইজে এই গ্ৰন্থখন পঢ়িলে নিশ্চয় কোনো নহয় কোনো প্ৰকাৰে উপকৃত হ'ব। নূৰী চাহেবৰ ইতিমধ্যে 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা' 'দৈনিক গণ অধিকাৰ', 'মুক্তকণ্ঠ' আদি কাকতৰ লগতে বিভিন্ন আলোচনীত তত্ত্বগধূৰ লেখা প্ৰকাশ হৈছে। আশা ৰাখিছো আল্লাহ পাকে লেখকক বিশুদ্ধ ইছলামৰ প্ৰচাৰ আৰু প্ৰসাৰত ন্যস্ত থাকিবলৈ তৌফিক্ক দান কৰক। আ-মীন।*

(আ'ল্লামা) মুহাম্মদ চামচুল আ'লম নক্সবন্দী
উত্তৰ লখিমপুৰ, অসম
তাং ২৪-০১-২০১৪ ইং



pdf By Syed Mostafa Sakib

pdf By Syed Mostafa Sakib



# ভূমিকা

*বিছ্‌মিল্লাহিৰ ৰাহ্‌মানিৰ ৰাহীম*

*"আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা, নাহ্‌নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা।"*

প্ৰিয়নবী হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ যুগৰ পৰা ইছ্‌লাম যিমানে আঁতৰি আহি আছে সিমানে ইছ্‌লামৰ মৌলিক কথাবোৰ বিভিন্নজন ব্যাখ্যাকাৰীৰ হাতত পৰি বিভিন্ন প্ৰকাৰে গতি লৈছে। ফলত তাৰ আধাৰত সমাজখন বিভিন্ন ভাগত বিভক্ত হৈ পৰিছে। মূল খুটি এৰিছে। কোনোবা দেওবন্দী, কোনোবা আহ্‌লে হাদীচ, কোনোবা আহ্‌লে কুৰ্‌আন, কোনোবা কাদিয়ানী, কোনোবা খাৰিজী ইত্যাদি নিজা নিজা বিশ্লেষণ অনুসৰি হোৱা কিছুমান বিভাগ। কিন্তু উক্ত বিভাগবোৰে নিজৰ সম্পূৰ্ণতাক কেতিয়াও দাবী কৰিব নোৱাৰে। কুৰ্‌আন, হাদীচ, ইজ্‌মা, কিয়াছ এই আটাইবোৰৰ সমন্বয়তহে ইছ্‌লামে পৰিপূৰ্ণ ৰূপ পায়। আগন্তুক সময়ত কি ধৰিব লাগিব, কি এৰিব লাগিব এই সম্পৰ্কত আমি সম্পূৰ্ণ সচেতন হ'ব লাগিব আৰু কুৰ্‌আন, হাদীচ, ইজ্‌মা, কিয়াছক গুৰুত্ব সহকাৰে অধ্যয়ন কৰি তাৰ ভিত্তিত আগবাঢ়িব লাগিব।

এই কিতাপৰ বিষয়বস্তু ইছ্‌লামৰ বিভিন্ন বিতৰ্কিত বিষয় সমূহৰ এটি। বিষয়টি সম্পৰ্কত থাকিব পৰা আপত্তি সমূহ সকলো দিশৰ পৰা চালি জাৰি চাই ইয়াত লিপিবদ্ধ কৰি অনুসন্ধিৎসু পাঠক সমাজৰ হাতত অৰ্পন কৰা হ'ল। ইয়াত কোৱা কথাবোৰ আমাৰ ব্যক্তিগত কথা নহয়। কুৰ্‌আন পাক, হাদীচ শ্বৰীফ আৰু বিভিন্নজন পণ্ডিত ব্যক্তিয়ে কোৱা কথাৰ কিছুমান উদ্ধৃতিহে। ইছ্‌লামৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত একমাত্ৰ আল্লাহ আৰু আল্লাহৰ ৰছুল (স্বাঃ)ৰ সন্তুষ্টিৰ উদ্দেশ্যে লাগি থকা কোনো ব্যক্তি তথা কোনো সংগঠনৰ আমি বিৰোধী নহয়। ভুলবশতঃ এনে আল্লাহৰ ওচৰীয়া সকলৰ বিৰোধিতা অজানিতভাৱে হৈ গ'লে আল্লাহে আমাক মাফ কৰক। গ্ৰন্থখনিত অনিচ্ছাকৃতভাৱে হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে আল্লাহৰ ওচৰত ক্ষমা বিচাৰিছো। পাঠক বৃন্দলৈ অনুৰোধ থাকিল যে কোনো ভুল-ত্ৰুটি দৃষ্টিগোচৰ হ'লে আঙুলিয়াই দিয়ে যেন। পৰৱৰ্তী সংস্কৰণত শুধৰাই দিয়াৰ চেষ্টা কৰা হ'ব। আল্লাহ তাআ'লাই আমাৰ প্ৰচেষ্টাক কবুল কৰক। আ-মীন।

*—খাদিমে দ্বীন*

*মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী, মুছলিমঘোপা*

২০-০১-২০১৪ ইং





بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ

نحمده ونصلى ونسلم على رسوله الكريم

واله وصحبه اجمعين۔

সমগ্ৰ বিশ্বৰ সৃষ্টিকৰ্তা আৰু পালনকৰ্তা মহান আল্লাহ পাকৰেই সমস্ত প্ৰশংসা। মানৱজাতিৰ হিদায়তৰ উদ্দেশ্যে প্ৰেৰিত সৰ্বশেষ আৰু সৰ্বশ্ৰেষ্ঠ ৰছূল হযৰত মুসাম্মদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, তেওঁ (স্বাঃ)ৰ আল-আওলাদ, চাহাবা কিৰাম ৰাদ্বিয়াল্লাহু আ'নহুম সকলৰ প্ৰতি দৰূদ আৰু ছালাম। যুগে যুগে আল্লাহ পাকে মানৱজাতিৰ ইহকালৰ কল্যাণময় জীৱন আৰু পৰকালৰ মুক্তিৰ চনদৰূপে বাণী আৰু কিতাপ প্ৰেৰণ কৰিছে। প্ৰেৰিত সেই সকলোবোৰ প্ৰত্যাদেশৰ সৰ্বশেষ আৰু চূড়ান্ত ৰূপ আখেৰী নবী হযৰত মুসাম্মদ মুস্তাফা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ওপৰত প্ৰেৰিত 'আল্ কুৰ্‌আনুল কাৰীম'।

'তব্‌লীগ' শব্দৰ অৰ্থ জনা দৰকাৰ। ইয়াৰ অৰ্থ হ'ল — 'আল্লাহৰ বাণী আল্লাহৰ বান্দাৰ ওচৰত পৌছাই দিয়া।' কুৰ্‌আনত ইৰ্শ্বাদ আছে —

يا يها الرسول بلغ ما انزل اليك من ربك

وان لم تفعل فما بلغت رسالته والله يعصمك

من الناس ان الله لايهدى القوم الكفرين

"হে ৰছূল আপুনি আপোনাৰ প্ৰতিপালকৰ ফালৰ পৰা যি অৱতীৰ্ণ হৈছে তাক পৌছাই (জনাই) দিয়ক আৰু যদি আপুনি এইটো নকৰে তেতিয়াহ'লে আপুনি তাৰ পয়গাম একোৱেই নজনালে (অৰ্থাৎ- তেতিয়াহ'লে আপোনাৰ পৌছাই দিয়াৰ দায়িত্ব পালন নহ'ল)। আল্লাহে আপোনাক মানুহৰ পৰা ৰক্ষা কৰিব। নিশ্চয় আল্লাহ তাআ'লাই কাফিৰ সকলক সু-পথ প্ৰদৰ্শন নকৰে।" (ছুৰা মাই'দা, আঃ নং ৬৭)

এইবাৰ আমাৰ দেশৰ মৌঃ ইলিয়াছ চাহেবৰ প্ৰচলিত তব্‌লীগৰ ওপৰত দৃষ্টিপাত কৰা হওঁক। 'মলফুজাতে ইলিয়াছ' কিতাপত আছে-"সপোনৰ মাধ্যমত প্ৰচলিত তব্‌লীগৰ কাম আৰম্ভ কৰা হৈছে।" এই কথাটি সম্পূৰ্ণ কুৰ্‌আন হাদীচৰ পৰিপন্থী। 'নূৰুল আন্‌ৱাৰ' কিতাপত আছে — "আল্ কাশ্বফু লাইছা বি হুজ্জাতিন কত্তুন।" অৰ্থাৎ- সপোনৰ দ্বাৰা দলিল প্ৰমাণিত নহয়। মৌঃ ইলিয়াছে তব্‌লীগৰ ছয়টি উছুল পেশ্ব কৰিছে য'ত হজ্ব আৰু যাকাতৰ নিচিনা ফৰজ হুকুমক তেওঁৰ উছুলৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। ভিত্তিহীন দলিলৰ দ্বাৰা নেকীৰ কথা উল্লেখ কৰা হৈছে য'ত 'হুদুদিয়্যাত' (সীমা, Boundary), কিয়াছ, তাজীৰ আদি বিষয়ত

pdf By Syed Mostafa Sakib



কোনো আলোচনা কৰা হোৱা নাই। কুৰ্‌আনৰ ১ম পাৰাত আছে— "তোমালোকে সুবিধানুযায়ী কিছু কথা মান্য কৰিবা আৰু কিছু অমান্য কৰিবানে?" এওঁলোকে আল্লাহ আৰু ৰছুল (স্বাঃ)এ দিয়া অন্যান্য আহকাম বিলাক অহৰহ খিলাফ কৰিছে আৰু পূৰ্ণ দ্বীনক সম্পূৰ্ণ পৰিৱৰ্তন কৰি দিছে। এয়া কি কুৰ্‌আন হাদীচৰ পৰিপন্থী নহয়? মৌঃ ইলিয়াছ চাহেবৰ 'মলফুজাত'ৰ কথা সমূহ শ্বৰীঅ'ত সন্মতনে? আহক আমি কুৰ্‌আন-হাদীচৰ আলোকত প্ৰকৃত তব্‌লীগৰ প্ৰতি সঁহাৰি দি দুনীয়া তথা আখিৰাতত সফল হওঁ।

হযৰত আবু ছায়্যিদ খুদ্‌ৰী (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে- "মোৰ জাহিৰী জীৱনৰ পিছত শেষ জামানাত মোৰ উন্মতৰ ভিতৰৰ পৰা পূবৰ কোনো এখন দেশৰ পৰা এটি জামাআ'ত দ্বীনৰ তব্‌লীগৰ উদ্দেশ্যে গঠিত হ'ব, সিহঁতে কুৰ্‌আন পঢ়িব, তোমালোকৰ কুৰ্‌আন পাঠৰ তুলনাত খুব সুন্দৰ হ'ব, কুৰ্‌আনৰ প্ৰতি বাহ্যিকভাৱে তেওঁলোকৰ ভক্তি, শ্ৰদ্ধা আৰু আন্তৰিকতা দেখি ধাৰণা হ'ব কুৰ্‌আন এওঁলোকৰ বাবে আৰু এওঁলোক কুৰ্‌আনৰ বাবে। কিন্তু প্ৰকৃতপক্ষে ইহঁতে কুৰ্‌আনৰ প্ৰতিটো আয়াতৰ ওপৰত ঈমান নাৰাখিব আৰু কুৰ্‌আনৰ কঠিন নিৰ্দেশৰ ওপৰত আ'মল নকৰিব। যি সকলৰ নামাজ ৰোজা আৰু অন্যান্য আ'মল দেখিলে তোমালোকৰ কোনোবাই তুচ্ছ জ্ঞান কৰিব। সিহঁতে কুৰ্‌আন পঢ়িব কিন্তু কণ্ঠনলীৰ অন্তৰ ভাগত প্ৰৱেশ নকৰিব। এইবোৰ বাহ্যিক সৌন্দৰ্য থকা স্বত্ত্বেও ইহঁতবোৰ দ্বীনৰ পৰা এনেভাৱে বাহিৰ হৈ যাব যিদৰে ধনুৰ পৰা কাঁড় বাহিৰ হৈ যায়।"

এই জামাআ'তৰ লোকসকলৰ মৌ বৰষা ব্যৱহাৰে সাধাৰণ মানুহক ক্ষন্তেকতে মুগ্ধ কৰি পেলায়। কিন্তু ইয়াৰ অন্তৰালত লুকাই থাকে ঈমান ধ্বংসকাৰী মাৰাত্মক বিষ বাষ্প। সিহঁতে পৰিকল্পনামূলকভাৱে মানুহৰ অন্তৰৰ পৰা আল্লাহ আৰু ৰছুল (স্বাঃ)ৰ আনুগত্য নোহোৱা কৰি পেলায়। বৰং ইয়াৰ পৰিৱৰ্তে এই জামাআ'তৰ আমীৰ সকলৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ শিকায়। আমীৰসকলে যি কয় তাকেই নতশিৰে কুৰ্‌আন-হাদীচতকৈয়ো দৃঢ়ভাৱে আঁকোৱালি লয়। লাগিলে ই কুৰ্‌আন-হাদীচৰ বিৰোধীয়েই হওঁক। ইহঁতৰ অন্তৰবোৰ শ্বয়তানৰ লেখীয়া। তেওঁলোকে তফছীৰসহ কুৰ্‌আন-হাদীচ কেতিয়াও নপঢ়ে। এই জামাআ'তৰ অধিকাংশ লোকেই কুৰ্‌আন-হাদীচৰ ক্ষেত্ৰত অশিক্ষিত আৰু অজ্ঞ (dull)।





জামাআ'তত যোগদানকাৰীসকল যদিও শিক্ষিত হয় কিন্তু বেছিভাগ ক্ষেত্ৰতেই অজ্ঞ আমীৰসকলক স্বীকাৰ কৰি থাকে। এই জামাআ'তৰ বয়ান তথা বক্তৃতাত থাকে মাথোন ফজীলতৰ কথা। ভিন্ন আ'মলৰ সৰ্বোচ্চ ফজীলতৰ দলিল বিহীন বৰ্ণনা তেওঁলোকৰ বয়ানৰ বিষয়বস্তু। তেওঁলোকৰ ৰাজ- বয়ান মৌৰ দৰে, ব্যৱহাৰ মধুৰ, ভাষা হ'ব মিষ্টিতকৈও মিঠা। তেওঁলোকৰ পোছাক-পৰিচ্ছদ অতি আকৰ্ষণীয়। হৰিণৰ দৰে আকৃষ্ট কৰা। এইদৰে অজ্ঞ মানুহে আকৃষ্ট হৈ এই জামাআ'তত যোগদান কৰে। তেওঁলোক বাঘৰ দৰে হিংস্ৰ। কুৰ্‌আন-হাদীচৰ বাণী যিমানেই মধুৰ নহওঁক কিয় তেওঁলোকৰ অন্তৰত প্ৰৱেশ নকৰে। তেওঁলোকৰ কথা-বতৰা, আ'মল, আচৰণ, বয়ান যিবিলাক এই দলে নিৰ্দ্ধাৰিণ কৰিছে সেইবিলাকৰ ভিতৰত কুৰ্‌আন-ছুন্নাহ বিৰোধী কৰ্ম বিলাক বাদ দি কুৰ্‌আন-হাদীচ মুতাবিক আ'মল কৰাৰ বাবে যিমানেই নকওঁক কিয় বাঘৰ অন্তৰত যেনেদৰে কোনো দয়া-মমতা প্ৰৱেশ নকৰে ঠিক তেনেদৰে তেওঁলোকৰ অন্তৰত কুৰ্‌আন-ছুন্নাহ প্ৰৱেশ নকৰিব।

এই জামাআ'তটিয়ে ইছলামৰ তব্‌লীগ কৰাৰ কথা যিমানেই নকওঁক কিয়, কুৰ্‌আন পাক যিমানেই সুন্দৰকৈ পাঠ নকৰক কিয়, নামাজ-ৰোজা যিমান চমৎকাৰ নহওঁক কিয় মূলতঃ এই জামাআ'তটি ইছলামৰ পৰা বহিৰ্ভূত হ'ব। কিয়নো চাহাবা কিৰাম (ৰাঃ) সকলে আৰজ কৰিলে — "হে আল্লাহৰ ৰছুল(স্বাঃ), এই দলটিৰ পৰিচয় কি?" ৰছুলুল্লাহ (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মালে— "তেওঁলোকে যেতিয়া তা'লীমত বহিব গোল (ঘূৰণীয়া) হৈ বহিব, অলপ সময়ৰ ভিতৰতে এই জামাআ'তৰ লোকৰ সংখ্যা বেছি হ'ব, এই জামাআ'তৰ আমীৰ, মুৰব্বী সকলৰ মূৰত চুলি নাথাকিব অৰ্থাৎ- অনাহকতে মূৰৰ চুলি খুৰাই ল'ব, এই জামাআ'তত অজ্ঞানী আৰু কম বয়সীয়া লোক অধিক থাকিব, ইহঁতবোৰ দ্বীনৰ পৰা এনেকৈ বাহিৰ হৈ যাব যিদৰে ধনুৰ পৰা কাঁড় বাহিৰ হৈ যায়। দ্বীনৰ ফালে ঘূৰি অহা সিহঁতৰ ভাগ্যত নঘটিব, যদিওবা পুনৰাই কাঁড় ধনুৰ ফালে ঘূৰি আহিব পাৰে, সিহঁতৰ সৈতে তোমালোকৰ য'তেই সাক্ষাৎ নহওঁক কিয়, সংগ্ৰাম হোৱা অনিবাৰ্য। এই সংগ্ৰাম যদি কেতিয়াবা যুদ্ধত পৰিণত হয় তেনেহ'লে পিছুৱাই নাহিবা। এই সংগ্ৰামত যিয়ে মৃত্যুবৰণ কৰিব তেওঁলোকক আল্লাহ পাকে পুৰস্কাৰ দান কৰিব আৰু আল্লাহৰ প্ৰিয়পাত্ৰ হ'ব।" (বুখাৰী, ২য় ভাগ, পৃঃ ১১২৮, ১১২৪, মুৱাত্তা ইমাম মালিক, ১ম ভাগ, পৃঃ ১৩৮, আবু দাউদ, ২য় ভাগ, পৃঃ ৬৫৬, (তিৰ্মিজী) মিশ্বকাত, পৃঃ ৩৫৫, (মুছলিম)

pdf By Syed Mostafa Sakib



মিশ্বকাত, ২য় ভাগ, পৃঃ ৪৫৫, ৮৬২ (মুছলিম), বুখাৰী বাংলা অনুবাদ, ৬ষ্ঠ খণ্ড, হাঃ নং- ৬৪৪৯, ৬৪৫০, ৬৪৫২, ৭০৪১ (আধুনিক প্রকাশনী), বাংলা অনুবাদ মুৱাত্তা মালিক (ইছলামীক ফাউণ্ডেশ্বন), ১ম খণ্ড, হাঃ নং- ৫৭৮।) উপৰোক্ত হাদীচ শ্বৰীফ সমূহৰ বৰ্ণনাকাৰী সকল হ'ল ক্ৰমে— হযৰত আবু ছায়্যিদ খুদ্ৰী, হযৰত আ'লী, হযৰত আবু হুৰাইৰাহ, হযৰত আব্দুল্লাহ বিন উমৰ ৰাদ্বিয়াল্লাহ আ'নহুম। উপৰোক্ত হাদীচ শ্বৰীফ সমূহৰ আৰবী প্ৰতিলিপি তলত দিয়া হ'ল—

عن ابى سعيد الخدرى عن النبى صلى الله
عليه و سلم قال يخرج ناس من قبل المشرق
ويقرون القرن لا يجاوز تراقيهم يمرقون من الدين
كما يمرقون السهم من الرمية ثم لا يعودون فيه
حتى يعود السهم الى فوقه قيل يارسول الله سيما
هم قال سيما هم التحليق او التسبيد ؛ بخارى
كتاب الرد على الجهمية باب قرأة الفاجر و المنا
فق ص ١١٢٨ جلد ٢ رشيدية

عن على رضى الله عنه قال انى سمعت رسوا الله
صلى الله عليه وسلم يقول سيخرج قوم فى اخرالز
مان حداث الا سنان سفهاء الحلام يقولون من
خير قول البرية لايجاوز ايمانهم حناجرهم بخارى
كتاب استتابة المعاندين والمرتدين جلد ٢ ص
١٠٢٣ باب الخوارج

عن ابى سعيد قال سمعتنا رسول الله صلى الله
علله و سلم يقول يخرج فيكم قوم تحقرون صلاتكم
مع صلا تهم وصيا مكم مع صيا مهم واعما لكم مع
اعمالهم موطأ امام مالك بن انس جلد ١ ص ١٣٨
تحزيب القران

عن على قال قال رسول الله صلى الله عليه و
سلم يخرج قوم من امتى يقرؤن القران ليست
قرأتكم الى قرا تهم شيئا يقرؤن القران يحسبون





انه لهم وهو عليهم لا تجاوز صلاتهم تر اقيهم
ابو داؤد جلد ٢ ص ٦٥٦

عن ابى سعيدن الخدرى قال قال رسول الله
صلى الله عليه و سلم يدعون الى كتاب الله وليسوا
منه فى شيئ قالوا يارسول الله ماسيماهم ؟ قال
التحليق قال ابو داؤد التسبيد استيصال الشعر -
ابو داؤد جلد ٢ ص ٦٥٦

عن انس ان النبى صلى الله عليه وسلم قال
سيماهم التحليق والتسبيد ابوداؤد .كتاب السنة
باب فى قتل الخوارج جلد ٢ ص ٦٥٦

عن ابى هريرة قال قال رسول الله صلى الله عليه
وسلم يخرج فى اخر الزمان رجال يختالون دنيا
بالدين يلبسون للناس جلود الضان من اللين
السنتهم احلى من السكر قلو بهم قلوب الذياب
رواه الترمذى باب الرياء مشكوة ص ٣٥٥

عن ابن عمر عن النبى صلى الله عليه وسلم
السنتهم احلى من السكر قلوبهم امر من الصبر
ترمذى مشكوة - ص ٤٥٥ جلد ٢

عن حذيفة قال قال رسول الله صلى الله عليه
وسلم قلو بهم قلوب الشيطين فى جثمان انس
مشكوة - ص ٨٦٢ جلد ٢ مسلم

٦٤٥١ . عن عبد الله بن عمر وذكر الحرورية فقال
قال النبى [ ص ] يمرقون من الاسلام مرق السهم
من الرمية

pdf By Syed Mostafa Sakib



১৯৪০ (১৯৩০ বুলিও কয়) চনত ভাৰতৰ দিল্লীৰ বস্তী নিজামুদ্দীনত তব্লীগ জামাআ'ত প্ৰতিষ্ঠা কৰে মৌঃ ইলিয়াছ দেহ্লৱী চাহেবে। হাদীচৰ প্ৰতি লক্ষ্য কৰক স্পষ্ট হৈ যাব যে ৰছূল (স্বাঃ)ৰ হাদীচ মুতাবিক এই জামাআ'তটিয়েই হৈছে ইছলাম বহিঃৰ্ভূত জামাআ'ত।

১। মদীনা শ্বৰীফৰ পৰা পূৱ দিশত ভাৰতবৰ্ষত তব্লীগ জামাআ'তৰ জন্ম হৈছে ১৯৪০ চনত, ২। এই জামাআ'তৰ প্ৰতিষ্ঠাপক মৌঃ ইলিয়াছ দেহ্লৱী, ৩। তব্লীগৰ ত্বৰীকা ক্বুৰ্আন হাদীচৰ নহয়, সপোনত প্ৰাপ্ত (মল্ফুজাত ৫০ নং বাণী), ৪। এই জামাআ'তৰ অধিকাংশ লোকে ক্বুৰ্আন-হাদীচ নাজানে, ৫। তেওঁলোকৰ বয়ান কেৱল ফজীলতৰ আৰু ফজীলতৰ বয়ানৰ অধিকাংশ কথা মিথ্যা, ৬। তেওঁলোকৰ আহ্বান দ্বীন ইছলামৰ ফালে, কিন্তু ক্বুৰ্আনৰ আয়াত, স্বসীস হাদীচ দেখালেও নামানিব নিজৰ দলৰ আ'লীমক অনুসৰণ কৰিব, ৭। তেওঁলোকৰ ব্যৱহাৰ মধুৰ, পোছাক চমক লগোৱা কিন্তু অন্তৰ ক্বুৰ্আন আৰু স্বসীস হাদীচৰ প্ৰতি বিৰোধী। তেওঁলোকে ক্বুৰ্আন হাদীচৰ পৰা তা'লীম গ্ৰহণ নকৰে তেওঁলোকৰ কিতাপ বেলেগ যাৰ নাম 'ফাজ্বাঈলে আ'মল' বা 'তব্লীগী নিছাব', ৮। এওঁলোকে আমীৰ, মুৰব্বী সকলৰ কথা মানি চলে। মুৰব্বী, আমীৰৰ কথা ক্বুৰ্আন আৰু স্বসীস হাদীচৰ খিলাফ হ'লেও তেওঁলোকে মুৰব্বী আৰু আমীৰকেই মানি চলে। যোৱা ৮ মাৰ্চ, ২০১৩ তাৰিখৰ 'অসমীয়া খবৰ' কাকতত মৌঃ ফজলুল কৰীম কাছিমীয়ে 'তব্লীগ জামাআ'ত আৰু তব্লিগী নেচাব' নামৰ লেখাত বিনাদ্বিধায় স্বীকাৰ কৰিছে যে 'তব্লীগী নিছাব' কিতাপখনত বহুতো জঈফ হাদীচ আছে আৰু কৈছে যিগৰাকী ব্যক্তিয়ে কিতাপখন তৰ্জমা কৰিছে তেওঁ নিৰ্ভুলভাৱে ইয়াক কৰিব পৰা নাই, ৯। এই দলত মানুহ ভৰ্তি কৰিবলৈ মিথ্যা কাহিনী, মিথ্যা হাদীচ বৰ্ণনা কৰে, উলেখ্য যে তেওঁলোকে কয়- "যিজন ব্যক্তিয়ে তব্লীগত যোৱাৰ কাৰণে নিয়ত কৰে তেওঁৰ প্ৰত্যেক খোজত জীৱনৰ ৭০ বছৰৰ গুণাহ মাফ হৈ যায়।" অথচ এই ক্ষেত্ৰত কোনো হাদীচৰ বৰাত উল্লেখ নকৰে। তব্লীগী সকলে জিহাদৰ স্বাৱাবতেই চিল্লা সীমাবদ্ধ কৰি থৈছে। অথচ শত শত স্বসীস হাদীচ আছে যি নবী (স্বাঃ)ৰ প্ৰকৃত আদৰ্শ কৰ্ম হিচাপে বিবেচিত। যেনেঃ এতিম, দৰিদ্ৰ, পশু, পোহনীয়া জীৱ-জন্তুৰ প্ৰতি মৰম-চেনেহ কৰি, চদকা খায়ৰাত কৰিও হাজাৰ হাজাৰ জিহাদৰ স্বাৱাব পোৱা যায়, ১০। তেওঁলোক যে ইছলামৰ পৰা খাৰিজ, তেওঁলোকৰ





কৰ্মকাণ্ড ক্বুৰ্আনত নাই, স্বসীস হাদীচতো উল্লেখ নাই, সেই সম্পৰ্কে যদি কোনোৱে কয় তেওঁলোকে মানিবলৈ বাধ্য নহয়। এই কথাই প্ৰমাণ কৰে যে তেওঁলোক ক্বুৰ্আন-হাদীচৰ এটা বাহিৰৰ জামাআ'ত, ১১। তেওঁলোকৰ আমীৰ, মুৰব্বী সকলে মূৰৰ চুলি খুৰোৱা দেখিব। তেওঁলোকক সুধিলে ক'ব চুলি খুৰোৱা ছুন্নত এয়া সম্পূৰ্ণ মিথ্যা। প্ৰিয় ৰছূল (স্বাঃ)এ হজ্ব আৰু উমৰাৰ বাহিৰে চুলি খুৰোৱা নাই। তেওঁলোকে কয় হযৰত আ'লী (ৰাঃ)এ মূৰৰ চুলি খুৰাইছে এয়াও সম্পূৰ্ণ মিথ্যা।

হযৰত আবু নয়ীম (ৰাঃ)এ হযৰত আবু উমামা (ৰাঃ)ৰ পৰা 'হুলিয়া শ্বৰীফ'ত বৰ্ণনা কৰিছে — হুজুৰ পাক (স্বাঃ)এ কৈছে— "অচিৰেই আখেৰী জামানাত কিছুমান মানুহ পোক-পৰুৱাৰ দৰে চাৰিওফালে বিয়পি পৰিব। তোমালোকৰ ভিতৰত যিয়ে সেই যুগ পাবা তেওঁ যেন সিহঁতৰ হাতৰ পৰা ৰক্ষা পাবলৈ আল্লাহৰ সহায় কামনা কৰা।" (হুলিয়া, তব্লীগী জামাআ'ত, পৃঃ ১৯৪) মিশ্বকাত শ্বৰীফৰ এটি বৰ্ণনাত আছে- হুজুৰ পাক (স্বাঃ)এ কৈছে — "এনেকুৱা এটি সময় আহিব যি সময়ত মানুহে সিহঁতৰ মছজিদ সমূহৰ ভিতৰত পাৰ্থিৱ কথা বতৰা পাতিব। যেতিয়া সেই সময় আহিব তোমালোকে ইহঁতৰ লগত নবহিবা। ইহঁতৰ আল্লাহৰ কোনো প্ৰয়োজন নাই।"

হযৰত আবু ছায়িদ খুদ্ৰী (ৰাঃ)ৰ পৰা বৰ্ণিত— "আমি সকলো ৰছূলুল্লাহ (স্বাঃ)ৰ ওচৰত উপস্থিত আছিলো আৰু তেখেত (স্বাঃ)এ গণিমতৰ সম্পদ বিলাই আছিল। সেই সময়ত বণী তামীম গোত্ৰৰ 'জলখুৱাইচাৰা' নামৰ এজন লোক আহি ক'লে, 'হে আল্লাহৰ ৰছূল (স্বাঃ), ইনচাফ কৰক।' ৰছূলুল্লাহ (স্বাঃ)এ ক'লে- "ধিক তোমাৰ বীৰত্ব! মই যদি ন্যায় নকৰোঁ, তেতিয়াহ'লে আন কোনে ন্যায় বিচাৰ কৰিব? যদি ইনচাফ (ন্যায় বিচাৰ) নকৰিলোহেঁতেন তেন্তে ধ্বংস হৈ গ'লাহেঁতেন।" হযৰত উমৰ ফাৰুক (ৰাঃ)এ আবেদ কৰিলে, 'মোক আদেশ কৰক মই তাৰ ডিঙি কৰ্তন কৰি দিওঁ।' হুজুৰ পাক (স্বাঃ)এ ক'লে- "তাক এৰি দিয়া, সি অকলে নহয় তাৰ অনেক সঙ্গী আছে, যিসকলৰ নামাজ, ৰোজা দেখিলে তোমালোকৰ কোনোবাই তেওঁৰ নিজৰ নামাজ-ৰোজাক তুচ্ছ বুলি গণ্য কৰিব। সিহঁতে ক্বুৰ্আন পঢ়িব কিন্তু কণ্ঠনলীৰ অন্তৰ ভাগত প্ৰৱেশ নকৰিব (অৰ্থাৎ- হৃদয়াঙ্গম কৰিব নোৱাৰিব) এইবোৰ বাহ্যিক সৌন্দৰ্য থকা স্বত্তেও ইহঁতবোৰ দ্বীনৰ পৰা এনেভাৱে বাহিৰ হৈ যাব যিদৰে ধনুৰ পৰা কাঁড় বাহিৰ হৈ যায়।" (মিশ্বকাত

pdf By Syed Mostafa Sakib



শ্বৰীফ, পৃঃ ৫৩৫, বুখাৰী শ্বৰীফ, খণ্ড- ২, পৃঃ ২২৪)

হযৰত আ'লী (ৰাঃ)এ কৈছে— "আল্লাহৰ শপত, মোৰ বাবে আকাশৰ পৰা মাটিত পৰি যোৱা অতি সহজ। কিন্তু ৰছুলুল্লাহ (স্বাঃ)ক উদ্দেশ্যি বৰ্ণাই কোৱা মোৰ পক্ষে অসম্ভৱ।" তেখেতে মূল হাদীচটি এইদৰে বৰ্ণনা কৰে— "মই ৰছুলুল্লাহ (স্বাঃ)ক কোৱা শুনিছো যে শেষ যুগত অল্প বয়সীয়া (তৰুণ) আৰু একেবাৰে অজ্ঞানী (মূৰ্খ) (dull)বিলাকৰ এদল লোক বাহিৰ হ'ব আৰু সিহঁতে বাহ্যিকভাৱে ভাল কথা-বতৰা পাতিব। কিন্তু সিহঁতৰ ঈমান (believe, faith) কণ্ঠনলীৰ ভিতৰলৈ নাযাব। সেইসকল মানুহ দ্বীনৰ পৰা এনেভাৱে খাৰিজ হৈ যাব, যিদৰে ধনুৰ পৰা কাঁড় বাহিৰ হৈ যায়।" (বুখাৰী শ্বৰীফ, খণ্ড- ২, পৃঃ ২২৪ )

মিশ্বকাত শ্বৰীফৰ ৩০৮ পৃঃত হযৰত আবু ছায়্যিদ খুদ্‌ৰী (ৰাঃ) আৰু হযৰত আনাচ বিন মালিক (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে এই জামাআ'তৰ এটি চিন হ'ব 'তাহ্‌লীক' অৰ্থাৎ মূৰ খুৰোৱা। ওৱাহাবী ফিৰক্কাহৰ মাজত ইয়াক পোৱা যায়। কাৰণ এই দলৰ লোকসকলে অনুগামী সকলক মূৰ খুৰাবলৈ আদেশ কৰে। (আল্ ফুত্‌হাতুল ইছলামীয়া, খণ্ড-২, পৃঃ ২৬৮) মুহাম্মদ ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীয়ে তেওঁলোকৰ মতবাদ অনুসৰি তিৰোতা এজনীক চুলি খুৰাবলৈ আদেশ দিছিল। তেতিয়া তিৰোতাজনীয়ে কৈছিল- "মূৰৰ চুলি হ'ল তিৰোতাৰ আটাইতকৈ সৌন্দৰ্যময় অলংকাৰ, যেনেদৰে পুৰুষৰ দাড়ি।" তাৰ পিছত তিৰোতাজনীয়ে কৈছিল-"আপোনাৰ দাড়ি খুৰাই দিয়ক, কিয়নো ইও শ্বিৰ্ক যুগৰ দাড়ি।" তেতিয়া ইব্‌নে আব্দুল ওৱাহাবে কোনো ধৰণৰ উত্তৰ দিব পৰা নাছিল। (Advice For The Muslim, Page- 285) 'তাহ্‌লীক' শব্দৰ এটি অৰ্থ হৈছে মূৰ মুণ্ডন কৰা। আৰবী ভাষাত 'তাহ্‌লীক' শব্দৰ মূল আখৰ তিনিটা। যেনে- হে, লাম আৰু কাফ। এই মূল আখৰৰ দ্বাৰা গঠিত 'হাল্লাকা' শব্দৰ অৰ্থ ঘূৰণীয়া হৈ বহা। (উ'লামাএ দেওবন্দৰ নিৰ্ভৰযোগ্য অভিধান মিছবাহুল লোগাৎ, পৃঃ ১৭২) তাহ্‌লীক শব্দৰ ব্যাখ্যাত তিনিটা অৰ্থ পোৱা গৈছে। ১। 'মূৰ খুৰোৱা' (hair-shaving)যি আৰবৰ ওৱাহাবী সকলৰ মাজত সম্পূৰ্ণভাৱে পোৱা গৈছে, ২। 'চক্ৰ দিয়া' আৰু ৩। 'ঘূৰণীয়া হৈ বহা'। যি ভাৰতীয় তব্লীগী জামাআ'তৰ মাজত পোৱা যায়। কাৰণ তব্লীগ জামাআ'তৰ কাম হ'ল চক্ৰ দিয়া। এওঁলোকে স্থিৰভাৱে কোনো ঠাইতে থিয় হৈ নাথাকে। য'ত অৱস্থান কৰে গোল অৰ্থাৎ ঘূৰণীয়া হৈ বহে। আপুনিয়েই





কওঁক বৰ্ণিত হাদীচ অনুযায়ী তব্লীগী জামাআ'ত গোমৰাহ জামাআ'তৰ অন্তৰ্ভুক্ত নহ'বনে? হাদীচ পাকত আৰু কোৱা হৈছে- এওঁলোকে বাহ্যিকভাৱে একাগ্ৰতা (খুশু-খুজু) (great attention)ৰ সৈতে নামাজ পঢ়িব আৰু নামাজত ইমান গুৰুত্ব দিব যে অন্য মানুহে এওঁলোকৰ তুলনাত নিজৰ নামাজক তুচ্ছ গণ্য কৰিব। এই লোকক দেখুওৱা ভাৱটি তব্লীগ জামাআ'তৰ ভিতৰত এনেভাৱে প্ৰকাশ হৈছে যি কোৱা বাহুল্য। এনে ধৰণৰ শত শত মানুহ আছে যিসকলে ৪০/৫০ বছৰ ধৰি নামাজ পঢ়ি আছে অথচ তেওঁলোকৰ কপালত দাগ নাই। কিন্তু তব্লীগৰ সৈতে দুই চাৰি চিল্লা দি অহা মানুহৰ কপালত (forehead) বিৰাট দাগ দেখিবলৈ পোৱা যায়। মিশ্বকাত শ্বৰীফৰ এটি বৰ্ণনাত আছে হুজুৰ পাক (স্বাঃ)এ কৈছে— "মানুহৰ মাজলৈ এনেকুৱা এটি সময় আহিব, কিছুমান লোকে মছজিদত দুনীয়াদাৰী কথা পাতিব। যেতিয়া এই সময় উপস্থিত হ'ব তেতিয়া তোমালোকে সেইসকলৰ পৰা সম্পূৰ্ণভাৱে আঁতৰি থাকিবা।" হুজুৰ পাক (স্বাঃ)ৰ এই ভৱিষ্যতবাণী তব্লীগ জামাআ'তৰ ক্ষেত্ৰত আখৰে আখৰে মিলি গৈছে। এই জামাআ'তে মছজিদক বৈঠকখানা, বান্ধনীঘৰত পৰিণত কৰিছে। খোৱা-শোৱাৰ পৰা আৰম্ভ কৰি সমস্ত প্ৰকাৰ দুনীয়াবী কামৰ বাবে মছজিদক ব্যৱহাৰ কৰিছে। হাদীচ পাকত এই জামাআ'তৰ চিনৰ বিষয়ে এইদৰে কোৱা হৈছে যে— "হক্ক পথৰ পৰা ওলাই যোৱাৰ পিছত দ্বিতীয়বাৰ পুনৰ হক্কৰ ফালে ঘূৰি নাহে।" আপুনি লক্ষ্য কৰক যিসকলৰ তব্লীগী জামাআ'তৰ লগত ঘনিষ্ঠতা গঢ়িছে সেইসকলক হাজাৰ চেষ্টা কৰিলেও হক্ক পথৰ ফালে ঘূৰাই আনিব নোৱাৰে। এয়া প্ৰিয়নবী হুজুৰ পাক (স্বাঃ)ৰ বাণী।

উল্লেখিত অন্তিম হাদীচত বৰ্ণিত হৈছে যে, জনৈক যুৱকে ৰছুলুল্লাহ (স্বাঃ)ক ছালাম দিয়াৰ পিছত মছজিদত প্ৰৱেশ কৰিলে আৰু আল্লাহৰ ৰছুল (স্বাঃ)এ তাক শিৰচ্ছেদ কৰিবলৈ আদেশ কৰিলে। ইয়াৰ কাৰণ হিচাপে এইদৰে উল্লেখ কৰা হৈছে যে ৰছুল (স্বাঃ)এ তাৰ মাজত ইবাদতক লৈ অহংকাৰ দেখিবলৈ পাইছে (তাৰ চেহেৰাত শ্বয়তানী দাগ দেখিবলৈ পাইছে)। হযৰত আবুবক্কৰ স্বিদ্দীক(ৰাঃ), হযৰত ওচমান গণি(ৰাঃ), হযৰত উমৰ ফাৰুক (ৰাঃ), হযৰত আ'লী (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ৰ আদেশ আখৰে আখৰে পালন কৰাৰ পিছতো যুৱকজনৰ বাহ্যিক আ'মলত বিভ্ৰান্ত (puzzle) হৈ শিৰচ্ছেদ কৰাতো দূৰৰে কথা মছজিদৰ পৰা বাহিৰ

pdf By Syed Mostafa Sakib

কৰি দিবলৈও সক্ষম হোৱা নাছিল। পিছত যেতিয়া হযৰত আ'লী (ৰাঃ) গৈছিল যুৱকজন তাৰ পৰা অন্তৰ্দ্ধান হৈছিল। তেতিয়া প্ৰিয়নবী হুজুৰ পাক (স্বাঃ)এ এইদৰে কৈছিল— "আল্লাহৰ কচম (swear), যদি তুমি তাক শিৰচ্ছেদ কৰিব পাৰিলাহেঁতেন তেনেহ'লে আমাৰ উম্মতৰ মাজৰ ফিত্না সৃষ্টিকাৰী বীজটো ধ্বংস হ'লহেঁতেন।" (ইব্ৰীজ, পৃঃ ২৭৭) বৰ্তমান দেখা গৈছে যে কিছু সংখ্যক ছুন্নী লোক এই জামাআ'তৰ বাহ্যিক আ'মল দেখি বিভ্ৰান্ত হৈছে আৰু মছজিদ সমূহৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হোৱা নাই। কাৰণ ইহঁতে কলিমা, নামাজৰ কথা কয়। যেতিয়া হযৰত আ'লী (ৰাঃ) প্ৰতিজ্ঞাবদ্ধ হৈ তাক (যুৱকজনক) শিৰচ্ছেদ কৰিবলৈ মছজিদত প্ৰৱেশ কৰিছিল সি তাৰ পূৰ্বেই তাৰ পৰা অন্তৰ্দ্ধান হৈছিল আৰু তেতিয়াই ইয়াৰ ৰহস্য ওলাই পৰিছিল যে ই কোনো মানুহ নাছিল বৰং উম্মতৰ মাজত ফিত্না (quarrel) সৃষ্টিকাৰী ইব্লিছ আছিল। আপুনি মানুহৰ বাহ্যিক আ'মলৰ ওপৰত গুৰুত্ব নিদিব কাৰণ এই সকলৰ সম্পৰ্কে হাদীচত যিবিলাক নিদৰ্শন বৰ্ণনা কৰা হৈছে সেইবিলাক লক্ষ্য কৰাটো একান্ত বাঞ্ছনীয় কিয়নো হুজুৰ পাক (স্বাঃ)এ বহু সময়ত বহুতো নামাজীক মছজিদৰ পৰা বাহিৰ কৰি দিছিল। হযৰত আব্দুল্লাহ বিন মচউদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে — হুজুৰ পাক (স্বাঃ)এ খুৎবা পাঠ কৰা অৱস্থাত ক'লে— "তোমালোকৰ মাজত মুনাফিক আছে, মই যাৰ নাম উল্লেখ কৰিম সেইসকল যেন মছজিদৰ পৰা উঠি যায়।" অৱশেষত তেওঁ (স্বাঃ) ক'লে— "হে অমুক উঠি যোৱা, হে অমুক উঠি যোৱা।" এইদৰে মুঠ ৩৬ (ছয়ত্ৰিশ)জন মানুহক মছজিদৰ পৰা বাহিৰ কৰি দিছিল। (খাছায়িছে কুব্ৰা, খণ্ড- ২, পৃঃ ১০২)

উল্লেখিত হাদীচৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে মুনাফিক মুস্বল্লী বিলাকক মছজিদৰ পৰা বাহিৰ কৰি দিয়াটো ছুন্নত। হুজুৰ পাক (স্বাঃ)এ কৈছে— "মোৰ উম্মতে ফিত্নাৰ সময়ত যেন মোৰ ছুন্নতৰ প্ৰতি আ'মল কৰে। যিসকলে কৰিব সেইসকলে 'এশ' শ্বহীদৰ স্বাৱাব প্ৰাপ্তি হ'ব।" (মিশ্বকাত শ্বৰীফ, পৃঃ ৩০)

হাদীচৰ আলোকৰ পৰা প্ৰমাণিত হয় যে 'তব্লীগী জামাআ'ত' গোমৰাহ, বাত্বিল ফিৰক্বাহ। ইহঁতে ধৰ্মত কলংক আনিছে। এই বাহ্যিক আ'মলকাৰী দলক মছজিদৰ পৰা বাহিৰ কৰি দিয়াটো ছুন্নত। বৰ্তমান এই ছুন্নতটি ঠাই বিশেষে মৃতপ্ৰায় অৱস্থাত আছে আৰু যিসকলে এই 'তব্লীগী জামাআ'ত'ক মছজিদৰ পৰা উলিয়াই পঠাব তেওঁলোকে ১০০ শ্বহীদৰ স্বাৱাব লাভ কৰিব। আল্লাহ পাকে আমাক এই





ছুন্নতটি আদায় কৰাৰ তৌফিক্ব দান কৰক।

পাঠক সকল লক্ষ্য কৰক। ১০ম হিজ্ৰীৰ ৯ জিলহজ্বৰ বিদায় হজ্বৰ দিনা আল্লাহ পাকে ৰছূলুল্লাহ (স্বাঃ)ক জনাই দিলে যে— "আজি তোমালোকৰ কাৰণে তোমালোকৰ ধৰ্ম পৰিপূৰ্ণ কৰি দিলো আৰু তোমালোকৰ ওপৰত (আল্লাহৰ) মোৰ সকলো কৰুণা, অনুগ্ৰহৰাজি ন্যস্ত কৰি ইছলামক তোমালোকৰ ধৰ্ম হিচাপে মনোনীত (establish) কৰিলোঁ।" (ছুৰা মাই'দা, আয়াত- ৩) অথচ ১৯৪০ চনত প্ৰতিষ্ঠিত তব্লীগ জামাআ'তৰ প্ৰতিষ্ঠাপক মৌঃ ইলিয়াছ দেহ্লৱীয়ে 'মলফুজাতে ইলিয়াছ' কিতাপৰ ৫০ নং বাণীত কৈছে — "এই প্ৰচলিত তব্লীগৰ নিয়মো মোৰ ওপৰত সপোনত প্ৰদান কৰা হৈছে।" ইলিয়াছী তব্লীগ জামাআ'তৰ উদ্ভট আক্বাঈদৰ মাত্ৰ এটা উল্লেখ কৰা হৈছে। তেওঁলোকৰ কিতাপ 'ফাজ্বাঈ'লে আ'মল' (উৰ্দু), মক্তবায়ে ৰাহিদিয়া দিল্লীৰ ভূমিকাৰ ১০পৃঃত লিখিছে— "আল্লাহ আউৰ ৰাছুল ভি এ'তেৰাজ ছে খালি নেহী।" অৰ্থাৎ- আল্লাহ আৰু ৰছুল (স্বাঃ) বিতৰ্কৰ উৰ্দ্ধত নহয়। (নাউ'জুবিল্লাহ) অথচ মুছলমান সকলে বিশ্বাস কৰে যে আল্লাহ আৰু তেওঁৰ ৰছুল (স্বাঃ) সকলো ধৰণৰ বিতৰ্কৰ উৰ্দ্ধত।

'তব্লীগ জামাআ'ত' কি, ইয়াৰ লক্ষ্য, উদ্দেশ্য,(Aims & objective) কাৰ্যাৱলী আদি এই জামাআ'তৰ প্ৰতিষ্ঠাপক তথা গুৰু সকলে নিৰ্দ্ধাৰিণ কৰা সংবিধানৰ আলমত বিস্তাৰিতভাৱে আলোচনা আগবঢ়োৱা হৈছে।

'তব্লীগ জামাআ'ত'ৰ প্ৰতিষ্ঠাপক মৌলৱী ইলিয়াছ চাহেব আজিৰ পৰা ১৩২ বছৰ পূৰ্বে ১৩০৩ হিজ্ৰীত জন্মগ্ৰহণ কৰিছিল। তেওঁ ১১ বছৰ বয়সত মৌঃ ৰচিদ আহমদ গংগুহীৰ হাতত বয়াত হৈছিল। ১৩২৩ হিজ্ৰীত গংগুহী চাহেবৰ ইন্তেকালৰ পিছত দ্বিতীয়বাৰ মৌঃ খলিল আহমদ এম্বুটয়ীৰ হাতত বয়াত (being a desciple)হৈছিল। উল্লেখ্য যে মৌঃ ইলিয়াছ চাহেবৰ এই দুই আধ্যাত্মিক গুৰু, পীৰ মুৰ্শিদ মৌঃ ৰচিদ আহমদ গংগুহী আৰু মৌঃ খলিল আহমদ এম্বুটয়ীক উ'লামাএ ইছলামে কাফিৰ ফত্ৱা (verdict) প্ৰদান কৰিছে।

১৩৩৪ত মৌঃ ইলিয়াছ চাহেবে এটি সংগঠনৰ জন্ম দিছিল। এই সংগঠনৰ মাধ্যমত সৰ্বপ্ৰথম 'তব্লীগ জামাআ'ত'ৰ ভেঁটি স্থাপন হয় আৰু ছয় উচুল বা ধাৰাৰ মাধ্যমত জামাআ'ত পৰিচালিত হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেইবোৰ হ'ল— ১। কলিমা শুদ্ধ কৰি পাঠ কৰা, ২। নামাজ শুদ্ধভাৱে আদায় কৰা,

pdf By Syed Mostafa Sakib



৩। ইল্‌ম আৰু জিক্‌ৰ হাস্বিল কৰা, ৪। মুছলমানক সন্মান কৰা, ৫। নিয়ত শুদ্ধ কৰা, ৬। সময় ব্যয় কৰা। মৌঃ জাকাৰিয়া কান্দলৱী (তব্‌লীগী নিছাবৰ লিখক) চাহেবে আৰু এটি উচুল বৃদ্ধি কৰি দিছে যে উল্লেখিত ছয়টি উচুল বা ধাৰাৰ বাহিৰে কোনো কথা নোকোৱা। (তাব্‌লীগী জামাআ'ত পৰ ই'তেৰাজাত, পৃঃ ৪৬)

১৩৫১ হিজ্‌ৰীৰ পৰা তব্‌লীগৰ কাম আঞ্চলিকভাৱে আৰম্ভ হয় আৰু ১৩৫৬ হিজ্‌ৰীৰ পৰা বিভিন্ন স্থানত জামাআ'ত পঠোৱাৰ ব্যৱস্থা কৰা হয়। ১৩৬০ হিজ্‌ৰীত এটি ডাঙৰ ইজ্‌তেমা হৈছিল। ইয়াৰ পিছৰ পৰা এই জামাআ'তে ব্যাপক প্ৰসাৰ লাভ কৰে। ১৩৬৩ হিজ্‌ৰীত মৌঃ ইলিয়াছ দেহ্‌লৱীৰ মৃত্যু হয়। (ছাৱানিহে মৌলানা ইউচুফ, ১৩২ৰ পৰা ১৫২ পৃঃ দ্ৰঃ)

মৌঃ ইলিয়াছৰ ইন্তেকালৰ পিছত যেতিয়া তেওঁৰ মৃতদেহ ময়দান (field)ত অনা হয় তেতিয়া মৌঃ জাকাৰিয়া কান্দলৱী আৰু মৌঃ ইউচুফ চাহেবানে সমবেত মানুহক সম্বোধন কৰি কুৰ্‌আন শ্বৰীফৰ নিম্ন আয়াতটি পাঠ কৰি শুনাইছিল—"ৱামা মুসাম্মাদুন ইল্লা ৰাছূলুন ক্বাদ্ খালাত মিন্ ক্বাব্‌লি হিৰ্ ৰাছূল।" (দ্বীনী দাঅ'ৱাত, ১৮৬ পৃঃ) এইখিনিতে মনত ৰখা উচিত যে হুজুৰ নবী কাৰীম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম পৰ্দা হোৱাৰ পিছত হযৰত আবুবক্কৰ স্বিদ্দীক ৰাদ্বিয়াল্লাহু আ'নহুএ চাহাবা কিৰাম সকল (ৰাঃ)ৰ সন্মুখত উক্ত আয়াতটি পাঠ কৰিছিল। আয়াতটিৰ অৰ্থ — "হযৰত মুসাম্মদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আল্লাহৰ ৰছূল, তেওঁৰ পূৰ্বেও বহু ৰছূল গুছি গৈছে।" উল্লেখ্য যে ইলিয়াছ চাহেবৰ মৃত্যুৰ সময়ত বাৰে বাৰে এই আয়াত পাঠ কৰা হৈছিল। উক্ত আয়াতটিত মৃত্যু সম্পৰ্কত কোনো উল্লেখ নাই। কুৰ্‌আন পাকৰ একাধিক আয়াতত মৃত্যু সম্পৰ্কে আলোচনা কৰা হৈছে সেই সমস্ত আয়াত পাঠ নকৰি এই আয়াতটি কিয় পাঠ কৰা হৈছিল? হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰা আজি পৰ্যন্ত হাজাৰ হাজাৰ চাহাবা কিৰাম (ৰাঃ), ৱলী, গৌছ, কুতুব, পীৰ, দৰৱেশে ইন্তেকাল কৰিছে কিন্তু কাৰো ওফাতৰ সময়ত এই আয়াতটি পাঠ কৰা হোৱা নাই। যি আয়াত ৰছূলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কে অৱতীৰ্ণ হৈছিল আৰু চাহাবাএ কিৰাম (ৰাঃ)এ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰ্দা (passing away from earthly life)হোৱাৰ সময়ত তিলাৱাত কৰিছিল। সেই আয়াত ইলিয়াছ চাহেবৰ মৃত্যুৰ সময়ত পাঠ কৰাৰ উদ্দেশ্য ইলিয়াছ চাহেবক নবী বনোৱাৰ পৰিকল্পনা





নহয়নে? কাৰণ দেওবন্দী তব্‌লীগী সকলে ইলিয়াছ চাহেবক এজন নবী হিচাপে গণ্য কৰে। ইলিয়াছ চাহেবে কৈছে— "তব্‌লীগৰ হুকুম মোৰ প্ৰতি ইল্‌হাম হৈছে।" তেওঁক নবীসকলৰ দৰে পঠোৱা হৈছে। (মল্‌ফুজাতে ইলিয়াছ, ৫০, ৫১ পৃঃ) সমস্ত তব্‌লীগী লোক নবীসকলৰ দৰে। (বঙালী মল্‌ফুজাত, পৃঃ ৫০)

'তব্‌লীগ জামাআ'ত'ৰ প্ৰকৃত উদ্দেশ্য কি সেই সম্পৰ্কে জানিবলৈ হ'লে এই জামাআ'তৰ প্ৰতিষ্ঠাপকৰ পৰা মতামত সংগ্ৰহ কৰিব লাগিব। অন্যথা আচল উদ্দেশ্য সম্পৰ্কে জনা নাযাব। তব্‌লীগ জামাআ'ত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত মৌঃ ইলিয়াছ চাহেবৰ উদ্দেশ্য কি আছিল সেই বিষয়ে জনাৰ একান্ত প্ৰয়োজন।

মৌঃ ইলিয়াছ চাহেবে কৈছে — **"হযৰত মৌঃ থানৱীএ বহুত ডাঙৰ কাম কৰিছে, এই কাৰণে মোৰ হেঁপাহ, শিক্ষা তেওঁৰ হওঁক আৰু তব্‌লীগ কৰা নিয়ম মোৰ হওঁক। এই ধৰণে তেওঁৰ শিক্ষা প্ৰচাৰ হৈ যাব।"** (মল্‌ফুজাতে ইলিয়াছ, পৃঃ ৫৬, ৫৭) ইলিয়াছ চাহেবৰ উক্তিৰ পৰা প্ৰমাণ হয় যে তব্‌লীগ জামাআ'তৰ প্ৰতিষ্ঠাতা স্বয়ং ইলিয়াছ। এতস্বত্ত্বেও সমস্ত দেওবন্দী আ'লীম আৰু তব্‌লীগী জামাআ'তৰ মানুহে কৈ থাকে যে এয়া নবী সকলৰ কাম আৰু চাহাবা সকলৰ ত্বৰীকা। এয়া গোকাট মিছা কথা। যদি নবী আৰু চাহাবা সকলৰ কাম হ'লহেঁতেন তেনেহ'লে ইলিয়াছ চাহেবে 'মোৰ নিয়ম' (my way) বুলি নক'লেহেঁতেন। মৌঃ ইলিয়াছে 'তব্‌লীগ জামাআ'ত'ৰ অগ্ৰগতিৰ বাবে যিবিলাক কথা 'মল্‌ফুজাতে ইলিয়াছ'ত লিপিবদ্ধ কৰিছে ইয়াৰ ওপৰত ভিত্তি কৰিয়েই বৰ্তমান তব্‌লীগ জামাআ'ত চলিছে। ১১১ নং মল্‌ফুজাতত তেখেতে তব্‌লীগী সকলক ইবাদতত উৎসাহিত কৰাৰ মানসেৰে কৈছে-"হুজুৰ পাক (স্বাঃ)এ তব্‌লীগৰ কাৰণে সাধাৰণ মানুহৰ লগত যেতিয়া মিলামিছা কৰে। তেতিয়া তেখেত (স্বাঃ)ৰ নূৰানী অন্তৰত সাধাৰণ মানুহৰ গুণাহ আহি পৰে। সেয়ে তেখেত (স্বাঃ)এ নিৰ্জনত বহি জিক্‌ৰ-আজকাৰৰ দ্বাৰা সেই গুণাহ ধুই পেলায়।" মৌঃ ইলিয়াছৰ এই মন্তব্য অত্যন্ত মাৰাত্মক। ইয়াৰ দ্বাৰা হুজুৰ পাক (স্বাঃ)ৰ উচ্চ মৰ্যাদাক বিনষ্ট কৰা হৈছে আৰু তেখেত (স্বাঃ)ক কলংকিত কৰা হৈছে। কাৰণ হুজুৰ পাক (স্বাঃ) সকলো প্ৰকাৰ গুণাহৰ পৰা মুক্ত আৰু পৱিত্ৰ। অৱশ্যে তেখেত (স্বাঃ)এ আল্লাহৰ শুক্‌ৰিয়াৰ কাৰণে নফল ইবাদত কৰে। আল্লাহ পাকে ফৰ্মাইছে-"হুজুৰ পাক(স্বাঃ)এ মানুহৰ নফ্‌ছ (ৰিপু)ক পৱিত্ৰ কৰি দিয়ে।" সেয়ে কুৰ্‌আনৰ মতে তেখেত (স্বাঃ)এ মানুহক

pdf By Syed Mostafa Sakib



অপবিত্ৰৰ পৰা পবিত্ৰ কৰে। কিন্তু ইলিয়াছ চাহেবৰ মতে মানুহক পবিত্ৰ কৰিবলৈ গৈ হুজুৰ পাক (স্বাঃ) নিজে অপবিত্ৰ হৈ যায় (নাউ'জুবিল্লাহ)। আনহাতে সাধাৰণ মানুহে ভাবে যে কলিমা আৰু নামাজৰ শিক্ষা দিয়াই তব্‌লীগ জামাআ'তৰ শেষ কাম। এই ধাৰণাটি সম্পূৰ্ণ ভুল। বৰং কলিমা আৰু নামাজৰ দাঅ'ৱাত তেওঁলোকৰ প্ৰাথমিক (primary) কাম। মৌঃ ইলিয়াছে কৈছে-"**কলিমা আৰু নামাজৰ শিক্ষা দিয়া আমাৰ সম্পূৰ্ণ ছিলেবাছৰ আলিফ, বে, তে।**" (মল্‌ফুজাতে ইলিয়াছ, পৃঃ ৩১) তব্‌লীগ জামাআ'তৰ মুবাল্লিগ সকলে নামাজৰ প্ৰতি অত্যন্ত গুৰুত্ব দি থাকে। তেওঁলোকে অন্য কোনো মতভেদী মাছআ'লা-মাছাইল সম্পৰ্কে আলোচনা নকৰে। অৱশ্যে এওঁলোকৰ ওচৰত প্ৰকৃতপক্ষে নামাজৰ কোনো মূল্যই নাই। চাওঁক মৌঃ ইলিয়াছে কৈছে-"দ্বীনৰ দাঅ'ৱাত আমাৰ ওচৰত এই সময়ত ইমান জৰুৰী যে যদি কোনো ব্যক্তি নামাজ পঢ়ি থাকে, নতুন মানুহ আহি গুছি যায় আৰু পিছত তেওঁৰ সৈতে সাক্ষাতৰ সম্ভাৱনা নাথাকে তেনেহ'লে নামাজ ভঙ্গ কৰি তেওঁৰ সৈতে দ্বীনৰ কথা ক'বা। নামাজ পুনৰাই পঢ়িবা।" (মল্‌ফুজাতে ইলিয়াছ, পৃঃ ১৭১) ইলিয়াছ চাহেবৰ উক্তি অনুযায়ী তব্‌লীগ জামাআ'তৰ মানুহে কোনো সময়তে একাগ্ৰতাৰ সৈতে নামাজ পঢ়িব নোৱাৰে। কাৰণ নামাজ আৰম্ভ কৰাৰ পিছত সকলো সময়তে লক্ষ্য ৰাখিব লাগিব যে কোন আহিছে আৰু কোন গুছি গৈছে। ইয়াতেই সমাপ্ত নহয়। বৰং যি নামাজৰ বাবে ইমান মেহনত সেই নামাজক চিকাৰ ধৰিবৰ বাবে ভঙ্গ কৰিব লাগিব। এয়াই হ'ল তব্‌লীগ জামাআ'তৰ নামাজৰ গুৰুত্ব। হযৰত আ'লী (ৰাঃ)ৰ দেহৰ পৰা তীৰ বাহিৰ কৰা যেতিয়া অসম্ভৱ আছিল তেতিয়া তেওঁ (ৰাঃ) নামাজ আৰম্ভ কৰিছিল। লগে লগে তীৰ বাহিৰ কৰা সম্ভৱ হৈছিল। তেওঁ গমেই পোৱা নাছিল। ইয়াত ওৱাহাবী আৰু চাহাবীৰ নামাজৰ মাজত আকাশ পাতাল পাৰ্থক্য দেখা যায়। মৌঃ আশ্ৰফ আ'লী থানৱীৰ প্ৰিয় খলিফা মৌঃ আব্দুল মজিদ দৰিয়াবাদীয়ে থানৱী চাহেবক সুধিলে- "নামাজত যেতিয়ালৈকে আপোনাৰ ধ্যান কৰোঁ তেতিয়ালৈকে নামাজত মোৰ মন বহে, এই কামটো ভাল নে বেয়া? যদি বেয়া তেনেহ'লে মই নকৰোঁ?" থানৱী চাহেবে ইয়াৰ উত্তৰ দিলে —"ভাল হয় যেতিয়ালৈকে আনে গম নাপায়।" (হাকিমুল উম্মত) আনহাতে হুজুৰ পাক (স্বাঃ) সম্পৰ্কে এওঁলোকৰ আক্বীদাহ — "নামাজত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ খেয়াল অহাতকৈ গাধ আৰু বলধৰ খেয়াল অহাই ভাল।" ('ছীৰাত-





ই- মুছ্‌তাকিম', পৃঃ ৮৬, লিখক- মৌঃ ইছমাঈল দেহ্‌লৱী)

ইলিয়াছ চাহেবৰ উক্তিৰ পৰা আৰু প্ৰমাণ হয় যে আশ্ৰফ আ'লী থানৱীৰ শিক্ষাক ব্যাপকভাৱে প্ৰচাৰ কৰাই হ'ল তেওঁৰ মুখ্য উদ্দেশ্য। এইবাৰ কওঁক যিসকলে তব্‌লীগ জামাআ'ত সম্পৰ্কে কৈ থাকে — 'এয়া একমাত্ৰ দ্বীনৰ কাম' তেওঁলোক কিমান ডাঙৰ প্ৰৱঞ্চক। প্ৰত্যেক মানুহে নিজৰ উদ্দেশ্য নিজেই নিৰ্দ্ধাৰিত কৰে। সেয়ে ইলিয়াছ চাহেবেও তেওঁৰ উদ্দেশ্য নিৰ্দ্ধাৰিত কৰিছে। ইয়াত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু আপত্তি ইয়াতেই তব্‌লীগৰ আমীৰ সকলে ইলিয়াছ চাহেবৰ উদ্দেশ্য গোপন কৰে কিয়? তেওঁলোকে কিয় নকয় আমি থানৱী চাহেবৰ শিক্ষা আৰু মতবাদ (Thanawism) প্ৰচাৰ কৰিবৰ বাবে আহিছো, যি সকল থানৱী চাহেবৰ ভক্ত হ'ব ইচ্ছা কৰে আমাৰ স'তে আহক। এনে আহ্বানৰ জৰিয়তে যি সকল থানৱী চাহেবৰ প্ৰৱঞ্চনা সম্পৰ্কে অৱগত তেওঁলোক এই জামাআ'তৰ পৰা দূৰত থাকিব আৰু ইমানখিনি জনাৰ পিছতো যিসকলে এই আহ্বানত সঁহাৰি দিয়ে তেন্তে আমাৰ ক'বলগীয়া নাই। যি জামাআ'তে প্ৰথম অৱস্থাতে মানুহক প্ৰৱঞ্চনা কৰে সেই জামাআ'তে মানুহক কি শিক্ষা দিব? পাঠক সকলে নিশ্চয় বুজিব পাৰিছে যে বৰ্তমান তব্‌লীগ জামাআ'ত আল্লাহ পাক নে, তেওঁৰ ৰছুল (স্বাঃ)ৰ, নে কুৰ্‌আন-হাদীচৰ? ইলিয়াছ চাহেবে আৰু কৈছে-"**হযৰত থান্‌ৱীৰ সৈতে সম্পৰ্ক গাঢ় কৰিলে, তেওঁৰ বৰ্কতৰ পৰা উপকাৰ ল'লে আৰু তেওঁৰ আত্মাৰ সন্তুষ্টি বৃদ্ধি কৰিবৰ বাবে সকলোতকৈ ডাঙৰ আৰু মজবুত মাধ্যম এয়াই যে তেওঁৰ শিক্ষা আৰু নিৰ্দেশৰ ওপৰত দৃঢ়তাৰ সৈতে থকা আৰু এই বিলাক ব্যাপকভাৱে প্ৰচাৰ কৰাৰ চেষ্টা কৰা।**" (মল্‌ফুজাতে ইলিয়াছ, ৬৭ পৃঃ) উপৰোক্ত উদ্ধৃতিত ইলিয়াছ চাহেবে স্পষ্টভাৱে কৈছে-তব্‌লীগ জামাআ'তৰ মেহনত আল্লাহ পাক আৰু তেওঁৰ ৰছুল (স্বাঃ)ৰ সন্তুষ্টি লাভ কৰাৰ বাবে নহয় বৰং থানৱী চাহেবৰ ৰূহক সন্তুষ্ট কৰিবৰ বাবে তেওঁৰ শিক্ষা আৰু নিৰ্দেশক ব্যাপকভাৱে প্ৰচাৰ কৰা। ইয়াত আল্লাহ আৰু ৰছুল (স্বাঃ)ৰ শিক্ষা বুলি নকৈ থানৱী চাহেবৰ শিক্ষাৰ কথা কোৱা হৈছে। থানৱী চাহেবৰটো ব্যক্তিগত কোনো শিক্ষা নাই আৰু যদি ব্যক্তিগত কোনো শিক্ষা থাকেও তেতিয়া হ'লে সেয়া কুৰ্‌আন- হাদীচৰ শিক্ষা হ'ব নোৱাৰে। অৱশ্যে থানৱী চাহেবৰ এটি শিক্ষা আছে সেইটোৰ নাম হ'ল ওৱাহাবী শিক্ষা (Wahabism)। এই ওৱাহাবী শিক্ষাৰ প্ৰচাৰেই তেওঁৰ সমস্ত জীৱনৰ কামনা

pdf By Syed Mostafa Sakib



আছিল। এই বাবেই থানৱী চাহেবে আক্ষেপ কৰি কৈছিল — **"যদি মোৰ হাতত ১০,০০০ (দহ হাজাৰ) টকা থাকিলহেঁতেন তেন্তে উপঢৌকন দি মানুহক ওৱাহাবী বনালোহেঁতেন।"** ('আল্ ইফাদাতুল ইয়াওমিয়াহ, ৩য় খণ্ড, ৯৭ পৃঃ) মৌঃ আশ্ৰফ আ'লী থানৱী চাহেব কানপুৰত থকা কালত কৈছিল - **"ভাইহঁত ইয়াত ওৱাহাবী সকল থাকে ফাতিসাহৰ চিন্নী নপথাব।"** (আশ্রাফুচ্ছাৱান, ১ম খণ্ড, ৪৫০ পৃঃ) থানৱী চাহেবৰ শিক্ষা কি আছিল সেই সম্পৰ্কে চাওঁ আহক —

১। এবাৰ কোনো এজন মুৰীদে মৌঃ থানৱী চাহেবলৈ চিঠি লিখিলে যে মই সপোনত দেখিছো 'লা ইলাহা ইল্লাল্লাহু'ৰ পিছত 'আশ্ৰফ আ'লী...' মোৰ মুখৰ পৰা অনায়াসে বাহিৰ হৈছে সাৰ পোৱাৰ পাছত কলিমাৰ ভুলটো মনত পৰে আৰু উঠি বহি যাওঁ, আকৌ দ্বিতীয় কাতি বাগৰি ভুলটো শুধৰাবৰ কাৰণে ৰছূলুল্লাহ (স্বাঃ)ৰ ওপৰত দৰূদ পঢ়োঁ। কিন্তু আকৌ কৈছো- " আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ৱা নবী আনা ৱা মাওলানা আশ্ৰফ আ'লী... (اللهم صل على سيدنا ونبينا ومولانا اشرف على) ইয়াৰ উত্তৰত মৌঃ থানৱী চাহেবে ক'লে— "এই সপোনত সান্ত্বনা আছে এই কাৰণেই যে মই ছুন্নতৰ অনুসৰণ কৰোঁ। (মৌঃ আশ্ৰফ আ'লী থানৱীৰ 'আল ইম্‌দাদ' চফৰ সংখ্যা ১৩৩৬ হিজ্‌ৰী, ফেব্ৰুৱাৰী ১৯৫২ চন পৃঃ ৩৫ , প্ৰকাশকঃ খান্‌কাহে ইম্‌দাদীয়াহ থান্‌ভূন)

দ্বীনী ভাই সকল কওঁক থানৱী চাহেবৰ উত্তৰ সঠিক হৈছেনে? যদি এই ঘটনাটি মিৰ্জা গোলাম আহমদ কাদিয়ানীৰ প্ৰতি সম্বোধন কৰি কোনো তব্‌লীগ জামাআ'তৰ মানুহক শুনোৱা হয় তেনেহ'লে নিশ্চিন্তে ক'ব- 'এয়া কুফ্‌ৰী'। কিন্তু থানৱী চাহেবৰ নাম ক'লে অনেক ব্যাখ্যা আগবঢ়াব। মই অসমৰ বিভিন্ন প্ৰান্তত থানৱী চাহেবৰ নাম প্ৰকাশ নকৰি কেৱল ঘটনাটি কৈ মতামত জানিব বিচৰাত বহু মানুহে কাফিৰ হোৱাৰ ফত্‌ৱা প্ৰদান কৰিছে। কিন্তু যেতিয়াই থানৱী চাহেবৰ নাম প্ৰকাশ কৰি মতামত জানিব বিচাৰো অনেকেই নীৰৱতা অৱলম্বণ কৰে। থানৱী চাহেবে কোৱা উচিত আছিল যে, "শ্বয়তানে তোমাক ধোকা দিছে, সোনকালে তৌবাহ কৰা অন্যথাই কাফিৰ হৈ যাবা।" যিহেতু দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক কাছিম নানথৱী চাহেবে নবুঅ'তৰ দ্বাৰ চিৰ উন্মুক্ত কৰি কৈছে-" হুজুৰ পাক (স্বাঃ)ৰ পিছত যদি কোনো নবী আহে তেন্তে 'খাতামান্নাবীঈন' (Sealed Prophetism)ত কোনো ক্ষতি নহ'ব।" (তাহ্‌জিৰুন নাছ) সেইহেতু বুজা যায় এয়া আছিল থানৱী





চাহেবৰ নবুঅ'ত দাবী কৰাৰ প্ৰথম পদক্ষেপ। থানৱীৰ উত্তৰটি ঈমান আৰু ইছলাম বিৰুদ্ধ আছিল। এয়া কেৱল উ'লামাএ আহ্‌লে ছুন্নতৰ কথা নহয়। বৰং মৌঃ আহমদ ছাঈদ আকবৰাবাদী দেওবন্দী পৰ্যন্ত স্বীকাৰ কৰিছে। আকবৰাবাদী চাহেবে থানৱীৰ প্ৰতিবাদ কৰি লিখিছে- 'ইয়াৰ উত্তৰ এয়াই হোৱা উচিত আছিল যে, এয়া কুফ্‌ৰী বাক্য, শ্বয়তান আৰু নফ্‌ছৰ ধোকা। তুমি সোনকালে তৌবাহ কৰা।" কিন্তু থানৱী চাহেবে এই কথা কৈছে — "মোৰ প্ৰতি তোমাৰ অগাধ মুসাব্বত। এই ঘটনাটি ইয়াৰ ফল।" (বুৰ্হান-১০৭ পৃঃ, ফেব্ৰুৱাৰী সংখ্যা, ১৯৫২ চন, তব্‌লীগী জামাআ'ত, ৫৬ পৃঃ)

২। জনৈক ব্যক্তিয়ে থানৱী চাহেবক প্ৰশ্ন কৰিছিল-"হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ জন্মৰ খুছীত দাসী আযাদ কৰাৰ কাৰণে আবু লাহাবৰ নিচিনা এজন বিখ্যাত কাফিৰে পুৰস্কাৰ পৰ্যন্ত পাইছে। তেনেহ'লে মুছলমান সকলে যদি হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ জন্মৰ খুছী প্ৰকাশ কৰি থাকে, স্বাৱাব পাবনে?" ইয়াৰ উত্তৰত থানৱী চাহেবে ক'লে — "এই খুছী আমাৰ বাবে জায়েজ হ'লহেঁতেন যদি শ্বৰীঅ'তৰ দলিল বেয়া বস্তুবিলাক নিষেধ নকৰিলেহেঁতেন। প্ৰকাশ থাকে যে জায়েজ আৰু নাজায়েজৰ সমষ্টি নাজায়েজ হৈ থাকে।" (কামালাতে আশ্ৰাফীয়া, ৪৪৪ পৃঃ) থানৱীএ ক'বলৈ বিচাৰিছে যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ জন্ম শ্বৰীফৰ খুছী প্ৰকাশ কৰা জায়েজ নহয় আৰু যি বস্তু জায়েজ নহয় তাৰ বাবে আখিৰাতত কোনো স্বাৱাব নাই। দেওবন্দী জগতৰ হাকীমূল উম্মত থানৱী চাহেবৰ আৰু এটি ফত্‌ৱা চাওঁ আহক। থানৱীৰ জীৱনী গ্ৰন্থ 'আশ্ৰাফুচ চাৱানিহ'ৰ খণ্ড- ২, পৃঃ ২৮ ত লিখিছে—থানৱীৰ জীৱনীকাৰ আৰু তেওঁৰ প্ৰিয় মুৰীদ খাজা আজীজুল হাচানে নিজৰ সম্পৰ্কে এইদৰে লিখিছে- এবাৰ মই লজ্জাৰ সৈতে থানৱী চাহেবক ক'লো- "মোৰ অন্তৰত সকলো সময়তে এই কথা আহে যে যদি মই মহিলা হৈ হুজুৰৰ স্ত্ৰী হ'লোহেঁতেন!" এই ভালপোৱাৰ কথা যেতিয়া প্ৰকাশ কৰিলো, তেতিয়া হুজুৰ অত্যন্ত খুছী হৈ অস্বাভাৱিক ভাবে হঁহা আৰম্ভ কৰিলে আৰু এইদৰে কৈ কৈ মছজিদৰ ভিতৰত প্ৰৱেশ কৰিলে লগতে ক'লে-"এয়া তোমাৰ মুসাব্বত, স্বাৱাব পাবা, স্বাৱাব পাবা।" ৰছূলুল্লাহ (স্বাঃ)ৰ পবিত্ৰ জন্ম শ্বৰীফৰ খুছী প্ৰকাশ কৰা বা মীলাদ শ্বৰীফ কৰা নাজায়েজ। থানৱী চাহেবে ফত্‌ৱা (Verdict) প্ৰদান কৰিছে। কিন্তু থানৱীৰ প্ৰতি মুসাব্বত কৰিলে আৰু তেওঁৰ স্ত্ৰী হোৱাৰ অসভ্য

pdf By Syed Mostafa Sakib



আকাঙ্খা প্ৰকাশ কৰিলে স্বাৰাব পোৱা যায়। পাঠক সকল ইনছাফ কৰি কওঁক যদি থানৱী চাহেবৰ এই শিক্ষা তব্লীগ জামাআ'তৰ মাধ্যমত মুছলমান সকলৰ মাজত ব্যাপক কৰি দিয়া হয়, তেনেহ'লে পৰিণাম কি ঘটিব? নামাজী হোৱাৰ পিছতো নাজাতৰ আশা কৰিব পাৰিনে? ইয়াৰ নাম ৰছুল (স্বাঃ) দুচমনী নহয়নে? মানুহ যদি বেআ'মল হয় তেতিয়াহ'লে সংশোধন কৰা সম্ভৱ। কিন্তু প্ৰিয়নবী (স্বাঃ)ৰ প্ৰতি যাৰ ধাৰণা বেয়া হৈছে তেওঁক সংশোধন কৰা সম্ভৱ নহয়।

৩। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে পুৰুষ সকলক উপদেশ দি কৈছে- "আক্বীকা, খৎনা আৰু বিছ্মিল্লাহখোৱানীৰ মাহ্ফিলত নাযাবা, শ্বব-ই-বৰাত, মহৰমৰ তিথি নকৰিবা, মিছকিনক ভাত খুউৱা, বিয়া-সভাত, জুৰণত নেযাবা এই বিলাক কাম নাজাইজ। কাৰো ঘৰত নাযাবা আৰু নিজৰ ঘৰলৈও কাকো নামাতিবা।" মহিলা সকলক উপদেশ দি থানৱীয়ে কৈছে— "ৱলী সকলৰ নিয়াজ ফাতিসাহ নকৰিবা। 'বেহেস্তী জেওৰ' এখন কিতাপ আছে এইখন পঢ়িবা, শুনিবা আৰু ইয়াৰ ওপৰত আ'মল কৰিবা।" (কাচাদুচ চাবীল, পৃঃ ২৫, ২৬)

৪। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ইল্ম (জ্ঞান)ৰ কি মৰ্যাদা আছে এই ধৰণৰ ইল্ম জায়েদ, উমৰ, বকৰ আনকি সৰু ল'ৰা, পাগল আৰু পশুৰো আছে।" ('হিফ্জুল ঈমান', পৃঃ ৭) থানৱী চাহেবৰ 'হিফ্জুল ঈমান'ৰ এই উক্তিক কেন্দ্ৰ কৰি ভাৰতৰ মুছলমান সমাজ দুই মেৰুত অৱস্থান কৰিছে। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ ইল্ম (জ্ঞান)ক জন্তুৰ ইল্মৰ সৈতে তুলনা কৰি থান্ৱী চাহেব নবুঅ'তৰ মহান দৰবাৰত গৰিহ্ণাৰ পাত্ৰ হৈছে। যাৰ বাবে উ'লামাএ কিৰাম সকলে এই আপত্তিকৰ তথা জঘন্য উক্তি পৰিবৰ্তনৰ বাবে তেওঁক পৰামৰ্শ দিছিল যদিও থানৱী চাহেবে তালৈ ভ্ৰুক্ষেপ নকৰি নিজ মত (Ism)ত অটল হৈ থাকিল। উ'লামাএ ইছলামে অৱশেষত তেওঁক কাফিৰ ঘোষণা কৰে। মক্কা আৰু মদীনা শ্বৰীফ তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ মুফ্তীয়ান কিৰাম সকলে তেওঁৰ প্ৰতি যি ফত্ৱা প্ৰদান কৰিছে সেয়া 'হুচ্ছামুল হাৰ্মাঈন' নামেৰে প্ৰকাশিত হৈছে। অনুৰূপ অখণ্ড ভাৰতৰ ২৬৮ জন আ'লীমৰ ফত্ৱা 'আশ্ব্ শ্বাৱাৰিমুল হিন্দীয়া' নামেৰে প্ৰকাশ হৈছে। মুঠ কথা থানৱী চাহেব ইছলামী বিশ্বত কলংকিত ব্যক্তি হিচাপে চিহ্নিত হৈ আহিছে। থানৱী চাহেবৰ এই কলংক মুক্ত কৰিবৰ বাবে আৰু তেওঁৰ শিক্ষা সাধাৰণ মানুহৰ ওচৰত পৌছাবৰ বাবে মৌঃ ইলিয়াছে তব্লীগ





জামাআ'ত প্ৰতিষ্ঠা কৰিছে। তেওঁ কৈছে-"তব্লীগ জামাআ'তৰ মাধ্যমত থানৱী চাহেবৰ শিক্ষা প্ৰচাৰ কৰাই মোৰ উদ্দেশ্য।" (মলফুজাতে ইলিয়াছ, পৃঃ ৬৭)

৫। অলপতে (২০১২ চন) মৌঃ আশ্ৰফ আ'লী থানৱীৰ 'এ গিফ্ট ফৰ মুছলিম কাপল' (মুছলিম দম্পতীৰ বাবে এক উপহাৰ) নামেৰে গ্ৰন্থ এখন ইংৰাজী ভাষাত প্ৰকাশ হোৱাৰ পিছতে ইউৰোপ আৰু আমেৰিকাৰ লগতে সমগ্ৰ বিশ্বৰ মুছলমানৰ মাজত তিব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৌঃ থানৱীৰ ১৬০ পৃঃৰ উক্ত গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ কৰিছে দক্ষিণ আফ্ৰিকাৰ মৌলৱী ইউছুফ কাবন নামৰ লোক এজনে। উক্ত গ্ৰন্থখনত সংসাৰ মজবুত কৰি ৰখাৰ বাবে নৱবিবাহিত স্বামীক দিয়া কেইটামান উপদেশে ইউৰোপ আৰু আমেৰিকাৰ মুছলমানক চিন্তিত কৰিছে। গ্ৰন্থখনত স্বামীক হাত বা লাঠীৰে নহ'লে কাণত ধৰি পত্নীক মাৰপিট কৰিবলৈ উপদেশ দিয়া হৈছে। পত্নীৰ ওপৰত শক্তি প্ৰয়োগ কৰাৰ লগতে ভাবুকিও দিব লাগে যাতে তেওঁ সদায়ে বাধ্য আৰু শিৰণত হৈ থাকে।

ইন্ছাফ কৰি কওঁক। যদি থানৱী চাহেবৰ এই কুফ্ৰী শিক্ষা তব্লীগ জামাআ'তৰ মাধ্যমত মুছলমান সকলৰ মাজত প্ৰচাৰ কৰা হয় তেনেহ'লে ঈমান আৰু ইছ্লামৰ পৰিণাম কি হ'ব? আশ্চৰ্যৰ বিষয় যে এনে ধৰণৰ প্ৰকাশ্য বাত্বিল আক্বীদাহৰ পিছতো তব্লীগ্ জামাআ'তে জোৰ দি থাকে যে "থানৱী চাহেবৰ শিক্ষা মুছলমান সমাজত ব্যাপকভাৱে প্ৰচাৰ কৰিবই লাগিব।" (নাউ'জুবিল্লাহ)

**ইলিয়াছ চাহেবৰ প্ৰথম পীৰ ঃ**

মৌঃ ইলিয়াছ সৰ্বপ্ৰথম মৌঃ ৰচিদ আহমদ গংগুহীৰ ওচৰত বয়াত হৈছিল। ইলিয়াছ চাহেবে তেওঁৰ পীৰ গংগুহী চাহেব সম্পৰ্কে কৈছে — "ৰচিদ আহমদ সেই যুগৰ মুজাদ্দিদ আৰু কুতুব আছিল। মুজাদ্দিদৰ বাবে জৰুৰী নহয় যে তজ্দিদৰ যাৱতীয় কাম তেওঁৰ হাতেৰেই প্ৰকাশ পাব লাগে। বৰং তেওঁৰ অনুগামী সকলৰ দ্বাৰা যিমানবোৰ কাম সম্পাদন হ'ব পৰোক্ষভাৱে এয়া সকলো কাম তেওঁৰেই।" (মল্ফুজাতে ইলিয়াছ, পৃঃ ১২৩) উল্লেখিত উদ্ধৃতিৰ পৰা প্ৰমাণ হয় যে ইলিয়াছ চাহেবৰ পীৰ গংগুহী মুজাদ্দিদ আছিল। তেওঁৰ তজ্দিদী কামৰ যি অংশ বাকী আছে সেয়া ইলিয়াছ চাহেবৰ দ্বাৰা পূৰ্ণতা লাভ কৰিব। এক কথাত ইলিয়াছ চাহেবে নিজকে মুজাদ্দিদ হোৱাৰ ভূমিকা গ্ৰহণ কৰিছে। এতিয়া চাওঁ আহক গংগুহী চাহেব কেনেকুৱা মুজাদ্দিদ আছিল আৰু তেওঁৰ সংস্কাৰমূলক কাম কি আছিল?

pdf By Syed Mostafa Sakib



ইয়াত গংগুহী চাহেবৰ কেইটামান কাম নমুনা হিচাপে উল্লেখ কৰা হৈছে —

১। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰা আজি পর্যন্ত সমস্ত উম্মতৰ ধাৰণা যে আল্লাহ তাআ'লাই হুজুৰ নবী কৰীম (স্বাঃ)ক 'ৰাস্‌মাতাল্লিল আ'লামিন' উপাধি প্ৰদান কৰিছে। সৃষ্টিজগতত ৰছূলুল্লাহ (স্বাঃ) একমাত্ৰ 'ৰাস্‌মাতাল্লিল আ'লামিন'। এই সম্পৰ্কত সমস্ত হক্কানী উ'লামাএ কিৰাম একমত। গংগুহী চাহেবে কৈছে-"ৰাস্‌মাতাল্লিল আ'লামিন হুজুৰ পাক (স্বাঃ)ৰ কাৰণে খাচ নহয়। বৰং আউলিয়া, আম্বিয়া আৰু উলামাএ ৰাব্বানীসকলো 'ৰাস্‌মাতাল্লিল আ'লামিন' হ'ব পাৰে।" (ফত্‌ৱায়ে ৰচিদীয়া, পৃঃ ৯৬) কোনো বস্তুক সঠিক স্থানত প্ৰয়োগ নকৰাটো অন্যায়। কুৰ্‌আন মযীদত 'ৰাস্‌মাতাল্লিল আ'লামিন' এই বিশেষ উপাধিটি হুজুৰ পাক (স্বাঃ)ৰ কাৰণে নির্দিষ্ট কৰি দিছে। কিন্তু গংগুহী চাহেবে ৰছূলুল্লাহ (স্বাঃ)ৰ নির্দিষ্ট চিফাত বা গুণক বিশ্ববাসীৰ প্ৰতি বন্টন কৰি দিছে আৰু নিজে কৰি দেখুৱাইছে। তেওঁৰ পীৰ হাজী ইমদাদুল্লাহ মুহাজীৰে মক্কীৰ ইন্তেকালৰ সময়ত তেওঁক সম্বোধন কৰিছে— 'হায় ৰাস্‌মাতাল্লিল আ'লামিন' বুলি। অনুৰূপ থানৱীৰ জীৱনীকাৰে থানৱীক 'ৰাস্‌মাতাল্লিল আ'লামিন' বুলি ঘোষণা কৰিছে। (আশ্ৰাফুচ চাৱানিহ, খণ্ড- ৩, পৃঃ ১৫৩) এয়াই দেওবন্দী ধর্ম। নাউ'জুবিল্লাহ। আনৰ গুণ নিজে লৈ গৌৰৱান্বিত হোৱাই এই দলৰ লক্ষণ। (তৌবা-তৌবা)

২। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰা আজি পর্যন্ত সমস্ত মুছলমানৰ ধাৰণা যে হুজুৰ চৰকাৰে দো আ'লম (স্বাঃ) শেষ পয়গাম্বৰ (Prophet)। একমাত্ৰ তেওঁৰ ইত্তেবা কৰিলে মানুহে হিদায়াত আৰু নাজাত প্ৰাপ্ত হ'ব। দুঃখৰ বিষয় গংগুহী চাহেবে দৃঢ়তাৰ সৈতে দাবী কৰিছে যে এই যুগত একমাত্ৰ তেওঁক ইত্তেবা কৰিলে হিদায়াত আৰু নাজাত লাভ কৰিব। তেওঁ কৈছে — **"শুনি থওঁক, হক্ক এয়াই যি ৰচিদ আহমদৰ মুখেৰে বাহিৰ হৈ থাকে আৰু মই কছম খাই কৈছোঁ, মই আন একো নহয় কিন্তু বর্তমান যুগত হিদায়াত আৰু নাজাত মোৰ অনুসৰণ (ইত্তেবা)ৰ ওপৰত নির্ভৰ কৰিছে।"** (তাজ্‌কিৰাতুৰ ৰচিদ, খণ্ড ২, পৃষ্ঠা ১৭) এই ধৰণৰ দাবী একমাত্ৰ নবীয়েহে কৰিব পাৰে। চিন্তা কৰক যদি তব্‌লীগ জামাআ'তৰ মাধ্যমত গংগুহীৰ এই কামে পূর্ণতা লাভ কৰে তেনেহ'লে কাদিয়ানী ফিত্‌নাৰ নিচিনা আৰু এটি নতুন ফিত্‌না ভাৰতৰ জমিনত আত্মপ্ৰকাশ কৰিব। গংগুহী চাহেবে আৰু কৈছে- "কাউৰী খোৱা স্বাৱাবৰ কাম, অথচ মীলাদ শ্বৰীফ পাঠ কৰা গুণাহৰ





কাম", "মহৰমৰ চিন্নী নাজায়েজ অথচ হিন্দুৰ পূঁজাৰ প্ৰসাদ খোৱা জায়েজ", "কাফিৰে যদি সূদৰ টকাৰে পানী যোগান ধৰে সেই পানী খোৱা জায়েজ", "কাফিৰৰ উৎসৱবোৰ যেনেঃ ফাকুৱা, দীপাৱলীৰ প্ৰসাদ, পুৰী, কচৌৰী খোৱা জায়েজ", "আল্লাহ পাকে মিছা কোৱা সম্ভৱ।" (ফত্‌ৱায়ে ৰচিদীয়া) মৌঃ মাহমুদুল হাচান চাহেবে তেওঁৰ পীৰ ৰচিদ আহমদ গংগুহী চাহেব সম্পৰ্কে ৰচিত শোকগাঁথাত লিখিছে— "তোমাৰ মাজাৰক তুৰ পাহাৰৰ সৈতে তুলনা কৰা যায় আৰু মই হযৰত মুছা (আঃ)ৰ নিচিনা তোমাৰ সাক্ষাৎ কামনা কৰিছোঁ। চাওঁক ইয়াত মৌঃ ৰচিদ আহমদ গংগুহীৰ কবৰক তুৰ পাহাৰ বোলা হৈছে আৰু মৌঃ মাহমুদুল হাচান হৈছে হযৰত মুছা (আঃ)ৰ অভিনয়কাৰী। তেতিয়াহ'লে নিশ্চয় ৰচিদ আহমদ গংগুহীক খোদা হিচাপে কল্পনা কৰা হৈছে। একেই শোকগাঁথাত আৰু কৈছে—"যি মুহূর্তত প্ৰকৃতি পূঁজাৰীসকলৰ মুখত উলুহ্বল মূর্তিৰ শ্লোগান, সেই মুহূর্তত ইছলামৰ দ্বিতীয় প্ৰতিষ্ঠাতাৰ আৱিৰ্ভাৱ হ'ল।" এই পংক্তিত মৌঃ ৰচিদ আহমদ গংগুহীক ইছলামৰ দ্বিতীয় প্ৰতিষ্ঠাতা হুজুৰ পাক (স্বাঃ)ৰ নিচিনা আৰু এজন বোলা হৈছে। আৰু কৈছে— "তেওঁ (ৰচিদ আহমদ গংগুহী)ক স্বিদ্দীকে আকবৰ আৰু ফাৰুকে আ'জম (ৰাঃ) বুলি ক'লেও আশ্চর্য হোৱাৰ কোনো কাৰণ নাই।" ইয়াৰ উপৰিও দেওবন্দীসকলে থান্‌ৱীৰ নামত কলিমা আৰু দৰূদ পঢ়ি আছে "আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়িদিনা ওৱা নাবীয়িনা ওৱা মাওলানা আশ্ৰফ আ'লী...।" (আল্‌ ইম্‌দাদ, ৩৫ পৃষ্ঠা) দেওবন্দী উ'লামাসকলে মৌঃ হুছেইন আহমদ মাদানীক খোদা বুলি কৈছে। (শ্বাইখুল ইছলাম নম্বৰ, পৃষ্ঠা ৫৯) এইবাৰ কওঁক, খোদা আৰু নবীৰ আসনত কোনে কাক বহুৱাইছে আৰু মুশ্বৰিক(Polythest, Dualist)কোনসকল??

দেওবন্দীসকলৰ ভিতৰচ'ৰাত কি ঘটি থাকে সেই সম্পৰ্কে দুটা কাহিনী তেওঁলোকৰ কিতাপৰ পৰা হুবহু উদ্ধৃত কৰা হৈছে —

**ঘটনা- ১ঃ** 'তাজ্‌কিৰাতুৰ ৰচিদ', দ্বিতীয় খণ্ড, পৃঃ নং ২৮৯ত আছে — এবাৰ মৌঃ ৰচিদ আহমদ গংগুহীয়ে ক'লে— "মই সপোন দেখিছিলো যে মৌঃ কাছিম নানথৱী চাহেব যৌৱনৰ অৱস্থাত আছে আৰু তেওঁৰ লগত মোৰ বিয়া হৈছে। যেনে ধৰণে গিৰীয়েকে ঘৈণীয়েকৰ সম্পৰ্কত তৃপ্তি পায়, ঠিক সেইদৰে তেওঁ মোৰ পৰা আৰু মই তেওঁৰ পৰা তৃপ্তি পাইছিলো।" (নাউ'জুবিল্লাহ)

**ঘটনা-২ ঃ** 'হেকায়তে আউলিয়া'ৰ ভিতৰত 'আৰ্‌ৱাহে চালাচা' কিতাপৰ

pdf By Syed Mostafa Sakib



৩০৭ পৃঃত হেকায়েত নম্বৰ, ৩০৫ত আছে— এবাৰ গংগুহী চাহেবৰ খানকাহত এখন সভা আছিল। হযৰত গংগুহী আৰু হযৰত নানথৱীৰ মুৰীদ, ছাত্ৰ সকলোৱে উপস্থিত আছিল। এই দুই দেওবন্দী মযহবৰ হোতা সেই সভাত উপস্থিত আছিল। হযৰত গংগুহীয়ে হযৰত নানথৱীক মৰম আৰু অতি চেনেহৰে ক'লে — 'ইয়াত অলপ বাগৰি যোৱা', হযৰত নানথৱীয়ে অলপ লজ্জাবোধ (feeling of shame)কৰিলে, কিন্তু গংগুহীয়ে আকৌ ক'লে। তাৰ পাছত বৰ আদবৰ সৈতে নানথৱীয়ে শুই দিলে আৰু হযৰত গংগুহীয়ে সেই বিছনাতে শুই দিলে আৰু মৌলানাৰ ফালে বাগৰ লৈ নিজৰ হাত তেওঁৰ বুকুৰ ওপৰত ৰাখি দিলে, যেনে কোনো সঁচা প্ৰেমীকে নিজৰ অন্তৰক সান্ত্বনা দিয়ে। মৌলানাই বাৰে বাৰে কৈছিল- 'মিঞা কি কৰিছে?, এইসকলে কি ক'ব?' গংগুহীয়ে ক'লে —"বাইজক ক'বলৈ দে?" তাজ্‌কিৰাতুৰ ৰচিদ, দ্বিতীয় খণ্ড, পৃঃ নং ২৪২ত থকা অনুসৰি জামীন আ'লী জালালাবাদী নামৰ পীৰৰ ছাহজাহানপুৰৰ বেশ্যাক মুৰীদ কৰা কাহিনীও আছে। সেই বেশ্যাই তেওঁৰ মুখত প্ৰেচাৱ কৰিবলৈও ঘৃণা কৰিছে। ইয়াৰ উপৰিও গুৱাহাটীৰ গাড়ীগাঁওৰ জনৈক বুযুৰ্গে ল'ৰাৰ লগত অপকৰ্ম কৰাৰ বিষয়ে বাতৰি কাকত সবিস্তাৰে প্ৰকাশ পাইছিল। এই ঘটনাবোৰ অধ্যয়ন কৰিলে পাঠকে বিশ্বাস কৰিবনে ? কিন্তু এনেকুৱা ঘটনা তেওঁলোকৰ মাজত চলিয়ে থাকে। এনেধৰণৰ বহু বাস্তৱ ঘটনাৰ প্ৰমাণ আমাৰ হাতত মজুত আছে।

সন্মানীয় পাঠক সকল, আপোনালোকে নিশ্চয় গংগুহী চাহেবৰ কৰ্ম সম্পৰ্কে অৱগত হৈছে। এইবাৰ কওঁক, যদি ইলিয়াছ চাহেবে তব্লীগ জামাআ'তৰ মাধ্যমত গংগুহী চাহেবৰ অসম্পূৰ্ণ কামক সম্পূৰ্ণ কৰে তেনেহ'লে ইছলামৰ উন্নতি হ'ব নে অৱনতি হ'ব?

**ইলিয়াছ চাহেবৰ দ্বিতীয় পীৰ ঃ**

মৌঃ ৰচিদ আহমদ গংগুহীৰ মৃত্যুৰ পিছত মৌঃ ইলিয়াছ মৌঃ খলিল আহমদ এম্বুটয়ীৰ হাতত বয়াত গ্ৰহণ কৰিছিল। খলিল আহমদ দেওবন্দী জগতৰ এজন দেৱতা। তেওঁৰ কাৰ্যকলাপ সম্পৰ্কে মাত্ৰ এটা উদ্ধৃতি উল্লেখ কৰা হৈছে। তেওঁ হুজুৰ পাক (স্বাঃ)ৰ ইল্‌ম (জ্ঞান)তকৈ শ্বয়তানৰ ইল্‌ম বেছি বুলি কৈছে। কেৱল সেয়ে নহয় শ্বয়তানতকৈ হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মক বেছি কোৱাক শ্বিৰ্ক ধাৰণা কৰিছে। তেওঁ লিখিছে — "শ্বয়তান আৰু মালাকুল মউতৰ এই বিস্তীৰ্ণতা





অকাট্য দলিলৰ দ্বাৰা প্ৰমাণিত। হুজুৰ পাক (স্বাঃ)ৰ বিস্তীৰ্ণ ইল্‌মৰ সপক্ষে কোনো অকাট্য দলিল আছে? যাৰ দ্বাৰা সমস্ত অকাট্য দলিল বাতিল কৰিবলৈ এটি শ্বিৰ্ক প্ৰমাণ কৰা হ'ব। শ্বয়তানৰ ইল্‌ম হুজুৰ পাক (স্বাঃ)তকৈ বেছি।" (বাৰাহীনুল ক্বাতীয়া, পৃঃ ৫১) পৃথিৱীৰ প্ৰতিজন মুছলমানে ধাৰণা ৰাখে যে সকলোতকৈ ডাঙৰ আ'লীম ৰছুলে পাক (স্বাঃ)। কিন্তু মৌঃ খলিল আহমদ চাহেবৰ ধাৰণা সম্পূৰ্ণ বিপৰীত। মৌঃ ৰচিদ আহমদ গংগুহী ইয়াত একমত হৈ উক্ত 'বাৰাহীনূল ক্বাতীয়া'ৰ সমৰ্থনত উক্ত কিতাপত স্বাক্ষৰ কৰিছে। এই কিতাপতে লিখিছে —"দেওবন্দ মাদ্ৰাছাৰ পৰা হুজুৰ পাক (স্বাঃ)এ উৰ্দু শিক্ষা লাভ কৰিছে।" (মৌঃ খলিল আহমদ এম্বুটয়ীৰ বাৰাহীনূল কাত্বীয়া, পৃঃ ২৬) আল্লাহৰ ৰছুল (স্বাঃ)ৰ প্ৰতি এনেধৰণৰ জঘন্য (un acceptable) উক্তি প্ৰকাশৰ কাৰণে উ'লামাএ ইছলামে মৌঃ খলিল আহমদ আৰু মৌঃ ৰচিদ আহমদ চাহেবানক শ্বৰীঅ'তৰ বিধান অনুযায়ী কাফিৰ ফত্‌ৱা (verdict) প্ৰদান কৰিছে।

**দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌঃ কাছিম নানথৱী ঃ**

ইলিয়াছ চাহেবৰ জন্মৰ কেইবছৰ পূৰ্বে ১২৯৭ হিজ্‌ৰী, ১৮৭৯ চনত মৌঃ কাছিম নানথৱীৰ মৃত্যু হয়। তেওঁ দেওবন্দ মাদ্ৰাছা প্ৰতিষ্ঠা কৰে। ইলিয়াছ চাহেবে নানথৱী চাহেবৰ যুগ নাপালেও তেওঁৰ প্ৰতি মৌঃ ইলিয়াছৰ অগাধ ভক্তি-শ্ৰদ্ধা আছিল। তেওঁ মৌঃ ৰচিদ আহমদ গংগুহী আৰু মৌঃ খলিল আহমদ এম্বুটয়ীৰ নিচিনা কাছিম নানথৱীকো এজন বুযুৰ্গ বুলি গণ্য কৰিছিল। দেওবন্দী তব্লীগী সকলে মৌঃ কাছিম নানথৱীক এজন ফৰিশ্‌তা হিচাপে গণ্য কৰে। মৌঃ ৰফীউদ্দিন কাছিমীয়ে কৈছে—"মই হযৰত নানথৱীৰ লগত পঁচিশ বছৰ আছিলো। কেতিয়াও বিনা অজুৰে যোৱা নাই। মই তেওঁক মানৱৰ উৰ্দ্ধত দেখিছিলো। তেওঁ এজন মানুহৰ ৰূপত ফৰিশ্‌তা আছিল।" (আৰ্‌ৱাহে চালাচা, ২৪০ পৃঃ) "তেওঁ (কাছিম নানথৱী) যেন আল্লাহৰ কোলাত বহি আছে।", "তেওঁ (কাছিম নানথৱী) এজন প্ৰকৃত নবীৰ কবৰত আছে।" (মুবাচ্‌চাৰাতে দাৰুল উ'লুম দেওবন্দ, পৃঃ, ৬৩/৭০)

কাছিম নানথৱী চাহেবে এটি ইছলাম বিৰোধী অভিমত প্ৰকাশ কৰাৰ কাৰণে ইছলাম জগতত কলংকিত হৈ আছে। তেওঁ কৈছে — **"যদি মানি লোৱা যায়, হুজুৰ পাক (স্বাঃ)ৰ পাছত কোনো নবী পয়দা হয়, তেনেহ'লে হুজুৰ পাক (স্বাঃ)ৰ 'শেষ নবী' তাত কোনো পাৰ্থক্য আহি নপৰে।"** (তাহ্‌জিৰুণ নাছ, পৃঃ ২৮)

pdf By Syed Mostafa Sakib



পৱিত্ৰ কুৰ্আনত হুজুৰ পাক (স্বাঃ)ক 'খাতামান্নাবীঈন' অৰ্থাৎ- 'শেষ নবী' বুলি নিৰ্দিষ্ট কৰি দিছে। সেইদৰে হুজুৰ পাক (স্বাঃ)এ নিজেই স্বীকাৰ কৰিছে যে তেওঁ (স্বাঃ) 'শেষ নবী'। হুজুৰ পাক (স্বাঃ)ৰ পৱিত্ৰ যুগৰ পৰা সমস্ত উম্মতে মুসাম্মদী অৰ্থাৎ- বিশ্বৰ সমগ্ৰ মুছলমান ইয়াৰ ওপৰত একমত যে হুজুৰ পাক (স্বাঃ)ৰ পিছত কোনো নবী নাহে, তেওঁ (স্বাঃ) একমাত্ৰ শেষ নবী। এই ক্ষেত্ৰত যদি কোনোৱে নিজকে নবী বুলি দাবী কৰে অথবা হুজুৰ পাক (স্বাঃ)ৰ পিছত নবী আহিব পাৰে বুলি ধাৰণা কৰে, তেনেহ'লে সেইসকল নিশ্চিতভাৱে কাফিৰ (non-muslim)। এয়াই আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ। এই ক্ষেত্ৰত উল্লেখনীয় যে মিৰ্জা গোলাম আহমদ কাদিয়ানীয়ে ১৯০১ চনত নিজকে নবী বুলি ঘোষণা কৰে। এইখিনিতে মনত ৰখা উচিত যে ইয়াৰ বহু পূৰ্বে ১৮৭২ চনত মৌঃ কাছিম নানথৱীয়ে 'তাহ্‌জিৰুণ নাছ'ত লিখিছিল — "হুজুৰ পাক (স্বাঃ)ৰ পিছত কোনো নবী পয়দা হয়, তেনেহ'লে হুজুৰ পাক (স্বাঃ)ৰ 'খাতামান্নাবীঈন' (sealed prophetism)ত কোনো পাৰ্থক্য নাহিব।" (পৃঃ ২৮) ইয়াৰ পৰা বুজা যায় যে 'তাহ্‌জিৰুণ নাছ' কিতাপটি আছিল নানথৱীৰ নবী দাবী কৰাৰ পূৰ্বাভাষ অথবা মিৰ্জা গোলাম আহমদ কাদিয়ানীৰ নবী দাবী কৰাৰ প্ৰেৰণা স্বৰূপ। সেয়ে উ'লামাএ ইছলামে নানথৱীক ক্ষমা কৰা নাই। মৌঃ আশ্ৰফ আ'লী থানৱী, মৌঃ ৰচিদ আহমদ গংগুহী, মৌঃ খলিল আহমদ এম্বুটয়ীৰ নিচিনা মৌঃ কাছিম নানথৱীকো কাফিৰ বুলি ফত্‌ৱা প্ৰদান কৰে। চাওঁক 'হুচ্ছামুল হাৰ্মাঈন', 'আশ্ব্শাৱাবিমুল হিন্দীয়া', 'ছাৱানিহে আ'লা হযৰত', 'Great Victory Sunnies against Wahhabis'.

যিহেতু মৌঃ আশ্ৰফ আ'লী থানৱী, মৌঃ কাছিম নানথৱী, মৌঃ খলিল আহমদ এম্বুটয়ীৰ পৰা মৌঃ ৰচিদ আহমদ গংগুহী পৰ্যন্ত কোনোৱে কুফৰৰ কলংকৰ পৰা মুক্ত নহয়। এওঁলোক প্ৰত্যেকেই পাক-ভাৰত উপ মহাদেশত কলংকিত ব্যক্তি হিচাপে চিহ্নিত হৈ আহিছে। সেয়ে তেওঁলোকৰ নামানুসাৰে কোনো কাম কৰিলে সকলোৱে গ্ৰহণ নকৰিব। সেই বিষয়ে মৌঃ ইলিয়াছে মৰ্মে মৰ্মে উপলব্ধি (realised)কৰিছিল। সেয়ে তেওঁ উপৰোক্ত মুৰব্বী সকলৰ নাম উহ্য ৰাখি তব্‌লীগ জামাআ'তৰ মাধ্যমত কলিমা আৰু নামাজৰ কথাকৈ নিজৰ বুযুৰ্গ সকলক কলংকমুক্ত কৰিবলৈ চেষ্টা কৰিছিল। এই কাৰণে বে-নামাজী এক শ্ৰেণীৰ মানুহক যদি কোনো প্ৰকাৰে আয়ত্বত অনা যায় তেনেহ'লে তেওঁলোকে কোনোদিনে উপৰোক্ত





মুৰব্বীসকল (থানৱী, গংগুহী, নানথৱী, এম্বুটয়ী)ক কাফিৰ বুলিব সাহস নকৰিব। ইলিয়াছ চাহেবে আৰু উপলব্ধি কৰিছিল যে তব্‌লীগ জামাআ'তৰ মাধ্যমত যেনেকৈ গুৰু সকলক কলংকমুক্ত কৰা সম্ভৱ হ'ব ঠিক তেনেকৈ ওৱাহাবী মতবাদ প্ৰচাৰ কৰা সহজ হ'ব। বাস্তৱত সেয়ে হৈছে। তব্‌লীগত আক্বাঈদ সম্পৰ্কে মুঠেই আলোচনা নহয়। কেৱল আ'মলৰ ওপৰত গুৰুত্ব দিয়া হৈ থাকে। কাৰণ আক্বাঈদ সম্পৰ্কে আলোচনা কৰিলে সকলো শ্ৰেণীৰ লোক তেওঁলোকৰ লগত যোগ নিদিব। মানুহ তেওঁলোকৰ পৰা দূৰত যাব। কিন্তু আ'মলৰ কথা ক'লে এই ভয় নাথাকে। শত শত মানুহক দেখা গৈছে তেওঁলোকে তব্‌লীগ জামাআ'তত যোগ দি প্ৰাথমিক অৱস্থাত নিজ মযহব অনুযায়ী আ'মল কৰিছে। কিন্তু যেতিয়া তব্‌লীগৰ গভীৰতাত সোমাই গৈছে তেতিয়াই সকলো ত্যাগ কৰি তব্‌লীগ জামাআ'তৰ তিন তচ্বীহক সকলো কিছু মনে কৰি আ'মল কৰিব আৰম্ভ কৰে। আপুনি বাস্তৱ অভিজ্ঞতাৰ পৰা লক্ষ্য কৰিলে দেখিবলৈ পাব যিয়ে তব্‌লীগৰ মাধ্যমত প্ৰস্ৰাৱ, পায়খানা, খোৱা, শোৱা ইত্যাদি সম্পৰ্কে কিছু দুআ' শিকিছে তেওঁলোকে ডাঙৰ ডাঙৰ আ'লীম পৰ্যন্ত সমীহ নকৰে। অথচ এই দুআ' বিলাক ইছলামৰ মৌলিক বিষয় নহয় যে এইবিলাক শিক্ষা নকৰিলে বা যথা সময়ত পাঠ নকৰিলে ঈমান নষ্ট হ'ব। আক্বাঈদ বা ইছলামী বিশ্বাস বিলাক ইছলামৰ মৌলিক বিষয়। আক্বীদাহ সম্বন্ধে আলোচনা কৰিলে দেখা যায় এওঁলোক ইছলামৰ পৰা বাহিৰ হৈ গৈছে। তব্‌লীগ জামাআ'তৰ লোকসকলে আউলিয়া, আম্বিয়া সকলৰ প্ৰতি যি ভক্তি তাতোকৈ বেছি ভক্তি, শ্ৰদ্ধা মৌঃ ইলিয়াছ চাহেব আৰু উ'লামাএ দেওবন্দৰ প্ৰতি কৰে। এওঁলোকৰ সন্মুখত ইলিয়াছ চাহেব বা দেওবন্দী আ'লীমৰ বিৰুদ্ধে কোনো মন্তব্য কৰিলে লগে লগে কাজিয়া কৰিবলৈ প্ৰস্তুত হৈ যায়। কিন্তু আউলিয়া কিৰাম (ৰহঃ), আম্বিয়া (আঃ) সকলৰ বিৰুদ্ধে কথা ক'লে কোনো ধৰণৰ মন্তব্য নকৰে।

'তব্‌লীগ জামাআ'ত'ৰ মুখ্য উদ্দেশ্য দুটা। প্ৰথম হ'ল উ'লামাএ দেওবন্দক কুফ্‌ৰীৰ পৰা কলংক মুক্ত কৰা আৰু দ্বিতীয়টি হ'ল ওৱাহাবী মতবাদ প্ৰচাৰ কৰা। যেনেদৰে উ'লামাএ দেওবন্দ বদ আক্বীদাহৰ কাৰণে পাক-ভাৰত উপ মহাদেশত কলংকিত হৈছে ঠিক তেনেকৈ ওৱাহাবী সম্প্ৰদায় বদ আক্বীদাহৰ বাবে সমগ্ৰ পৃথিৱীতে কলংকিত হৈছে। এই কাৰণে নে উ'লামাএ দেওবন্দৰ নামেৰে সংগঠন কৰা সম্ভৱ হ'ব নে ওৱাহাবী সকলৰ নামেৰে সংগঠন কৰা সম্ভৱ হ'ব। সেয়ে মৌঃ

pdf By Syed Mostafa Sakib



ইলিয়াছ চাহেবে নতুন কৌশল অৱলম্বণ কৰি তব্‌লীগ জামাআ'তৰ মাধ্যমত কলিমা নামাজৰ সহায়ত এটি দল (branch, ফেৰকা) গঠন কৰিলে।

প্ৰতি বছৰ তব্‌লীগ জামাআ'তৰ শতাধিক ইজ্‌তেমা হৈ থাকে। ইয়াৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত একাধিক বিশ্ব ইজ্‌তেমা, বাকী ঠাইত প্ৰাদেশিক আৰু সমগ্ৰ ভাৰতব্যাপী ইজ্‌তেমা অনুষ্ঠিত হৈ থাকে। প্ৰতিটি ইজ্‌তেমাত লক্ষাধিক টকা খৰছ হৈ থাকে। অনুৰূপ সমগ্ৰ ভাৰত ব্যাপী তব্‌লীগ জামাআ'তৰ বেতনভুক্ত বহু হাজাৰ মুবাল্লিগ আছে। যিসকলে নিজকে তব্‌লীগৰ কামত নিজৰ জীৱন উৎসৰ্গা কৰিছে। তেওঁলোকৰ লগত বছৰি বহু কোটি টকা ব্যয় হৈ থাকে। আপুনি এই কথা ক'ব নোৱাৰিব যে মুবাল্লিগ সকলে নিজ নিজ খৰছেৰে ভ্ৰমণ কৰি থাকে। কাৰণ এজন মানুহৰ পক্ষে জীৱনত দুই চাৰি মাহ খুব বেছি এক আধা বছৰ নিজৰ পইচাৰে ভ্ৰমণ কৰা সম্ভৱ। কিন্তু সংসাৰ ত্যাগ কৰি গোটেই জীৱন উৎসৰ্গ কৰি দিয়া একেবাৰে অসম্ভৱ। ইয়াৰ উপৰিও তব্‌লীগ জামাআ'তৰ সকলোতকৈ ডাঙৰ মৰকজ দিল্লীৰ বস্তী নিজামুদ্দীনত প্ৰতিদিনে হাজাৰ হাজাৰ মানুহৰ পানাহাৰৰ সুব্যৱস্থা কৰা আছে আৰু আছে তব্‌লীগৰ মাদ্ৰাছা 'কাশিফুল উ'লুম'। উক্ত মাদ্ৰাছাৰ সমস্ত ছাত্ৰ আৰু শিক্ষক সকলৰ আহাৰৰ ব্যৱস্থা, শিক্ষক সকলৰ বেতন আৰু তব্‌লীগ জামাআ'তৰ পৰিচালক মণ্ডলীৰ পূৰ্ণ খৰছ আদি। কমপক্ষেও বছৰত কোটি কোটি টকা খৰছ হৈ আছে। লক্ষ্যণীয় যে তব্‌লীগ জামাআ'তৰ বাবে কাৰো পৰা সাহায্য গ্ৰহণ কৰা নহয়। এনেকি স্বইচ্ছাই কোনোৱে সাহায্য কৰিব বিচাৰিলেও অগ্ৰাহ্য কৰা হয়। অথচ কোটি কোটি টকা খৰছ হয়। ইয়াৰ কেইটামান জ্বলন্ত দৃষ্টান্ত উল্লেখ কৰা হ'ল—

১। কৰ্ণেল ইকবাল আহমদ চাহেবে ৰাজস্থানৰ গঙ্গানগৰৰ এটি সম্পত্তি 'দাৰুল উ'লুম দেওবন্দ', 'মাজাহিৰ উ'লুম চাহাৰাণপুৰ', 'জমিঅ'ত উলামাএ হিন্দ' আৰু দিল্লীৰ বস্তী নিজামুদ্দীনৰ মাদ্ৰাছা 'কাশিফুল উ'লুম'ৰ বাবে ৱাকফ কৰিব বিচাৰি মুন্সী বছীৰুদ্দিন চাহেবৰ ওচৰত অনুমতি বিচাৰিছিল। এই সময়ত মৌঃ ইউছুফ চাহেব আহি তেখেত অত্যন্ত অসন্তুষ্ট হ'ল আৰু স্পষ্টভাৱে ক'লে — "আমাৰ অথবা মাদ্ৰাছাৰ বাবে কোনো সম্পত্তিৰ প্ৰয়োজন নাই।"

২। মৌঃ ইউছুফ চাহেবৰ লিখিত 'হায়াতুছ চাহাবা' ছপোৱাৰ সময়ত সিদ্ধান্ত হ'ল যে হায়দৰাবাদৰ 'দাইৰাতুল মায়াৰেফ'ৰ সহায়ত ছপোৱা হ'ব। এই ক্ষেত্ৰত





প্ৰায় ৮/১০ হাজাৰ টকা সংগ্ৰহ হৈছিল। কিন্তু মৌঃ চাহেবে গম পাই সমস্ত টকা ঘূৰাই দি গোটেই খৰছ নিজেই বহন কৰিলে।

৩। এবাৰ খাদ্য সামগ্ৰী কিনি অনাৰ ফলত ২৫,০০০.০০ (পঁচিশ হাজাৰ) টকা দোকানত বাকী হৈছিল। সেয়ে মৌঃ ইলিয়াছৰ কেইজনমান বন্ধু- বান্ধৱে এই পাওনা টকা পৰিশোধ কৰি দিয়ে। মৌঃ ইলিয়াছে খং কৰি এই টকা ফিৰৎ দিবলৈ নিৰ্দেশ দিয়ে। তেওঁৰ নিৰ্দেশ মতে তেওঁলোকে পৰিশোধ কৰা টকা ঘূৰাই লয়। (চাৱানিহে মৌলানা ইউছুফ, পৃঃ ৬৬০, ৬৬১,৬৬২, ৬৬৩) তেওঁলোকৰ কিতাপৰ মতে গাইবৰ বস্তু দোকানৰ পৰা কিনি অনা হয় আৰু এইবোৰৰ ক্ৰয় মূল্যও দিব লাগে। আকৌ তেওঁলোকে অন্ধৰ দৰে কয়- 'এইবোৰ খোদাৰ দান। যিপ্ৰকাৰে হওঁক তেওঁ দি থাকে।' হায়! নাহাঁহি থকা মুশ্কিল।

উপৰোক্ত উদ্ধৃতি বিলাকৰ পৰা প্ৰমাণ হয় যে তব্‌লীগ জামাআ'তে কাৰো পৰা আৰ্থিক সাহায্য গ্ৰহণ নকৰে। এই কথা এই দলৰ প্ৰত্যেক চামচাৰ মুখৰ পৰা শুনা যায়। এইখিনিতে মনত ৰখা উচিত যে আল্লাহ পাকে পৃথিৱীখনক এনেকুৱাকৈ সৃষ্টি কৰিছে য'ত বিনা ৱাস্বীলাই কোনো কাম নহয়। আল্লাহৰ ৰছুল (স্বাঃ)এ ইছলামৰ খাতিৰত চাহাবা সকলৰ পৰা সকলো প্ৰকাৰ সাহায্য গ্ৰহণ কৰিছিল। তেওঁ (স্বাঃ)তকৈ আল্লাহৰ পছন্দনীয় আৰু কোন আছে? ইছলামত যাকাত প্ৰথাৰ কাৰণ কি? চিন্তা কৰক তব্‌লীগ জামাআ'তৰ লগত নিশ্চয় ওৱাহাবীৰাজ চৌদীৰ ৰিয়াল আৰু পাশ্চাত্য (western) দেশৰ ডলাৰ আছে। ইয়াৰ সত্যতা প্ৰমাণৰ বাবে তলৰ উদ্ধৃতি চাওঁক। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে কৈছে— **"দেশ আমাৰ হাতলৈ আহিলে আমি ইংৰাজ সকলক সুখত ৰাখিম, কাৰণ তেওঁলোকে আমাক সুখত ৰাখিছে।"** (আল্ ইফাদাতুল্ ইয়াওমিয়াহ, খণ্ড ৪, পৃষ্ঠা ৬৯৭) বৃটিছ চৰকাৰে থানৱী চাহেবক মাহে ছশ টকাকৈ দিছিল। (মুকালামাতুচ চাদ্‌ৰাইন, ৯ পৃষ্ঠা) মৌঃ ৰচিদ আহমদ গঙ্গুহীয়ে কৈছে — **"আমি প্ৰকৃততে বৃটিছ চৰকাৰৰ অনুগত, তেওঁলোক আমাৰ মালিক।"** (তাজ্‌কিৰাতুৰ ৰচিদ, খণ্ড ১, পৃষ্ঠা ৮০) মৌঃ হিফজুৰ ৰহমান চিউহাৰবী নাজিমে জমিএতুল উ'লামাএ হিন্দে কৈছে- **"প্ৰথম অৱস্থাত চৰকাৰৰ ফালৰ পৰা হাজী ৰচিদ আহমদৰ জৰিয়তে মৌঃ ইলিয়াছৰ তব্‌লীগ জামাআ'তে কিছু টকা পাইছিল।"** (মুকালামাতুচ চাদ্‌ৰাইন, পৃঃ ৮) উপৰোক্ত আ'লীম সকল নামতহে মুছলমান আছিল আচলতে তেওঁলোক বৃটিছ চৰকাৰৰ

pdf By Syed Mostafa Sakib



বেতনভুক্ত (Salaried) দালাল।

'মৌলানা ইলিয়াছ আউ্ৰ উন্‌কি দ্বীনী দাঅ'ৱাত'ত আছে- "১৪ মাৰ্চ, ১৯৩৮ত তব্‌লীগ জামাআ'তৰ মৌঃ ইলিয়াছ নিজৰ এজন সহকাৰীক লৈ নজ্‌দৰ ৰজাৰ দৰবাৰত (Disposal) উপস্থিত হ'ল আৰু তেওঁৰ সন্মুখত তব্‌লীগ জামাআ'তৰ উদ্দেশ্য আৰু কাৰ্যসূচী জনালে। যিটোৰ পৰা নজ্‌দৰ ৰজাই নিজকে আনন্দিত হোৱা প্ৰকাশ কৰিলে। শেষত এই সহকাৰীক লৈ নজ্‌দৰ শ্বাইখুল ইছলামৰ ওচৰলৈ গ'ল আৰু তেওঁৰ সন্মুখত তব্‌লীগৰ উদ্দেশ্য লিখিত ৰূপত দিলে যাৰ বিষয়ে ছৈয়্যদ আবুল হাচান আ'লী নাদৱীয়ে 'দ্বীনী দাঅ'ৱাত'ৰ পৃঃ১০৮ত উল্লেখ কৰিছে— **"এওঁলোকক ইজ্জত, সন্মান কৰিলে, প্ৰত্যেক কথা হুবহু মানি ল'লে আৰু মুখেৰে সহানুভূতি (Sympathy) দিলে, সহায় কৰিবলৈ চুক্তি (agreement)কৰিলে।"**

তব্‌লীগ জামাআ'তে লক্ষ লক্ষ বিদেশী ডলাৰ আৰু ৰিয়াল সাহায্য পাই থাকে। তাৰ প্ৰমাণ- কেন্দ্ৰীয় চৰকাৰৰ পৰা ১০৬ টা জামাআ'তক নিৰ্দেশ জাৰী কৰা হৈছে যে চৰকাৰৰ বিনা অনুমতিত এওঁলোকে কোনো ধৰণৰ বিদেশী সাহায্য গ্ৰহণ কৰিব নোৱাৰিব। এই ১০৬ টি জামাআ'তৰ ভিতৰত দুটি জামাআ'তৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ১। অল্ ইণ্ডিয়া মজ্‌লিছে মোশাওৱাত আৰু ২। তব্‌লীগ জামাআ'ত বস্তী নিজামুদ্দীন দিল্লী। (দৈনিক সঙ্গম পত্ৰিকা, পাটনাৰ পৰা প্ৰকাশিত, ২২ ফেব্ৰুৱাৰী, ১৯৭৭ চন, অভিশপ্ত মযহব, পৃঃ ৩১০) পি.টি.আইঃ 'ভাৰতৰ বিদেশ দপ্তৰৰ মন্ত্ৰী যোগেন্দ্ৰ মাকোৱানাই ১৯৭৬ চনৰ বিদেশী অৰ্থ সাহায্য সংক্ৰান্ত আইনৰ আওতাত ১৪১ টি সংস্থাৰ নাম জনায়। এতিয়াৰ পৰা এই সংস্থাবিলাকে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি অবিহনে কোনো প্ৰকাৰৰ বিদেশী সাহায্য গ্ৰহণ কৰিব নোৱাৰিব। উল্লেখ্য সংস্থাবিলাক হ'ল ক্ৰমে— ১। জামাআ'তে ইছলামী, ২। আৰ. এচ. এচ, ৩। তব্‌লীগ জামাআ'ত, ৪। চি.পি.এম, ৫। চি.পি.আই ইত্যাদি। (যুগান্তৰ, ২০ ডিচেম্বৰ, ১৯৮০ চন সংগৃহীত, অভিশপ্ত মযহব, পৃঃ ৩১১)

তব্‌লীগ জামাআ'তৰ অধিকাংশ মানুহে এই বুলি কৈ থাকে যে তব্‌লীগৰ মেহনত (effort) ইউৰোপ, আমেৰিকা তথা পৃথিৱীৰ কোণাই কোণাই পৌছি গৈছে। এই সম্পৰ্কত ইতিমধ্যে আমালৈ ভালেমান ফ'ন আহিছে। অশ্ৰাব্য গালি গালাজৰ সৈতে এজনে মোক কৈছে- 'কুৰ্‌আন চলিব কাইৰোৰ পৰা আৰু ফত্‌ৱা চলিব দেওবন্দৰ পৰা।' এয়া গোকাট মিছা কথা। যদি আপুনি ভাৰত আৰু পাকিস্তানৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ ফালে লক্ষ্য কৰিব দেখিব তেওঁলোক তব্‌লীগ জামাআ'তৰ ডাঙৰ ডাঙৰ মুবাল্লিগ হৈছে। এওঁলোকৰ উদ্দেশ্য এটি যে দ্বীনৰ নামত তব্‌লীগ কৰাৰ মাধ্যমত বিদেশত ব্যৱসায় বাণিজ্যৰ সন্ধান কৰা। যদি এই উদ্দেশ্য নহ'লহেঁতেন তেনেহ'লে কাদিয়ানী সম্প্ৰদায়ৰ সাহায্য কৰাটো উচিত আছিল। কাৰণ তব্‌লীগ জামাআ'ত যি সমস্ত দেশত যোৱাৰ চেষ্টা কৰিছে কাদিয়ানী সম্প্ৰদায় বহু পূৰ্বেই সেই সমস্ত দেশত গৈ তব্‌লীগৰ মৰ্কজ খুলি কাম কৰিছে। এই সম্পৰ্কত দেওবন্দী মৌঃ এজনে এইদৰে অভিমত ব্যক্ত কৰিছে। 'ছিদ্‌কে জাদীদ' পত্ৰিকাৰ সম্পাদক মৌঃ আব্দুল মজিদ দৰিয়াবাদীয়ে কাদিয়ানী সম্প্ৰদায়ৰ সমালোচনা কৰি লিখিছে-"কাদিয়ানী সম্প্ৰদায়ৰ মিছ্বন ইউৰোপ, আমেৰীকা, পশ্চিম আফ্ৰিকা, মৰিচাচ, ইন্দোনেছিয়া, নাইজেৰিয়া, হিন্দুস্থান আৰু পাকিস্তানৰ বিভিন্ন স্থানত আল্লাহ পাকে জানে ক'ত কায়িম হৈছে।" (ছিদ্‌কে জাদীদ, ৭ জুন, ১৯৫৭ চন, তব্‌লীগী জামাআ'ত, পৃঃ১২১) নিশ্চয় আপুনি অস্বীকাৰ কৰিব নোৱাৰিব যে কাদিয়ানী সম্প্ৰদায়ে পৃথিৱীৰ বিভিন্ন দেশত তব্‌লীগ কৰি আছে। সেয়া ইতিমধ্যে এজন দেওবন্দীৰ কলমৰ পৰা প্ৰমাণিত হৈছে। এইবাৰ কাদিয়ানীৰ কলমৰ পৰা চাওঁ আহক-"এজন ইংৰাজ লেফ্‌টেনেন্টে নিজৰ জীৱন উৎসৰ্গা (dedicated) কৰিছে বৰ্তমান তেওঁ মুবাল্লিগ হৈ ইংলেণ্ডত কাম কৰি আছে। তেওঁ নিয়মিত নামাজ পঢ়ে। নিজৰ পৰিশ্ৰমৰ পইচাৰ দ্বাৰা বিজ্ঞাপন ইত্যাদি প্ৰচাৰ কৰিছে অথবা জলছাহ কৰিছে।" (পায়্‌গামে আসমদীয়াত, পৃঃ ৩০, তব্‌লীগী জামাআ'ত, পৃঃ ১২২) বিদেশত মেহনত কৰিবৰ বাবে যদি তব্‌লীগ জামাআ'তক সাহায্য কৰিব লাগে তেনেহ'লে আপোনাৰ সাহায্য পোৱাৰ বাবে কাদিয়ানী সকল বেছি হক্দাৰ। কাৰণ তব্‌লীগ জামাআ'ত য'ত যোৱাৰ চেষ্টা কৰিছে কাদিয়ানী জামাআ'তে অনেক পূৰ্বেই তাত তব্‌লীগ আৰম্ভ কৰিছে।

'তব্‌লীগ জামাআ'ত'ৰ মুবাল্লিগ বা আমিৰসকলে কুৰ্‌আন পাক- হাদীচ শ্বৰীফ অথবা অন্য কোনো গ্ৰন্থ চৰ্চা (Study) নকৰে। সকলোতে মাথোন জাকাৰিয়া চাহেবৰ 'তব্‌লীগী নিছাব'ৰ চৰ্চা। ইয়াৰ কাৰণ এয়ে যে তেওঁলোকে ভাবে কুৰ্‌আন- হাদীচ আৰু দুনীয়াৰ সমস্ত গ্ৰন্থতকৈ ডাঙৰ আৰু নিৰ্ভুল কিতাপ জাকাৰিয়া চাহেবৰ 'তব্‌লীগী নিছাব'। জাকাৰিয়া চাহেবৰ এজন ছাত্ৰ (তাবিছ মাহ্‌দী)ৰ বক্তব্যৰ পৰা

pdf By Syed Mostafa Sakib



ই প্ৰমাণিত হয়। তাবিছ মাহ্দী চাহেবে মৌঃ জাকাৰিয়া আৰু তেওঁৰ 'তব্লীগী নিছাব' সম্পৰ্কে সমালোচনা কৰি লিখিছে— "আপুনি তব্লীগ জামাআ'তৰ অন্তৰ্গত দেশৰ যিকোনো মছজিদলৈ যাওঁক। প্ৰতিটো মছজিদত ৰাতিপুৱা, সন্ধিয়া মানুহক 'তব্লীগী নিছাব' পাঠ কৰা দেখিব। এনেকি 'দাৰুল উ'লুম, দেওবন্দ'ৰ দৰে বৃহত্তম ইউনিভাৰচিটিৰ মছজিদতো সমস্ত নামাজৰ পিছত 'তব্লীগী নিছাব' পাঠ কৰা হৈ থাকে। তাত মূল কুৰ্আন-হাদীচৰ শিক্ষাৰ লেখমাত্ৰও দেখিবলৈ পোৱা নাযায়। যদি কোনো হতভাগাই পোনপটীয়াভাৱে কুৰ্আন-হাদীচৰ শিক্ষাৰ কথা কয় তেনেহ'লে লগে লগে তেওঁক গোমৰাহ (misleared) আৰু নাস্তিক (ethest) বুলি ধাৰণা কৰে। এবাৰ মই মুহ্তৰম শ্বাইখুল হাদীচৰ জীৱনকালত 'ইজ্‌তেমা' নামৰ পত্ৰিকাত 'তব্লীগী নিছাব' সম্পৰ্কত এটি প্ৰবন্ধ লিখিছিলো। তাত আমি ভীষণ দুখ প্ৰকাশ কৰি 'তব্লীগী নিছাব'ৰ কিছু দোষ-ত্ৰুটি দেখুৱাই কৈছিলো যে তব্লীগ জামাআ'তৰ মানুহে এই কিতাপক বাস্তৱত কুৰ্আন-হাদীচতকৈ অধিক গুৰুত্ব দি থাকে। আমাৰ এই প্ৰবন্ধ পঢ়ি মহাৰাষ্ট্ৰৰ নান্ডিৰ জিলাৰ এজন তব্লীগী ভায়ে ৰাগান্বিত হৈ লিখিছে—"মিষ্টাৰ তাবিছ, আল্লাহে আপোনাক হিদায়ত কৰক। 'ইজ্‌তেমা' পত্ৰিকাত আপোনাৰ লেখা পঢ়িছো। আপুনি তাত লিখিছে তব্লীগী জামাআ'তৰ মানুহে 'তব্লীগী নিছাব'ক কুৰ্আন-হাদীচতকৈ অধিক গুৰুত্ব দি থাকে। যদি 'তব্লীগী নিছাব'ক গুৰুত্ব দি থাকে দোষ ক'ত? কুৰ্আন, কেৱল কুৰ্আন। ইয়াৰ পৰা একপ্ৰকাৰ কথা জনা যাব। কিন্তু 'তব্লীগী নিছাব'ত কুৰ্আনো আছে, হাদীচো আছে আৰু বুযুৰ্গ সকলৰ কথাও আছে। যাৰ পৰা একেলগে তিনি প্ৰকাৰৰ জ্ঞান (Knowledge) পোৱা যায়।" কুৰ্আন বুলি কওঁতেই ইয়াৰ লগে লগে আহে তফ্ছীৰ, হাদীচ, ফিক্বাহ ইত্যাদি। কুৰ্আন হৈছে— "The Complete Code of Human Life."

সম্ভৱত তব্লীগী জামাআ'তৰ মাজত এই ধাৰণা ব্যাপক হৈ গৈছে। যাৰ কাৰণে দেখা গৈছে যে যি স্থানত আৰু যি সমস্ত মছজিদত কুৰ্আনৰ তফ্ছীৰ আৰু হাদীচ শ্বৰীফৰ চৰ্চা (Study) চলি আছিল কিন্তু এই সকলোবোৰ মূল অনুষ্ঠান বাত্বিল কৰি একমাত্ৰ 'তব্লীগী নিছাব' পঢ়া আৰম্ভ হয়। জামাআ'তৰ ভাষাক ইয়াক তা'লীম বোলা হয়। 'তব্লীগী নিছাব'ক এনেকুৱা ইজ্জত আৰু সন্মান (with great respect)ৰ সৈতে ৰখা হয় যেনেধৰণে মুছলমানসকলে আদব আৰু সন্মানৰ





সৈতে কুৰ্আন পাকক ৰাখে। ভাল ৰেচমৰ জুজুদানত ভৰাই ৰেহেলৰ ওপৰত ৰাখি পঢ়াৰ ব্যৱস্থা কৰা, পঢ়াৰ পূৰ্বে আৰু পিছত চুম্বন দি চকুত বুলাই দিয়া আৰু ৰখাৰ সময়ত সাৱধান হোৱা যাতে 'তব্লীগী নিছাব'ৰ ওপৰত কিতাপ ৰখা নহয় এনেকি কুৰ্আন কৰীম পৰ্যন্ত। (তব্লীগী নিছাব এক মতা'লা, পৃঃ ১৫, ১৬)

কলিমা আৰু নামাজৰ অন্তৰালত তব্লীগ জামাআ'ত এটা বিতৰ্কিত দল। এই সম্পৰ্কত তেওঁলোকৰ আ'লীম সকলৰ অভিমত উল্লেখ কৰা হৈছে। কাৰণ অনেকৰ ধাৰণা হ'ব পাৰে যে লেখক তব্লীগ জামাআ'তৰ শত্ৰু। এইখিনিতে তব্লীগ জামাআ'তৰ আৰু এজন শীৰ্ষস্থানীয় আ'লীমৰ অভিমত হুবহু উদ্ধৃত কৰা হৈছে। মৌঃ শ্বাহ আব্দুৰ ৰহিম চাহেব মৌঃ ইলিয়াছৰ অত্যন্ত ঘনিষ্ঠ বন্ধু। এখেত ইলিয়াছ চাহেবৰ সৈতে সমগ্ৰ জীৱন তব্লীগৰ কাম কৰিছে। ইলিয়াছ চাহেবৰ মৃত্যুৰ পিছত মৌঃ ইউছুফৰ লগত বহুদিন পৰ্যন্ত তব্লীগৰ কাম কৰিছে। পিছত তেওঁ তব্লীগৰ তিব্ৰ বিৰোধিতা (oppose) কৰে। এনেকুৱা আৰু অনেক আ'লীম আছে যিসকলে তব্লীগৰ তিব্ৰ বিৰোধিতা কৰিছে। কলেবৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত আটাইবোৰ প্ৰকাশ কৰা সম্ভৱ নহয়।

'তাওৱালী নগৰ' নামৰ স্থানত তব্লীগী জামাআ'তৰ ইজ্‌তেমা হৈছিল। উক্ত ইজ্‌তেমাত তব্লীগৰ ডাঙৰ ডাঙৰ আ'লীম আৰু দেওবন্দ মাদ্ৰাছাৰ বহু ছাত্ৰ উপস্থিত আছিল। উক্ত ইজ্‌তেমাত মৌঃ আব্দুৰ ৰহিম চাহেবে যি বক্তৃতা প্ৰদান কৰিছিল তাৰ কিছু অংশ উদ্ধৃত কৰা হৈছে। আব্দুৰ ৰহিম চাহেবে মৌঃ ইউছুফক জামাআ'তৰ ভিতৰৰ বহু বেয়া অৱস্থা সম্পৰ্কে অৱগত কৰিছিল কিন্তু সেইবিলাক মৌঃ ইউছুফে কৰ্ণপাত কৰা নাছিল। সেয়ে তাওৱালী নগৰৰ ইজ্‌তেমাত আব্দুৰ ৰহিম চাহেবে কৈছে— "প্ৰায় পাঁচ ছয় বছৰ ধাৰাবাহিক মৰহুম মৌঃ ইউছুফক এই সম্পৰ্কে অৱগত কৰা হৈছিল। মই এই কথাও কৈছিলো যে যদি আপুনি এই সম্পৰ্কত সজাগ নহয় তেনেহ'লে উ'লামাসকল খুব বেছি দিন নীৰৱ হৈ নাথাকিব। প্ৰয়োজনবোধে তেওঁলোকে ক'বলৈ বাধ্য হ'ব। শেষত কি হ'ব সেয়া কোৱা মুশ্বকিল।" "পৰিশেষত যেতিয়া মই কোনো ভাল ফলাফল নেদেখিলো, তেতিয়া মই ইস্তেখাৰাহ কৰিলো আৰু খুউব দুআ' কৰিলো। আলসামদুলিল্লাহ! যেতিয়া মোৰ অন্তৰ খুলি গ'ল তেতিয়াই মই তব্লীগ জামাআ'তৰ উপস্থিতিত এওঁলোকৰ সমস্ত দুৰ্বলতা সম্পৰ্কে সমালোচনা কৰিবলৈ আৰম্ভ কৰিলোঁ। যিবিলাক মুছলমানৰ

pdf By Syed Mostafa Sakib



বাবে অত্যন্ত ক্ষতিৰ কাৰণ।" (উছুলে দাঅ'ৱাতে তব্লীগ, পৃঃ ৪৬) প্ৰিয় পাঠক, চাওঁক মৌঃ আব্দুৰ ৰহিম কোনো বেৰেলৱী, ছুন্নী (traditionalist) আ'লীম নহয়, বৰং তেওঁ প্ৰথমৰ পৰাই তব্লীগৰ কাম কৰি আহিছিল।

মৌঃ আব্দুৰ ৰহিম চাহেবে আৰু কৈছে— **"য'ত তব্লীগৰ প্ৰভাৱ পৰিছে তাত সোনকালেই ইমাম আৰু উ'লামাসকলক বিৰুদ্ধে বুলি পৃথক কৰি দিয়া হয় তেওঁ উপযুক্ত হওঁক বা নহওঁক।"** (উছুলে দাঅ'ৱাতে তব্লীগ, পৃঃ ৪৮) লক্ষ্য কৰক এই জামাআ'তৰ দুৰ্ব্যৱহাৰ। যদি নিজৰ জামাআ'তৰ আ'লীম সকলৰ লগত এনেকুৱা ব্যৱহাৰ কৰা হয় তেনেহ'লে বিৰোধী আ'লীম সকলৰ লগত কি ব্যৱহাৰ কৰা হ'ব? অথচ ইলিয়াছ চাহেবে কৈছে — **"যি সমস্ত আ'লীমে তব্লীগৰ বিৰোধিতা কৰিব তেওঁলোকৰ লগত ভাল ধাৰণা ৰাখি বৰ্কত হাস্বিলৰ বাবে তেখেতৰ খিদ্মতত উপস্থিত হ'বা।"** (মলফুজাতে ইলিয়াছ, পৃঃ ৮৮) বৰ্তমান যদি তব্লীগ জামাআতৰ লোকসকলে ইলিয়াছ চাহেবৰ এই কথাবিলাকৰ ওপৰত আ'মল কৰিলেহেঁতেন...? তব্লীগ জামাআ'তৰ মানুহৰ উগ্ৰতা সম্পৰ্কে আমাৰ এক বাস্তৱ অভিজ্ঞতাৰ কথা ক'ব বিচাৰিছো। যোৱা ৩ জুন, ২০১২ তাৰিখে বৰপেটা জিলাৰ ভাতকুছি গাঁৱত আহ্লে ছুন্নত ৱাল জামাআ'ত আৰু দেওবন্দী সকলৰ মাজত এখনি মুনাজাৰা সভা হৈ যায় (উক্ত সভাত এই লেখক স্বয়ং উপস্থিত আছিল)। ইয়াৰ বিষয়বস্তু আছিল ভাতকুছি গাঁৱৰ পীৰ হযৰত আব্দুৰ ৰহিম চাহেবে ২০১০ চনতে প্ৰতিষ্ঠা কৰা 'হযৰত খাজা মঈনুদ্দিন চিস্তী (ৰহঃ) দাৰুল উ'লুম' মাদ্ৰাছাখন সম্পৰ্কে। উক্ত মাদ্ৰাছাখনক দেওবন্দীসকলে কাদিয়ানী মাদ্ৰাছা বুলি আখ্যায়িত কৰাৰ লগতে আব্দুৰ ৰহিম চাহেবকো বিভিন্ন অপবাদ দি আহিছিল। এই বিষয়ে আলোচনা কৰিবলৈ দুয়োটা পক্ষৰ উ'লামা সকলক আমন্ত্ৰণ জনোৱা হৈছিল যদিও দেওবন্দী তব্লীগী পন্থী সকলে নিজৰ জোলোঙাৰ মেকুৰী ওলোৱাৰ ভয়ত উক্ত সভাখন বন্ধ কৰিবলৈ চেষ্টা চলালে। ফলত সভাখন আৰম্ভ নোহোৱাকৈয়ে সভাপতিজনে উদ্দেশ্য প্ৰণোদিতভাৱে সভা ভঙ্গৰ ঘোষণা কৰে। দেওবন্দী তব্লীগী সমৰ্থকসকলে আহ্লে ছুন্নতৰ ওপৰত তিব্ৰ আক্ৰমণ কৰে। ভালেকেইজন ছুন্নী লোক আহত হয়। ইয়াৰ উপৰিও 'নিয়মীয়া বাৰ্তা', 'দৈনিক অগ্ৰদূত' কাকতত আমি তব্লীগ জামাআ'ত সম্পৰ্কত লিখা বাবে আমাক ফ'নত নানান অশ্লীল ভাষাৰে ভাবুকি প্ৰদান কৰা হৈছে। তাৰ ভিতৰত কেইটামান নং



তব্লীগ জামাআ'ত

হ'ল-৭৩৯৯২৫৬৭০০, ৮৮১২০১৩৯০৮ ৯৪৩৫৬৮৬৫২০, ৯৮৫৯৫৭৪৬৫৬, ৯৮৫৯৫৬৩০৮৬ — মফিদুল হক, খাৰুপেটীয়া (দৰং)।

মৌঃ আব্দুৰ ৰহিম চাহেবে আৰু কৈছে-"মই খোদাৰ কচম খাই কৈছো, তব্লীগ জামাআ'ত সম্পৰ্কে যি কিছু কৈছো এয়া অত্যন্ত অনিচ্ছাত কোৱা হৈছে। কেৱল ইছলামৰ খাতিৰত বাধ্য হৈ কোৱা হৈছে। কাৰণ জাহিল (অজ্ঞ) মুবাল্লিগে যেতিয়া বক্তৃতা দিয়াৰ ইছলামী অধিকাৰ নাই তথাপি বক্তৃতা আৰম্ভ কৰি থাকে।" (উছুলে দাঅ'ৱাতে তব্লীগ, পৃঃ ৫২) তব্লীগী জামাআ'তৰ এই আচৰণক অনেকেই ভাল পাব পাৰে। কিন্তু হুজুৰ পাক (স্বাঃ)এ ক্বিয়ামতৰ নিদেৰ্শনাৱলীৰ ভিতৰত কৈছে— **"যেতিয়া ইছলমাৰ কাম অনুপযুক্ত মানুহৰ হাতত অৰ্পণ কৰা হ'ব তেতিয়া তোমালোকে ক্বিয়ামতৰ কাৰণে অপেক্ষা কৰিবা।"** (মিশ্বকাত শ্বৰীফ) মৌঃ আব্দুৰ ৰহিম চাহেবে আৰু কৈছে—"এই সম্পৰ্কত মই আৰু ক'ম যে বহু আ'লীমে তব্লীগৰ ফাজাঈ'ল সম্পৰ্কে কিতাপ লিখিছে আৰু সেইবিলাক শুনাই থাকে, ইয়াত বৰ ধোকা আছে। সাধাৰণ মানুহে ভাবিছে যে এই ফজীলত বিলাক একমাত্ৰ তব্লীগৰ বাবে অথচ লেখকৰ পাৰ্থক্য কৰি দিয়াৰ একান্ত প্ৰয়োজন আছিল। যদি এওঁলোকৰ ধাৰণাত তব্লীগ সকলোতকৈ শ্ৰেষ্ঠ আৰু ছুন্নত হয় তেনেহ'লে ক্বুৰ্আন আৰু হাদীচৰ দ্বাৰা প্ৰমাণ কৰক। যেতিয়া এয়া ছুন্নত বুলি প্ৰমাণ হ'ব তেতিয়া এয়াও কওঁক যে প্ৰথমৰ পৰা আজি পৰ্যন্ত এই ছুন্নতটি ত্যাগ কৰা হৈছে। তেনেহ'লে সমস্ত আ'লীম, ৱলী আৰু মুজ্তাহিদ সকল ছুন্নত ত্যাগকাৰী নহ'বনে? আশ্চৰ্যৰ কাৰণ যে কেতিয়াবা তব্লীগী জামাআ'তক ৰছুলুল্লাহ (স্বাঃ)ৰ ছুন্নত বোলা হৈছে আকৌ কেতিয়াবা মৌঃ ইলিয়াছ নাওৱাৰাল্লাহুক প্ৰতিষ্ঠাতা বোলা হৈছে।" (উছুলে দাঅ'ৱাতে তব্লীগ, পৃঃ ৫০) প্ৰিয় পাঠক দেওবন্দী মৌলানা আব্দুৰ ৰহিম চাহেবে সুন্দৰ প্ৰশ্ন কৰিছে। যেতিয়ালৈ এই প্ৰশ্নৰ সঠিক উত্তৰ নিদিব তেতিয়া পৰ্যন্ত তব্লীগ জামা'তৰ মানুহক আগবাঢ়িব দিয়া উচিত নহয়। তেওঁলোকে কিয় কৈ থাকে এয়া নবী আৰু চাহাবা সকলৰ ছুন্নত। আকৌ দাবী কৰে ইয়াৰ প্ৰতিষ্ঠাতা মৌলৱী ইলিয়াছ। যদি প্ৰকৃততে এয়া নবী আৰু চাহাবা সকলৰ ছুন্নত হয় তেনেহ'লে ইছলামৰ নিৰ্ভৰযোগ্য কিতাপৰ পৰা প্ৰমাণ কৰিব লাগিব যে আম্বিয়া (আঃ), চাহাবা কিৰাম (ৰাঃ) সকলে মুছলমানক কলিমা আৰু নামাজৰ শিক্ষা দিয়াৰ বাবে এনেধৰণৰ জামাআ'ত তৈয়াৰ কৰি ছিল্লা মাৰি ঘূৰি ফুৰিছিল। যদি

pdf By Syed Mostafa Sakib



প্ৰকৃততে এয়া ছুন্নত হয় তেনেহ'লে চাহাবা সকলৰ পবিত্ৰ যুগৰ পৰা আজি পৰ্যন্ত উম্মতৰ সমস্ত ইমাম, ফকীহ, মুহাদ্দিচ, মুফাচ্চিৰ ছুন্নত ত্যাগকাৰী হিচাপে গণ্য হ'ব। প্ৰচলিত তব্লীগ যদি নবী, চাহাবা সকলৰ ছুন্নত হয় তেনেহ'লে ইলিয়াছ চাহেবক ইয়াৰ প্ৰতিষ্ঠাতা বোলা ভুল হ'ব আৰু যদি ইলিয়াছ চাহেব প্ৰতিষ্ঠাতা হয় তেনেহ'লে নবী আৰু চাহাবাৰ ছুন্নত বুলি দাবী কৰাটো ভুল হ'ব। তব্লীগী জামাআ'তৰ উচিত যে এই প্ৰাথমিক প্ৰশ্নবিলাকৰ সঠিক উত্তৰ দি সাধাৰণ মানুহৰ সন্দেহক দূৰ কৰা। অন্যথায় মিথ্যা দাবীৰ ভিত্তিত সাধাৰণ মুছলমানক ধোকা দিয়াৰ পৰা বিৰত থাকা। উপৰোক্ত আলোচনাৰ পৰা বুজা গ'ল যে সংস্কাৰবাদী সকলে যিবোৰ কথা বা বিষয়ক নাকচ কৰে সেই সম্পৰ্কে সাধাৰণ ৰাইজৰ বৃহৎ অংশই একো নাজানিয়ে তেওঁলোকক অনুসৰণ কৰি আছে। অৱশ্যে ইয়াৰ বাবে অনুসৰণকাৰীসকল দায়ী নহয়।

*(যোৱা ৩, ১০, ১৭ আৰু ২৪ মে', ২০১৩ তাৰিখৰ 'দৈনিক অগ্ৰদূত'ৰ জীৱন জিজ্ঞাসা শিতানত প্ৰকাশিত)*

**সহায়ক গ্ৰন্থ ঃ**

১। মৌঃ ছৈয়্যদ আবুল হাচান আ'লী নাদৱীৰ 'মাকাতীবে ইলিয়াছ', 'মৌঃ ইলিয়াছ আউৰ উনকী দ্বীনী দাঅ'ৱাত'।
২। মৌঃ মুহাম্মদ মঞ্জুৰ নোঅ'মানীৰ 'মল্‌ফুজাতে মৌঃ ইলিয়াছ'।
৩। হযৰত আ'ল্লামা আৰ্শ্বদুল ক্বাদ্‌ৰী (ৰহঃ) চাহেবৰ 'তব্লীগী জামাআ'ত', 'জাল্‌জালা'।
৪। হযৰত আ'ল্লামা মুফ্‌তী আলহাজ শ্বাহীদ আ'লী নূৰী ৰিজৱী জামালী ক্বাদ্‌ৰী চাহেবৰ 'তব্লীগ জামাআ'ত কা আছ্‌লী মকছুদ ওৱাহাবী মযহব কী ইশ্বাআ'ত'।
৫। 'উছুলে দাঅ'ৱাতে তব্লীগ', 'আল্ ইফাদাতুল ইয়াওমিয়াহ', 'তাজ্‌কিৰাতুৰ ৰচিদ', 'ছৱানিহে কাছ্‌মী', 'আৰ্ৱাহে চালাচা', 'আশ্ৰাফুচ চাৱানিহ'।
৬। 'Advice For The Muslim' by- H.H Isik, Isik Kitabevi (Turkey).


বিঃদ্ৰঃ এই কিতাপখনিত উল্লেখ কৰা 'মুহাম্মদ', 'ফৰিশ্বতা', 'ক্বুৰআন', 'দুআ', 'হযৰত' আদি শব্দবোৰ প্ৰকৃত আৰবী উচ্চাৰণ ভঙ্গীত লিখিবলৈ প্ৰয়াস কৰা হৈছে। (স্বাঃ)ৰ ঠাইত স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, (ৰাঃ)ৰ ঠাইত ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহু, (ৰহঃ)ৰ ঠাইত ৰাহ্‌মাতুল্লাহি আ'লাইহ পঢ়িবৰ বাবে অনুৰোধ থাকিল।

— *লেখক।*





**মৌঃ মঃ মঞ্জুৰ নোঅ'মানীৰ 'মলফুজাত মৌলানা ইলিয়াছ' কিতাপৰ বেটুপাতৰ নকল**



pdf By Syed Mostafa Sakib



# ইছলাম ধৰ্মত তব্লীগ আৰু কিছু অনুভৱ

প্ৰথমতে 'তব্লীগ জামাআ'ত'ৰ সংজ্ঞা সম্পৰ্কে জানো আহক। আজিকালি চহৰ আৰু গাঁৱৰ প্ৰায় কিছু মছজিদত নামাজৰ অন্তত ইমামৰ ছালাম ফিৰোৱাৰ পিছতেএজনে থিয় হৈ কয়— "**আপোনালোকে নামাজৰ পিছত অলপ বহিব, আমি আল্লাহ আৰু ৰছুল স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ কথা ক'ম।**" নামাজৰ পিছত তেওঁলোকৰ ভিতৰৰে এজনে 'তব্লীগী নিছাব' নামৰ কিতাপ এখন পাঠ কৰে আৰু তাৰ পাছত কেইজনমান লগলাগি গাঁৱে-ভূঞে তব্লীগ কৰি ঘূৰি ফুৰে। এই দলটিৰেই নাম 'তব্লীগ জামাআ'ত'। প্ৰথমতে এওঁলোকে দাঙি ধৰা কাৰ্যসূচী এনেধৰণৰ- মুছলমানক কলিমা পঢ়ায়, জিক্ৰ কৰায়, নামাজ পঢ়িবলৈ কয় আৰু তব্লীগ কৰিবৰ বাবে বাধ্য কৰায়।

যিকোনো দলৰ উদ্দেশ্য আৰু লক্ষ্য জানিবলৈ হ'লে সেই দলৰ মুৰব্বী তথা হোতা সকলৰ মূল আদৰ্শ আৰু কাৰ্যপন্থাৰ বিষয়ে জনাৰ একান্ত প্ৰয়োজন। তব্লীগ জামাআ'তৰ জন্মদাতা মৌঃ ইলিয়াছ দেহ্লৱী। তেওঁৰ উপৰিও মৌঃ ইউচুফ, মৌঃ জাকাৰিয়া কান্দলৱী, মৌঃ মঞ্জুৰ নোঅ'মানী আদি তব্লীগ জামাআ'তৰ শীৰ্ষস্থানীয় গুৰু। মুখিয়ালৰ ভিতৰত মৌঃ ইছমাঈল দেহ্লৱী, মৌঃ আশ্ৰফ আ'লী থানৱী, মৌঃ ৰচিদ আহমদ গংগুহী, মৌঃ কাছিম নানথৱী (দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক), মৌঃ খলিল আহমদ এম্বুটয়ী। উল্লেখ্য যে এই আ'লীম সকলৰ পৰা নতুন নতুন আক্বাঈদ (মূলগত বিশ্বাস) বাহিৰ হোৱাৰ পিছত দেশ বিদেশৰ পৰা তেওঁলোকৰ ওপৰত কুফ্ৰী ফতোৱা (verdict) আহে।

দেশ বিদেশৰ পৰা ফতোৱা অহাৰ ফলত তেওঁলোকৰ অস্তিত্ব লোপ পাবলৈ ধৰে। সেই সময়ত মৌঃ ইলিয়াছে অন্য পন্থা অৱলম্বণ কৰে। তেওঁ চিন্তা কৰিলে যে তেওঁলোকৰ গুৰু সকলক বচাবলৈ আৰু ওৱাহাবী মতবাদ প্ৰচাৰ কৰিবলৈ হ'লে কলিমা নামাজৰ নাম লৈ মুছলমান সকলক দলবদ্ধ কৰাৰ বাহিৰে অন্য বিকল্প নাই। সেয়ে তেওঁ কলিমা আৰু নামাজৰ নামত দল গঠন কৰাত লাগিল।

মৌঃ ইলিয়াছ চাহেবৰ উদ্দেশ্য সঁচাকৈয়ে ইছ্লামৰ তব্লীগ কৰাটো আছিল নেকি? এই সম্পৰ্কে তেখেতৰ উদ্ধৃতিৰ পৰাই চাঁও আহক। 'দ্বীনী দাঅ'ৱাত'ৰ পৃঃ ২৩৪ত আছে- মৌঃ ইলিয়াছ চাহেবে তেওঁৰ আন্তৰিক বন্ধু জহিৰুল





হাছানক ক'লে-"**মানুহে ভাবে তব্লীগ নামাজৰ কাৰণে কিন্তু মই কছম কাবী কওঁ যে এই তব্লীগ নামাজৰ কাৰণে নহয়, বৰং ইয়াৰ দ্বাৰা এটি দল গঠন কৰাহে মূল উদ্দেশ্য।**" (কছ্ফুছ ছুভ্হাত আৰু মিজাইলে ইন্তিখাব দ্ৰঃ) ইয়াৰ পৰা বুজা গ'ল যে তব্লীগৰ উদ্দেশ্য নামাজৰ অভিযান নহয় বৰং এটা নতুন দল সৃষ্টি কৰাহে। যিটো ইছ্লামৰ পৰিপন্থী।

মৌঃ ইলিয়াছে 'মল্ফুজাতে ইলিয়াছ' গ্ৰন্থৰ পৃঃ ৫৭ত লিখিছে- "**হযৰত মৌঃ থানৱীএ বহুত ডাঙৰ কাম কৰিছে, এই কাৰণে মোৰ হেঁপাহ, শিক্ষা তেওঁৰ হওঁক আৰু তব্লীগ কৰা নিয়ম মোৰ হওঁক। এই ধৰণে তেওঁৰ শিক্ষা প্ৰচাৰ হৈ যাব।**" ইয়াত তেওঁ আল্লাহ আৰু ৰছুল (স্বাঃ)ৰ শিক্ষা বুলি নকৈ থানৱী চাহেবৰ শিক্ষাৰ কথা কৈছে। যিটো সম্পূৰ্ণ ইছলামবিৰোধী। 'মল্ফুজাতে মাওলানা ইলিয়াছ'ৰ পৃঃ- ৫১ত মৌঃ ইলিয়াছ চাহেবে কৈছে— "**এই তব্লীগৰ নিয়ম মই সপোনত পালোঁ।**" ইয়াৰ পৰা বুজা গ'ল যে প্ৰচলিত তব্লীগৰ নিয়ম কুৰ্আন হাদীচৰ নহয়, সপোনৰহে। 'নূৰুল আন্ৱাৰ'ত আছে— "**সপোনৰ কথা দলিল নহয়।**"

'মাকাতীবে ইলিয়াছ'ৰ পৃঃ ১০৭ত লিখিছে— "**আল্লাহ তাআ'লাই যদি কাৰোবাৰ পৰা কোনো কাম ল'ব নিবিচাৰে তেনেহ'লে সেই কামটো নবীসকলে যিমান চেষ্টা কৰিলেও অলপো লবাব নোৱাৰে আৰু যদি আল্লাহে কৰাব বিচাৰে তেনেহ'লে তোমাৰ নিচিনা বৃদ্ধৰ পৰা সেই কামটো কৰাই, যি কাম নবী (আঃ) সকলে কৰিব পৰা নাই।**" (নাউ'জুবিল্লাহ)

পবিত্ৰ কুৰ্আনত স্পষ্টভাৱে ঘোষণা কৰা হৈছে - "নিশ্চয় আল্লাহৰ ৰছুল (স্বাঃ)তোমালোকৰ কাৰণে শ্ৰেষ্ঠ আদৰ্শ।" (ছুৰা আহ্যাব, ৰুঃ ৩, পাঃ-২১) ইছলামৰ সকলো নীতি-নিয়ম সম্পূৰ্ণ ৰূপে প্ৰচাৰ হৈছে এতিয়া মাত্ৰ আ'মলৰহে (কাৰ্যত পৰিণত কৰা) প্ৰয়োজন। ইয়াত নতুন সংযোজন কৰা মানে নতুন ধৰ্মৰ সৃষ্টি কৰা। তব্লীগৰ মাধ্যমত মছজিদৰ ভিতৰত শোৱা, খোৱা, কাপোৰ মেলি দিয়া, দুনীয়াৰ ভাল বেয়া কথা পতা আদি নতুন সংযোজন কৰি নতুন ধৰ্ম সৃষ্টি কৰা নহ'লনে? কাৰণ মছজিদটো হৈছে সমগ্ৰ মুছলমানৰ কাৰণে ইবাদত গৃহ। যিটো ঘৰৰ তুলনা আল্লাহ পাকৰ লগত আছে। আল্লাহৰ পবিত্ৰ ঘৰক দুনীয়াৰ ঘৰৰ দৰে ব্যৱহাৰ কৰাটো উচিত হ'ব নে?

pdf By Syed Mostafa Sakib



আমাৰ এই অঞ্চলৰ কেইজনমান ল'ৰা তব্লীগত গৈছিল দুদিনমান নামাজ পঢ়িলে, দীঘল কুৰতাও পিন্ধিলে। কিন্তু এতিয়া দেখা গৈছে যে তেওঁলোকে নামাজ নপঢ়ে। তেওঁলোকক সুধিলে কয় আমি দেশ চাবলৈহে গৈছিলো। তব্লীগ জামাআ'তে সাধাৰণ শ্ৰেণীৰ বিক্সাৱালা, ঠেলাৱালা তথা অশিক্ষিত ব্যক্তিক বুজাই বুজাই জামাআ'তত নি আছে। যাৰ ফলত তেওঁলোকৰ ঘৰৰ পৰিয়াল লঘোণ পৰে আৰু গোহালিৰ গৰু পৰ্যন্ত বিক্ৰী হয়। তেওঁলোকে ক'ত পাইছে তব্লীগত যোৱাৰ কাৰণে পৰিয়ালক লঘোণ দিয়া, গোহালিৰ গৰু বিক্ৰী কৰা, মা-ভনী, জীয়ৰী আদিক অকলশৰীয়া কৰি তব্লীগ কৰা ছুন্নত বুলি? অলপতে (২০১২ চন) পাথৰিঘাট (দৰং)ৰ মৈতানাপাৰা গাঁৱত অনুষ্ঠিত হোৱা 'ছীফাতুন্নবী (স্বাঃ) জলছাহ মুবাৰক'ত নগাওঁৰ পৰা অহা তব্লীগ জামাআ'তৰ শীৰ্ষস্থানীয় আ'লীম মৌঃ হবিবুৰ ৰহমান বুলবুলিয়ে তেখেতৰ ভাষণত হুজুৰ পাক(স্বাঃ) সম্পৰ্কত অশোভনীয় মন্তব্য কৰাত উপস্থিত জনসাধাৰণে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আৰু শেষত তেওঁ নিজৰ ভুল স্বীকাৰ কৰি তৌবাহ খাই তাৰ পৰা পলায়ন কৰে।

তব্লীগ জামাআ'তৰ দ্বাৰা কলিমা, নামাজৰ কথাকৈ হাজাৰ হাজাৰ ছুন্নী মুছলমানৰ ঈমান আক্বীদাহ নষ্ট কৰা হৈছে। বহু ডাক্টৰ, মাষ্টৰ, স্কুল কলেজৰ ছাত্ৰ, সৰ্বসাধৰণ যি সকলৰ দ্বীন সম্পৰ্কে প্ৰাথমিক (primary) জ্ঞান নাই তেওঁলোক এই জামাআ'তৰ চক্ৰান্তত পৰি গোমৰাহী (পথভ্ৰষ্ট)ৰ গভীৰতাত সোমাই গৈছে। এওঁলোকৰ ধাৰণা এনেকুৱা হৈছে যে- ইছলাম মানে কেৱল নামাজ পঢ়া (অৱশ্যে আমি নামাজক অস্বীকাৰ কৰা নাই)। তেওঁলোকে জনা উচিত কুৰ্আন পাকত অকল নামাজ, ৰোজা, হজ্ব, যাকাত আদিৰে কথা নাই, ইয়াত দুনীয়া তথা আখিৰাতৰ সমগ্ৰ বিষয় তন্ন তন্ন কৈ আলোচনা কৰা হৈছে আৰু বিশ্ব জগতৰ সমগ্ৰ বিষয়ৰ ওপৰত গৱেষণা কৰিবলৈ প্ৰেৰণা দিয়া হৈছে।

গভীৰভাৱে চিন্তা কৰি চাওঁক তব্লীগ জামাআ'তৰ মাধ্যমত ইছলামৰ কোনো উপকাৰ আমি লক্ষ্য কৰা নাই। তেওঁলোকে আমাক এনেকুৱা এখন গাঁও দেখুৱাব নোৱাৰিব যে সেই গাঁৱৰ সমস্ত মানুহ তব্লীগৰ মাধ্যমত নামাজী হৈ গৈছে, সূদখোৰ, ঘোচখোৰ, মদখোৰ, চুগলীখোৰ, জেনাখোৰ নাই। গাঁৱত গান-বাজানা হোৱা নাই। মহিলাসকল পৰ্দাত থাকে। এক কথাত ইছলামবিৰোধী কোনো কৰ্ম হোৱা নাই। বৰং তব্লীগ অহাৰ পিছত বাপেক- পুতেক, ভায়েক-ককায়েকৰ





মাজত কাজিয়া। সমাজত নানা বিশৃঙ্খল হোৱা সঘনে পৰিলক্ষিত হৈছে। যিবিলাক কৰ্ম জনসাধাৰণে স্বাৱাব (পূণ্য)ৰ কাম বুলি কৰিছিল সেইবোৰ ক্ৰমাৎ বন্ধ হ'বলৈ ধৰে। যেনেঃ মীলাদুন্নবী (স্বাঃ), দুআ'-দৰুদ, কবৰ জিয়াৰত, ফাতিসাহ আদি নেক কৰ্ম সমূহক বিদ্আত তথা ইছলামবিৰোধী বুলি মানুহক কৰিব নালাগে বুলি বুজায়। এয়া সমগ্ৰ ইছলাম সমাজৰ বাবে এক বিস্তৰ ক্ষতিকাৰক আৰু দুভাৰ্গ্যজনক (Un-fortunate)। এইটোৱেই হ'লে লাহে লাহে ইছলামৰ মূল ভেঁটিয়েই থৰক বৰক হোৱাৰ সম্ভাৱনা অধিক।

*যোৱা ৩০ মাৰ্চ, ৬ আৰু ২০ এপ্ৰিল, ২০১২ ৰ 'নিয়মীয়া বাৰ্তা' কাকতৰ 'সমন্বয়' শিতানত প্ৰকাশিত।*

মৌঃ ছৈয়্যদ আবুল হাছান আ'লী নাদৱীৰ 'মাকাতী বে মৌলানা ইলিয়াছ' কিতাপৰ বেটুপাতৰ নকল



pdf By Syed Mostafa Sakib



মৌঃ ছৈয়্যাদ আবুল হাছান আ'লী নাদবীৰ 'মৌলানা ইলিয়াছ আউৰ উনকী দ্বীনী দাঅ'ৱাত' কিতাপৰ বেটুপাতৰ নকল







## 'আ'লা (اعلى) হযৰত' (ৰহঃ)ৰ অপপ্ৰচাৰ সন্দৰ্ভত...

আহ্‌লে ছুন্নত ওৱাল জামাআ'তৰ অনুগামী সন্মানিত ৰাইজ, আপোনালোকে নিশ্চয় জানে যে আজি ১০০ বছৰ ধৰি দেওবন্দী উ'লামাসকলে তেওঁলোকৰ বদ আক্বীদাহৰ বাবে কুফ্‌ৰীৰ দৰে চৰম ফতোৱাৰ দ্বাৰা কলংকিত হৈ আহিছে। বৰ্তমানলৈ ছুন্নী অনুগামী মুছলমানসকলে তেওঁলোকৰ পিছত নামাজ পঢ়াৰ পৰা বিৰত আছে। সিহঁতে নিজৰ কুফ্‌ৰী কলংক ঢাকিবলৈ যেতিয়াই কোনো ষড়যন্ত্ৰ ৰচনা কৰিছে তেতিয়াই আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ সচেতন উ'লামাসকলে এই ষড়যন্ত্ৰ ব্যৰ্থ কৰি আহিছে।

যোৱা ডিচেম্বৰ, ২০১২ তাৰিখত এ, নাদৰীৰ দ্বাৰা লিখিত এখন কিতাপ পালোঁ। কিতাপখনৰ নাম হ'ল—জীৱনজ্যোতি-১৬ নং 'বেদাতৰ ব্যাধি সংহতিৰ সমাধি'। কিতাপখনৰ বক্তব্যত কোনো সাৰ কথা নাই। পঞ্চাশ বছৰ পুৰণি দলিলবিহীন কথাৰ পুনৰাবৃত্তি মাথোন। পিছে ই যে আমাৰ ছুন্নী ভাইসকলৰ অন্তৰত আঘাত হানিছে ইয়াত সন্দেহ নাই। প্ৰতিদিনে আমালৈ ফোন আহিছে যে আমি এই অপপ্ৰচাৰৰ উত্তৰ দিব লাগে। সেয়েহে শত কৰ্ম পিছ কৰি কলম ধৰিবলৈ বাধ্য হৈছোঁ যদিও আমি এই ক্ষুদ্ৰ নিবন্ধত ইয়াৰ উত্তৰ দিয়া সম্ভৱ নহয়। এই সম্পৰ্কত অচিৰেই প্ৰকাশ পাব আমাৰ গ্ৰন্থ 'ইমাম আহমদ ৰেজা বেৰেলৱী (ৰহঃ) আৰু মৌঃ আশ্ৰফ আ'লী থানৱী'।

**'জীৱনজ্যোতি'ত আ'লা হযৰত (ৰহঃ) সম্পৰ্কত এ, নাদৰীয়ে কৈছে —**

১। "ইমাম আহমদ ৰেজাখাঁ (ৰহঃ) বৃটিছ সাম্ৰাজ্যবাদৰ দালাল। কাৰণ তেওঁ ভাৰতবৰ্ষক দাৰুল ইছলাম বুলি কয়...।"

২। "আহমদ ৰেজাখাঁ (ৰহঃ) চাহেবে কয়— আমাৰ মৃত্যুৰ পিছত উল্লেখিত খোৰা বস্তুবোৰ দিবা...।" (জীৱনজ্যোতি-১৬, পৃঃ ১২)

৩। "ৰেজ্‌ৱী সকলে ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)ক 'আ'লা হযৰত' কয় অৰ্থাৎ হুজুৰ পাক (স্বাঃ)ত কৈও ওপৰত।" (জীৱনজ্যোতি-১৬, পৃঃ ১২)

৪। "আহমদ ৰেজাখাঁৰ দৃষ্টিত সকলো মুছলমান কাফিৰ...।"

৫। "বেৰেলীয়ান সকল মুশ্‌ৰিক...।"

৬। "আ'লা হযৰতৰ জীৱন জুৰি ৰছুল (স্বাঃ)ৰ দৰ্শনৰ সৌভাগ্য নহ'ল...।"

আপুনি এইবাৰ ওপৰৰ অভিযোগ সমূহৰ উত্তৰসমূহ ধাৰাবাহিকভাৱে চাওক —

pdf By Syed Mostafa Sakib



১। উত্তৰ ঃ এয়া অপবাদ মাত্ৰ। আজি পৰ্যন্ত কোনেও, কোনো দুচমনৰ কলমেও প্ৰমাণ কৰিব পৰা নাই। 'দাৰুল হৰব'ত বা কাফিৰৰ দেশত মুছলমান সকল থকা হাৰাম। ইমাম আহমদ ৰেজা (ৰহঃ) ই ভাৰতবৰ্ষক দাৰুল ইছলাম হোৱাৰ পক্ষে যুক্তি দৰ্শাই প্ৰমাণ কৰিছে আৰু মুছলমান সকলক ভাৰতত থাকিবলৈ অধিকাৰ প্ৰদান কৰিছে। মৌঃ আশ্ৰফ আ'লী থান্‌ৱীয়ে কৈছে- "দেশ আমাৰ হাতলৈ আহিলে আমি ইংৰাজ সকলক সুখত ৰাখিম। কাৰণ তেওঁলোকে আমাক সুখত ৰাখিছে।" (আল্ ইফাদাতুল্ ইয়াওমিয়াহ্, খণ্ড- ৪ পৃষ্ঠা, ৬৯৭) বৃটিছ চৰকাৰে থান্‌ৱী চাহেবক মাহে ছশ টকাকৈ দিছিল। (মুকালামাতুচ চাদৰাইন, ৯ পৃষ্ঠা) মৌঃ ৰচিদ আহমদ গঙ্গুহীয়ে কৈছে, "আমি প্ৰকৃততে বৃটিছ চৰকাৰৰ অনুগত, তেওঁলোক আমাৰ মালিক।" (তাজ্‌কিৰাতুৰ ৰচিদ, খণ্ড- ১, পৃষ্ঠা- ৮০) এতিয়া কওঁক, বৃটিছ চৰকাৰৰ দালাল কোন আৰু কোনসকল লোক? এইখিনিতে দ্বীনদৰদী ৰাইজৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো আ'লা হযৰত শ্বাহ আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী (ৰহঃ) এজন কঠোৰ বৃটিছ বিৰোধী ব্যক্তি আছিল যি তেওঁৰ কলমৰ পৰা স্পষ্টভাৱে প্ৰমাণিত হৈছে। ইয়াৰ কেইটামান উদাহৰণ হ'ল — (ক) ইমাম আহমদ ৰেজা বেৰেলৱী (ৰহঃ)এ 'তাদ্‌বীৰে ফালাহ ৱ নাজাত ৱ ইছলাহ' নামৰ গ্ৰন্থত ইংৰাজসকলৰ আদালতত নাযাবৰ বাবে মুছলমান সকলক পৰামৰ্শ দি কৈছে — "সমস্ত বিষয় আপোচত মীমাংসা কৰি লোৱা উচিত। আদালতত উপস্থিত হ'লে অকাৰণে হাজাৰ হাজাৰ টকা খৰছ হৈ আৰ্থিক দিশ দুৰ্বল হৈ পৰিব।" তেওঁ আৰু কৈছে —"যি সম্প্ৰদায়ৰ ওচৰত বিচাৰৰ বাবে কুৰ্‌আন-হাদীচ আছে সেই সম্প্ৰদায় কোনো দিন আল্লাহ আৰু ৰছুল (স্বাঃ)ৰ দুচমনৰ দৰবাৰত উপস্থিত হোৱা উচিত নহয়।" আ'লা হযৰত (ৰহঃ) কেনেধৰণৰ বৃটিছ বিৰোধী আছিল সেই সম্পৰ্কে তেওঁৰ জীৱনীকাৰে 'হায়াতে আ'লা হযৰত' গ্ৰন্থত লিখিছে যে তেওঁ (আ'লা হযৰত) খামৰ ওপৰত টিকট উন্টা কৰি লগাইছিল। তেওঁৰ উদ্দেশ্য আছিল ৰাণী ভিক্টোৰিয়া, সপ্তম এড্‌ওৱাৰ্ড আৰু পঞ্চম জৰ্জৰ মূৰ নত কৰি দিয়া। কেৱল এয়াই নহয় বৰং পত্ৰ লিখিবৰ সময়ত পোষ্টকাৰ্ডত ওলোটাকৈ ঠিকনা লিখিছিল ইয়াৰ উদ্দেশ্য হ'ল ৰাণী আৰু ৰজাৰ মূৰ নত কৰি দিয়া। ইমাম আহমদ ৰেজা (ৰহঃ)এ খামৰ ওপৰত অযথা বেছি টিকট লগাব নিষেধ কৰিছে। ইয়াৰ উদ্দেশ্য আছিল ইংৰাজ চৰকাৰক আৰ্থিকভাৱে সহায় নকৰা। (খ) ইমাম আহমদ ৰেজা বেৰেলৱী (ৰহঃ)এ ইংৰাজ সকলৰ পোছাকক সম্পূৰ্ণ ঘৃণা কৰিছিল। তেওঁ কৈছে — "ইংৰাজ সকলৰ পোছাক পৰিধান কৰা





হাৰাম, কঠিন হাৰাম, এই পোছাক পৰিধান কৰি নামাজ পঢ়া মকৰুহ তাহ্‌ৰীমি পুনৰাই নামাজ পঢ়া ওৱাজিব।" (ফত্‌ৱা ৰিজৱীয়া, খণ্ড- ৩, পৃঃ ৪৪২) উপৰোক্ত তথ্যৰ পৰা প্ৰমাণিত হয় যে আ'লা হযৰত (ৰহঃ) দেওবন্দীসকলে কোৱাৰ দৰে বৃটিছ সাম্ৰাজ্যবাদৰ দালাল নাছিল। দেওবন্দী হোতাসকলহে ইংৰাজৰ নিমকখোৰ দালাল আছিল। এই সম্পৰ্কত আৰু দলিল আছে।

২। উত্তৰ ঃ মিছা কথা কোৱাই দেওবন্দীসকলৰ চৰিত্ৰ। ইমাম আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী (ৰহঃ) ই কয় — "এই বস্তুবিলাক ফাতিহা কৰি গৰীব মিছকিনক ভগাই দিবা।" কিন্তু থান্‌ৱী চাহেবে মৃত্যুৰ সময়ত ৱাস্বিয়ত কৰিছিল— "মোৰ মৰণৰ পিছত যদি আমাৰ মুৰীদসকলে এক টকাকৈ দিয়ে, তেতিয়া হ'লে আশা কৰিব পাৰি মোৰ স্ত্ৰীৰ কষ্ট নহয়।" (তাস্বিহাতে ৱাস্বীয়ত, ২০ পৃষ্ঠা)

৩। উত্তৰ ঃ পিছে দেওবন্দীসকলে থান্‌ৱীৰ নামত কলিমা আৰু দৰূদ পঢ়ি আছে "আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ওৱা নাবীয়িনা ওৱা মাওলানা আশ্ৰফ আ'লী..." (আল্ ইম্‌দাদ, ৩৫ পৃষ্ঠা) দেওবন্দী উ'লামাসকলে মৌঃ হুছেইন আহমদ মাদানীক খোদা বুলি কৈছে। (শ্বাইখুল ইছলাম নম্বৰ, পৃঃ ৫৯) কাছিম নানথৱী এজন ফৰিশ্বতা আছিল। (আব্‌ৱাহে চালাচা, পৃঃ ১৮৩) তেওঁ যেন আল্লাহৰ কোলাত বহি আছে। তেওঁ এজন প্ৰকৃত নবীৰ কবৰত আছে। (মুবাচ্ছাৰাতে দাৰুল উ'লুম, পৃষ্ঠা ৬৩/৭০) "ৰাস্‌মাতাল্লিল আ'লামিন হুজুৰ পাক (স্বাঃ)ৰ কাৰণে খাচ নহয়। বৰং আউলিয়া, আম্বিয়া আৰু উলামাএ ৰাব্বানীসকলো 'ৰাস্‌মাতাল্লিল আ'লামিন' হ'ব পাৰে।" (ফত্‌ৱায়ে ৰচিদীয়া, পৃঃ ৯৬) থানৱীৰ জীৱনীকাৰে থানৱীক 'ৰাস্‌মাতাল্লিল আ'লামিন' বুলি ঘোষণা কৰিছে। (আশ্ৰাফুচ চাৱানিহ, খণ্ড- ৩, পৃঃ ১৫৩) তাজ্‌কিৰাতুৰ ৰচিদ, ২য় খণ্ডৰ চাৰি ঠাইত হাজী ইমদাদুল্লাহ চাহেবক ১১ বাৰ 'আ'লা হযৰত' সম্বোধন কৰিছে। ২৩৭ পৃঃত চাৰি বাৰ, ২৩৮ পৃঃত চাৰি বাৰ, ২৩৯ পৃঃত এবাৰ আৰু ২৪১ পৃঃত দুবাৰ। গংগুহী চাহেবে 'তাজ্‌কিৰাতুৰ ৰচিদ'ৰ ১ম খণ্ড, পৃঃ ১২৮ত পীৰ মুৰ্শিদ হাজী ইমদাদুল্লাহক দুঠাইত 'আ'লা হযৰত' লিখিছে। সেই কিতাপৰে ১৩০, ১৩২, ১৩৬ত আশ্ৰফ আ'লী থানৱীয়ে হাজী ইমদাদুল্লাহক তিনি ঠাইত 'আ'লা হযৰত' সম্বোধন কৰিছে। 'তুহ্‌ফাতুল কাদিয়ান'ৰ ৯ পৃঃত ক্বাৰী তৈয়বক 'আ'লা হযৰত' বুলি কৈছে। 'তাজ্‌কিৰাতুৰ ৰচিদ'ৰ ১ম ভাগ, পৃঃ ২৮ত ৰচিদ আহমদ আৰু কাছিম নানথৱীৰ নামত ৰাদ্বিয়াল্লাহু আ'নহু লিখিছে। এইবাৰ কওঁক, খোদা আৰু নবীৰ আসনত

pdf By Syed Mostafa Sakib



কোনে কাক বহুৱাইছে। বিদ্‌আ'তী আৰু মুশ্ৰিক কোনসকল??

৪। উত্তৰঃ এয়া এক শ্বয়তানী কথা। ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)এ মুছলমান সকলক কাফিৰ বুলিব কিয়? দেওবন্দীসকলৰ অৱস্থা চাওঁক মৌঃ হুছেইন আহমদ মাদানীয়ে কয়— "আমি আন্তৰিকতাৰে সৈতে কওঁ জামাআ'তে ইছলামীসকল জাহান্নামী দল।" (শ্বাইখুল ইছলাম নম্বৰ, পৃঃ ১৫৯) মাদানী চাহেবে কায়েদে আ'জম মুহাম্মদ আ'লী জিন্নাক কাফিৰে আ'জম বুলি কৈছে। (খুত্‌বাতে চাদাৰাত, পৃঃ ৪৮) থান্‌ৱী চাহেবে ছাৰ ছৈয়্যদ আহমদ খানক নাস্তিক বুলি কৈছে। (আল্ ইফাদাতুল্ ইয়াওমিয়াহ্, ৬ খণ্ড, পৃষ্ঠা ৯৮) মৌঃ আনোৱাৰ শ্বাহ কাশ্মীৰীয়ে ছাৰ ছৈয়্যদ আহমদ, শ্বিব্‌লী নোম'মানিক কাফিৰ আৰু মৌঃ আবুল কালাম আজাদক গোমৰাহ বুলি কৈছে। (আল্ বায়ান মুকাদ্দামায় মুশ্‌কিলাতুল কুৰ্‌আন, পৃষ্ঠা ৩২/৩৪) উ'লামাএ দেওবন্দে কাদিয়ানী সম্প্ৰদায়ক কাফিৰ বুলি কৈছে। (আশ্বাদ্দুল আযাব, পৃষ্ঠা ১৩) এইবাৰ কওঁক। দেওবন্দী উ'লামাসকলে যি বিলাক কাৰণত কাফিৰ বুলি কৈছে সেই একেই কাৰণতে দেওবন্দীসকলক কাফিৰ বুলিলে গোটেই দুনীয়াকে বোলা হয় নেকি?

৫। উত্তৰঃ মুশ্ৰিক সকলৰ পিছত কি নামাজ পঢ়া জায়েজ? থান্‌ৱী চাহেবক প্ৰশ্ন কৰা হৈছিল— "বেৰেলৱী সকলৰ পিছত নামাজ পঢ়া জায়েজ হ'ব?" তেখেতে ক'লে— "হয়, আমি তেওঁলোকক কাফিৰ বুলি নকওঁ যদিও তেওঁলোকে আমাক কাফিৰ বোলে।" (মাজালিছুল হিক্‌মত, পৃষ্ঠা-২১৫) এতিয়া কওঁক যি সকলে বেৰেলৱী জামাআ'তক মুশ্ৰিক বুলি প্ৰচাৰ কৰে তেওঁলোক মুছলমান নে কাফিৰ? যদিও থানৱী চাহেবে কয়— "মই ফিৰআউন আৰু হামানতকৈয়ো নিকৃষ্ট।" (আলখীস আশ্ৰাফুচ চাৱানিহ্, পৃষ্ঠা ৪৩) কিন্তু দেওবন্দীসকলে তেখেত (থান্‌ৱী চাহেব)সম্পৰ্কে কয়, "আল্লাহৰ কচম, থান্‌ৱী চাহেবৰ ভৰি ধুই সেই পানী পান কৰিলে আখিৰাতৰ নাজাতৰ কাৰণ হ'ব।" (তাজ্‌কিৰাতুৰ ৰচিদ, খণ্ড-১, পৃষ্ঠা- ১১৩) এতিয়া কওঁক, থান্‌ৱী চাহেবৰ কথা মানিব নে, দেওবন্দী চাপ্‌ৰাচী সকলৰ কথা মানিব? সকলোতকৈ বেছি দুঃখৰ বিষয় এই যে ইমাম আহমদ ৰেজা বেৰেলৱী ৰহ্‌মাতুল্লাহি আ'লাইহিৰ নামত শ্বয়তানৰ শিষ্য সকলে যিবোৰ অপবাদ প্ৰচাৰ কৰিছে সেয়া সম্পূৰ্ণ মিছা। ইমাম আহমদ ৰেজা তেওঁলোকৰ থান্‌ৱী, গঙ্গুহী, আৰু নানথৱীৰ দৰে 'নোংৰা' মানুহ নাছিল। মৌঃ আবুল কালাম আজাদে এই শ্বয়তানী কথা শুনি লগে লগে কৈছিল— "এয়া অসম্ভৱ, মৌলানা আহমদ ৰেজাখাঁ (ৰহঃ) এজন আশ্বিকে ৰছুল আছিল। তেখেতৰ সম্পৰ্কে আমি কল্পনাও কৰিব নোৱাৰো যে তেখেতৰ দ্বাৰা নবুঅ'তৰ অসন্মান হ'ব।" এই বিষয়ে আমাৰ 'ইমাম আহমদ ৰেজা





বেৰেলৱী (ৰহঃ) আৰু মৌঃ আশ্ৰফ আ'লী থানৱী' গ্ৰন্থত বিস্তাৰিত বিৱৰণ পাব। এতিয়া চাওঁক মৌঃ ৰচিদ আহমদ গংগুহীয়ে কি কয়, "শুনি থওঁক, হক্ব এয়াই যি ৰচিদ আহমদৰ মুখেৰে বাহিৰ হৈ থাকে আৰু মই কচম খাই কৈছো, মই আন একো নহয় কিন্তু বৰ্তমান যুগত হেদায়াত আৰু নাজাত মোৰ অনুসৰণ (ইত্তেবা)ৰ ওপৰত নিৰ্ভৰ কৰিছে।" (তাজ্‌কিৰাতুৰ ৰচিদ, খণ্ড- ২, পৃঃ ১৭) চাওঁক, কুৰ্‌আন আৰু হাদীচ পৰিয়ে ৰ'ল, গংগুহী চাহেবক ইত্তেবা নকৰিলে হেদায়াত আৰু নাজাত পোৱা নাযাব, ইয়াৰ নামে 'দেওবন্দী ধৰ্ম'। (তৌবা-তৌবা)

৬। উত্তৰঃ আমি নাদৱী তথা সমূহ দেওবন্দীপন্থীক অৱগত কৰিব বিচাৰিছো —ডঃ মচউদ আহমদ (M.A. P.H.D) ফটেহপুৰীৰ গ্ৰন্থ 'ফাজীলে বেৰেলৱী'ত আছে- হযৰত ইমাম আহমদ ৰেজাখাঁ (ৰহঃ) পোনপ্ৰথমবাৰৰ বাবে ইং ১৮৭৮ চনত তেওঁৰ পিতৃ মৌলানা নকি আ'লী খাঁন চাহেবৰ সৈতে হজ্ব কৰে আৰু ইং ১৯০৫ চনত দ্বিতীয়বাৰ হজ্ব সম্পন্ন কৰে। ইয়াৰ উপৰিও 'চাৱানিহে আ'লা হযৰত', 'তাজাল্লিয়তে ইমাম আহমদ ৰেজাখাঁ' গ্ৰন্থতো আ'লা হযৰত (ৰহঃ)ৰ হজ্ব সম্পন্ন কৰাৰ স্পষ্ট তথ্য আছে। নাদৱীয়ে জনা উচিত ইমাম আহমদ ৰেজাখাঁ (ৰহঃ) এজন খোদা প্ৰদত্ত প্ৰতিভা সম্পন্ন ব্যক্তি আছিল। কেৱল হিন্দুস্থান, পাকিস্তানৰে নহয় বৰং মক্কা, মদীনা শ্বৰীফৰ পৰা আৰম্ভ কৰি ৰোম, শ্বাম, মিচৰ, ইয়ামেন তথা সমস্ত ইছলামী বিশ্বত তেখেতক প্ৰাণ খুলি প্ৰশংসা কৰিছে। এয়াই নহয় দুচমনৰ পৰাও তেওঁৰ প্ৰশংসা হৈছে। মক্কা আৰু মদীনা শ্বৰীফৰ মুফ্‌তীসকলে তেখেতক ভালেকেইটা উপাধি প্ৰদান কৰিছে— (ক) খাতিমাতুল মুহাক্কিকীন (মুহাক্কিক উ'লামা কিৰামৰ সমাপ্ত ঘোষণাকাৰী), (খ) হুজুৰ পাক (স্বাঃ)ৰ মুঅ'জিজা, (গ) ইমামুল আইম্মাহ (ইমাম সকলৰ ইমাম), (ঘ) বৰ্তমান যুগৰ মুজাদ্দিদ, (ঙ) শ্বামছুল মাআ'ৰিফ (মা'ৰিফাতৰ সূৰ্য), (চ) কাঞ্জদ্ দাক্বায়িক্ব (সূক্ষ্মতত্ত্বৰ ভাণ্ডাৰ), (ছ) ফৰীদ দাহাৰ (যুগৰ অদ্বিতীয়), (জ) আল্লাহ পাকৰ এটি অন্যতম নিঅ'মত, (ঝ) উস্তাজুল উ'লামা, (ঞ) বাৰ্কাতুল আনাম (সমস্ত জগতৰ বাবে বৰকত)। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে কৈছে— "যদি মই আহমদ ৰেজাখাঁ (ৰহঃ)ৰ পিছত নামাজ পঢ়িবৰ সুযোগ পালোহেঁতেন, তেন্তে নিশ্চয় পঢ়িলোহেঁতেন।" (উছ্‌ওয়ায় আকাবিৰ দেওবন্দৰ পৰা প্ৰকাশিত, পৃঃ ১৮, সংগৃহীত 'মাহে নূৰ' মাহেকীয়া পত্ৰিকা, দিল্লীৰ পৰা প্ৰকাশিত, এপ্ৰিল সংখ্যা, ২০০৭, পৃঃ ৩৮) থানৱীয়ে আৰু কৈছে — "আমাৰ অন্তৰত ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)ৰ প্ৰতি বিশেষ সন্মান আছে। তেওঁ আমাক কাফিৰ বুলি কৈছে কিন্তু ইশ্বকে ৰছুল (স্বাঃ)ৰ ভিত্তিত কৈছে।" (আ'লা

pdf By Syed Mostafa Sakib



হযৰত কা ফিক্বহী মাকাম, লেখক- মৌঃ আখতাৰ শ্বাজাহানপুৰী লাহোৰৰ পৰা প্ৰকাশিত, ১৯৭১ চন) তব্লীগ জামাআ'তৰ প্ৰতিষ্ঠাপক মৌঃ ইলিয়াছ দেহ্‌লৱীয়ে কৈছে — "যদি কোনোবাই হুজুৰ পাক (স্বাঃ)ৰ প্ৰতি মুসাব্বত শিকিব বিচাৰে তেতিয়াহ'লে হযৰত মাওলানা বেৰেলৱী (ৰহঃ)ৰ পৰা শিকিব লাগিব।" (ফাজীলে বেৰেলৱী আউৰ তাৰ্‌কে মাওৱালাত, সংগৃহীত 'মাহে নূৰ' মাহেকীয়া পত্ৰিকা, এপ্ৰিল সংখ্যা, পৃঃ ৩৮, ২০০৭ চন) আ'ল্লামা আব্দুল হামিদ (Vice chancellor of Al-Jamia Al Nizamia, Hyderabad)এ আ'লা হযৰত সম্পৰ্কত মন্তব্য কৰিছে এইদৰে— "Moulana Ahmed Raza (Alahir Rahma) Khan was a sword of Islam and great commander for the cause of Islam." আৰবৰ বিখ্যাত ইছ্লামী গৱেষক, পণ্ডিত ইব্ৰাহীম খলিল আৰু শ্বাইখ মুছা আ'লী শ্বামীৰ মন্তব্য— "A'ala Hazrat (Alahir Rahma) as the Revivalist of the 14th century A.H, if he called Revivalist of this century. It will be right and true." প্ৰফেচাৰ ডঃ মুহাম্মদ হাচান (শ্বাইখুল আদাব, ইছ্লামীয়া ইউনিভাৰচিটি)এ মন্তব্য কৰিছে— "Moulana was prolific writer. He wrote a large number of treaties. It is due to the fact that his head and heart had surging waves of knowledge which were hard to restrain." অৰ্থাৎ- মাওলানা আহমদ ৰেজাখাঁ (ৰহঃ) আছিল এজন সফল লেখক। তেওঁ যথেষ্ট সংখ্যক নিবন্ধ ৰচনা কৰিছিল। ইয়াৰ একমাত্ৰ কাৰণ তেওঁৰ মগজু আৰু হৃদয় উভয়েই প্ৰচণ্ড জ্ঞানপীপাসু আছিল, যি সংযম কৰা আছিল দুঃসাধ্য।

এতিয়া সমূহ দেওবন্দীলৈ আমাৰ কেইটামান প্ৰশ্ন— (১) ইমাম আহমদ ৰেজা বেৰেলৱী (ৰহঃ)এ বৃটিছ চৰকাৰৰ কোনো উচ্চ পদস্থ কৰ্মচাৰীৰ আমন্ত্ৰণ গ্ৰহণ কৰিছিল নে ?, (২) তেওঁ বৃটিছ চৰকাৰৰ কোনো উচ্চ পদস্থ অফিচাৰক তেওঁৰ ঘৰত আমন্ত্ৰণ কৰিছিল নে ?, (৩) ইংৰাজ চৰকাৰে তেওঁক কোনো ধৰণৰ আৰ্থিক সাহায্য প্ৰদান কৰিছিল নে ?, (৪) ইংৰাজৰ কোনো অফিচাৰ তেওঁৰ সৈতে গোপনে সাক্ষাৎ কৰিছিল নে ?, (৫) তেওঁ কোন দিনা কোন অফিচাৰৰ ঘৰত যাতায়ত কৰিছিল ?, (৬) তেওঁ কোনো লেখনীৰ মাধ্যমত ইংৰাজ চৰকাৰৰ প্ৰশংসা কৰিছিল নেকি ? (৭) আ'লা হযৰতে হজ্ব কৰা নাছিল নেকি ?

উপৰোল্লিখিত প্ৰশ্নবিলাকৰ উত্তৰ দিবলৈ আমি দেওবন্দী-ওৱাহাবী পন্থী সকলোকে ইয়াৰ জৰিয়তে মুকলি আহ্বান জনালোঁ। অন্যথা যদি এনে অপপ্ৰচাৰ কৰি থাকে তেনেহ'লে তেওঁলোক নিশ্চয় মিথ্যাবাদী আৰু আল্লাহৰ অভিসম্পাতৰ উপযুক্ত।

*(মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰীৰ যোৱা ১৮জুলাইৰ 'মুক্তকণ্ঠ'ত প্ৰকাশিত)*





## দেওবন্দী সকলৰ স'তে আমাৰ মত বিৰোধৰ কাৰণঃ

দেওবন্দী তব্লীগী জামাআ'তৰ স'তে আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মতবিৰোধ কিয় ? সাধাৰণ মানুহে ভাবে ***মীলাদ, ক্বিয়াম, ফাতিহাহ*** আদিয়ে দেওবন্দ আৰু আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মতভেদৰ কাৰণ, আচলতে এইটো ভুল ধাৰণা। এয়া কোনো ব্যক্তিগত অৰিয়া-অৰি নহয়, এই মতভেদ একমাত্ৰ আক্বীদাহ (মূলগত বিশ্বাস) আৰু বুনিয়াদৰ ওপৰত প্ৰতিষ্ঠিত। আপুনি নিশ্চয় জানিবলৈ ইচ্ছা কৰিব, কি কি আক্বীদাহৰ ওপৰত দেওবন্দী সকল আৰু আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মতভেদ। তলত দেওবন্দ মাদ্ৰাছাৰ প্ৰধান মুৰব্বীসকলৰ লিখিত কিতাপ সমূহৰ পৰা তেওঁলোকে আল্লাহ যাল্লা যালালাহু আৰু আল্লাহৰ ৰছুল স্বালাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কে কৰা মন্তব্য সমূহ হুবহু উদ্ধৃত কৰা হৈছে। আপুনি আল্লাহ পাক আৰু ৰছুল পাক (স্বাঃ)ক সাক্ষী কৰি ইন্‌চাফৰ সৈতে কওঁক এই আক্বীদাহত বিশ্বাসী লোক মুছ্লমান হ'ব পাৰিবনে ?

**দেওবন্দী উ'লামা সকলে আল্লাহ আৰু ৰছুল স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সম্পৰ্কে কৰা মন্তব্য সমূহ ক্ৰমে —**

১। "আল্লাহ পাকে মিছা কোৱা সম্ভৱ।" (কিতাপ 'ফাতাৱায়ে ৰচিদীয়া' প্ৰথম খণ্ড, পৃঃ ১৯, লিখক- মৌঃ ৰচিদ আহমদ গংগুহী)

২। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম শেষ নবী নহয়, তেখেত (স্বাঃ)ৰ পাছত আৰু অন্য নবী আহিব পাৰে।" (কিতাপ 'তাহ্‌জিৰুণ নাছ' পৃঃ ৪, লিখক- মৌঃ কাছিম নানথৱী দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক)

৩। "শ্বয়তান আৰু আজ্ৰাঈল (আঃ) ৰ ইল্‌ম (জ্ঞান) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামতকৈ বেছি।"(কিতাপ- 'বাৰাহীনুল কাত্বীয়া' (البراهين القاطعة)পৃঃ ৫১, লিখক- মৌঃ খলিল আহমদ এম্বুটয়ী)

৪। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ইল্‌ম (জ্ঞান)ৰ কি মৰ্যাদা আছে এই ধৰণৰ ইল্‌ম জায়েদ, উমৰ, বকৰ আনকি সৰু ল'ৰা, পাগল আৰু পশুবো আছে।" (কিতাপ- 'হিফ্‌জুল ঈমান', পৃঃ ৭, লিখক- মৌঃ আশ্ৰফ আ'লী থানৱী)

৫। "নামাজত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ খেয়াল অহাতকৈ গাধ আৰু বলধৰ খেয়াল অহাই ভাল।" (কিতাপ- 'ছীৰাত-ই-মুছ্তাকিম'

pdf By Syed Mostafa Sakib



পৃঃ ৮৬, লিখক- মৌঃ ইছমাঈল দেহ্‌লৱী)

৬। মৌঃ আশ্ৰফ আ'লী থানৱীৰ প্ৰিয় খলিফা মৌঃ আব্দুল মজিদ দৰিয়াবাদীয়ে থানৱী চাহেবক সুধিলে, নামাজত যেতিয়ালৈকে আপোনাৰ ধ্যান কৰোঁ তেতিয়ালৈকে নামাজত মোৰ মন বহে, এই কামটো ভাল নে বেয়া, যদি বেয়া তেনেহ'লে মই নকৰোঁ? থানৱী চাহেবে ইয়াৰ উত্তৰ দিলে— "ভাল হয় যেতিয়ালৈকে আনে গম নাপায়।" (হাকিমূল উম্মত)

৭। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে দেওবন্দ মাদ্ৰাছাৰ পৰা উৰ্দু শিক্ষা লাভ কৰিছে।" (কিতাপ- 'বাৰাহীনুল কাত্বীয়া', (براہین قاطعہ) পৃঃ ২৬, লিখক- মৌঃ খলিল আহমদ এম্বুটয়ী)

৮। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক ডাঙৰ ভাইৰ দৰে সন্মান কৰিব লাগে কাৰণ তেখেতো এজন মানুহ।" (কিতাপ- 'তাক্বৱিয়াতুল ঈমান', (تقویۃ الایمان) পৃঃ ৫০, লিখক- মৌঃ ইছমাঈল দেহ্‌লৱী)

৯। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে কৈছে—

یعنی میں بھی ایک دن مر کر مٹی میں ملنے والا ہوں "ময়ো মৰি মাটিৰ লগত মিহলি হৈ যাম।"

(কিতাপ 'তাক্বৱিয়াতুল ঈমান' تقویۃ الایمان পৃঃ ৫৯ লিখক মৌঃ ইছমাঈল দেহ্‌লৱী)

১০। মৌঃ আশ্ৰফ আ'লী থান্‌ৱী চাহেব কানপুৰত থকা কালত কৈছিল "ভাইহঁত ইয়াত ওৱাহাবী সকল থাকে ফাতিসাহৰ চিন্নী নপথাব।" (কিতাপ আশ্ৰাফুচ্ছাৱান, ১ম খণ্ড, ৪৫০ পৃঃ)

১১। 'তবলিগী নিছাব'ৰ লিখক মৌঃ জাকাৰিয়া কান্ধলৱী চাহেবে স্বীকাৰ কৰিছে যে ওৱাহাবীসকলৰ ভিতৰত তেওঁ এজন ডাঙৰ ওৱাহাবী। (কিতাপ- চাওৱানীহে মাওলানা ইউচুফ, ১৯২ পৃঃ)

১২। মৌঃ আশ্ৰফ আ'লী থানৱী চাহেবে কয়- "যদি মোৰ হাতত ১০,০০০ (দহ হাজাৰ) টকা থাকিলহেঁতেন তেন্তে উপঢৌকন দি মানুহক ওৱাহাবী বনালোহেঁতেন।" (কিতাপ 'আল্ ইফাদাতুল্ ইয়াও্মিয়াহ', ৩ য় খণ্ড, ৯৭ পৃঃ)

১৩। এবাৰ কোনো এজন মুৰীদে মৌঃ থানৱী চাহেবলৈ চিঠি লিখিলে যে "মই সপোনত দেখিছো 'লা ইলাহা ইল্লাল্লাহু'ৰ পিছত 'আশ্ৰফ আ'লী....' মোৰ মুখৰ পৰা অনায়াসে বাহিৰ হৈছে সাৰ পোৱাৰ পাছত কলিমাৰ ভুলটো মনত পৰে আৰু উঠি বহি যাওঁ, আকৌ দ্বিতীয় কাতি বাগৰি ভুলটো শুধৰাবৰ কাৰণে





ৰছুলুল্লাহ (স্বাঃ)ৰ ওপৰত দৰূদ পঢ়োঁ। কিন্তু আকৌ কৈছো আল্লাহুম্মা স্বাল্লি আ'লা ছাই য়্যিদিনা ৱা নবী আনা ৱা মাওলানা আশ্ৰফ আ'লী..." (اللھم صل علی سیدنا ونبینا ومولانا اشرف علی) ইয়াৰ উত্তৰত মৌঃ থানৱীয়ে ক'লে- "এই সপোনত সান্ত্বনা আছে এই কাৰণেই যে মই ছুন্নতৰ অনুসৰণ কৰোঁ (মৌঃ আশ্ৰফ আ'লী থানৱীৰ 'আল্ ইম্‌দাদ' (الامداد) চফৰ সংখ্যা ১৩৩৬ হিজ্‌ৰী, ফেব্ৰুৱাৰী ১৯৫২ চন, পৃঃ ৩৫ ,প্ৰকাশকঃ খান্‌কাহে ইম্‌দাদীয়াহ থানভূন بحکم و اجازت حضرت مولانا اشرف علی صاحب مدظلہم خانقاہ امدادیہ تھانہ بھون سے شائع ہوا

১৪। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক ইয়া ৰছুলুল্লাহ কোৱা শ্বিৰ্ক", "নবী পাক(স্বাঃ)ৰ দৰে মানুহ হোৱা সম্ভৱ", "হুজুৰ পাক (স্বাঃ)ৰ ৰৌজা মুবাৰক জিয়াৰত কৰাৰ বাবে চফৰ কৰা আৰু ৰৌজাৰ সন্মুখত তা'জীমৰ বাবে থিয় দিয়া শ্বিৰ্ক", "নবীসকলৰ প্ৰশংসা মানুহৰ নিচিনা কৰা লাগিলে তাতকৈও কমাই কৰা", "যাৰ নাম মুসাম্মদ (স্বাঃ) আৰু আ'লী (ৰাঃ) তেওঁ একো বস্তুৰ অধিকাৰী নহয়" (মৌঃ ইছমাঈল দেহ্‌লৱীৰ 'তাক্বৱিয়াতুল ঈমান'(تقویۃ الایمان) ১২ পৃঃ, ৩৯ পৃঃ, ৩২ পৃঃ, ৩৪ পৃঃ, ৫০ পৃঃ)

১৫। "কাউৰী খোৱা স্বাৱাবৰ কাম অথচ মীলাদ শ্বৰীফ পাঠ কৰা গুনাহৰ কাম", "মহৰমৰ চিন্নী নাজায়েজ অথচ হিন্দুৰ পূঁজাৰ প্ৰসাদ খোৱা জায়েজ", "কাফিৰে যদি সূদৰ টকাৰে পানী যোগান ধৰে সেই পানী খোৱা জায়েজ" আৰু লিখিছে "কাফিৰৰ উৎসৱবোৰ যেনেঃ ফাকুৱা, দীপাৱলীৰ প্ৰসাদ, পুৰী, কচৌৰী খোৱা জায়েজ।" ( মৌঃ ৰচিদ আহমদ গংগুহীৰ 'ফাতাৱায়ে ৰচিদীয়া')

১৬। "সমস্ত তব্‌লিগী লোক নবীসকলৰ দৰে", মৌঃ ইলিয়াছে কৈছে যে "এই তব্‌লীগৰ নিয়ম মই সপোনত পালোঁ।" আৰু কৈছে তেওঁক নবীসকলৰ দৰে পঠোৱা হৈছে।" (বঙালী মল্‌ফুজাত, ৫০, ৫১ পৃঃ আৰু উৰ্দু মল্‌ফুজাত, ৫১ পৃঃ)

১৭। "আ'মল সমূহৰ ক্ষেত্ৰত বাহ্যিকভাৱে উম্মত নবীৰ সমান হৈ যায় আনকি বহু সময়ত অতিক্ৰমো কৰে।" (মৌঃ কাছিম নানথৱীৰ 'তাহ্‌জিৰূণ নাছ' পৃঃ ৮, প্ৰকাশক ঃ মক্‌তবা থানৱী দেওবন্দ)

দ্বীনদাৰ ভাইসকল অলপ চিন্তা কৰক, দেওবন্দী তব্‌লিগীসকলৰ এনে মাৰাত্মক আক্বীদাহবোৰ মানি চলিলে ঈমান থাকিবনে? তেওঁলোকৰ এনে মতবাদ সম্বন্ধে বৰ্ণনা কৰিলে এক বৃহৎ গ্ৰন্থ হৈ পৰিব। এই সম্বন্ধে বিস্তাৰিত ভাৱে জানিব

pdf By Syed Mostafa Sakib



বিচাৰিলে আমাৰ প্ৰকাশিত 'তব্লীগ জামাতৰ দাপোণ', 'ঈমানৰ জ্যোতি' বিশিষ্ট প্ৰবন্ধকাৰ, লেখক মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবৰ— 'তব্লীগ জামাআ'ত', 'ইছলামত সংস্কাৰবাদ' পঢ়ি চালেও সহৃদয় দ্বীনদাৰ ভাইসকলে প্ৰকৃত সত্যৰ সন্ধান উলিয়াব পাৰিব।

প্ৰিয়নবী হুজুৰ ৰসূমতে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ লগত বেআদবী কৰা ব্যক্তি সম্পৰ্কে ফিক্বাহৰ বিখ্যাত গ্ৰন্থ 'দুৰ্ৰোল মুখতাৰ'ৰ 'মুৰ্তাদিন' অধ্যায়ত আছে—"যি ব্যক্তি নবুঅ'তৰ মহান দৰবাৰৰ লগত বেআদবী কৰিছে, সি কাফিৰ হ'ব আৰু তওবাৰ দ্বাৰাও তেওঁ কতল হোৱাৰ পৰা পৱিত্ৰাণ নেপায়।" (শ্বানে হবিবুৰ ৰহমান, পৃঃ- ১১৬) পবিত্ৰ কুৰ্আনত আছে—"কিন্তু সন্মানটো আল্লাহ আৰু তেওঁৰ ৰছুল আৰু মু'মিন সকলৰ বাবে। কিন্তু মুনাফিক সকলে সেইটো নবুজে।" (ছুৰা- মুনাফিকুন, ৰুকু- ১, আয়াত- ৪)

এই জঘন্য আক্বীদাহৰ কাৰণে (১) মৌঃ কাছিম নানথৱী (২) মৌঃ আশ্ৰফ **আলী থানৱী (৩) মৌঃ ৰচিদ আহমদ গংগুহী (৪) মৌঃ খলিল আহমদ এম্বুটয়ী।** এই চাৰিজন উ'লামাক ভাৰতৰ সমস্ত ছুন্নী উ'লামায়ে ক্বিৰাম, মক্কা আৰু মদীনা শ্বৰীফৰ মুফ্‌তীয়ানে ক্বিৰাম সকলে কুফ্‌ৰী ফত্‌ৱা দিছে আৰু পৰামৰ্শ দিছে যে 'এই মতবাদ আৰু জামাআ'ত মুছলমান সকলৰ বাবে ক্ষতিকাৰক। এই জামাআ'তৰ পৰা বাচি থকা সমস্ত মুছলমানৰ কৰ্তব্য। মক্কা, মদীনা শ্বৰীফৰ মুফ্‌তী সকলৰ ফত্‌ৱা 'হুচ্ছামুল হাৰমাঈন' আৰু ভাৰতৰ ২৬৮ জন আ'লীমৰ ফত্‌ৱা 'আশ্ব চাওৱাৰীমে হিন্দীয়া' নামেৰে প্ৰকাশ হৈছে। ইয়াত মুফ্‌তীয়ান কিৰাম সকলৰ দস্তখত (স্বাক্ষৰ) আছে। ওৱাহাবী-দেওবন্দী- তব্‌লিগীসকলৰ নতুন মতবাদৰ পৰা ৰক্ষা পাবলৈ হ'লে একমাত্ৰ জামাআ'ত হৈছে 'আহ্‌লে ছুন্নত ৱাল জামাআ'ত' যিটো জামাআ'ত হৈছে হুজুৰ পাক (স্বাঃ)ৰ জামাআ'ত, চাহাবা (ৰাঃ), তাবেইনৰ জামাআ'ত। ইয়াৰ ছায়াত আহিলে ঈমান ৰক্ষা কৰা সম্ভৱ।

ইতিমধ্যে আমি বহুকেইখন বাহাস (সভা)ত দেওবন্দী সকলক আমন্ত্ৰণ কৰিছিলো কিন্তু তেওঁলোক কোনো এখনতো উপস্থিত নাথাকিল। এইখিনিতে উল্লেখ্য যে যোৱা ১১ আগষ্ট, ২০১০ তাৰিখে ওদালগুৰি জিলাৰ বকুলতলা গাঁৱৰ বাহাসত দেওবন্দী পন্থী এজনো আ'লীম উপস্থিত নাথাকিল। ই কি সূচায় ৰাইজে বিচাৰ কৰক? নিৰণচুৱা, পাথৰিঘাট (দৰং)ৰ এ, নাদৱী চাহেবক তেওঁ কোৱা মতে মঙলদৈ আৰু তেওঁৰ ঘৰৰ ওচৰত বৰকুমাৰপাৰা গাঁৱৰ 'পাথৰিঘাট





আঞ্চলিক মীলাদ-ই মাহ্‌ফিল'ত যোৱা ২৬ মাৰ্চ, ২০১১ তাৰিখ শনিবাৰে আমন্ত্ৰণ কৰিছিলো যদিও নিজৰ সান্দহ খোৱা বালি তল যোৱাৰ ভয়ত উপস্থিত নহ'ল। নাদৱী চাহেবক তেওঁৰ ইচ্ছামতে য'ত আমাক আহ্বান কৰে উক্ত কিতাপ সমূহ দেখুৱাবলৈ সম্পূৰ্ণ প্ৰস্তুত। যোৱা ৭ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে নগৰবাহীৰ উ'ৰছ মুবাৰক , ২৬ মাৰ্চ, ২০১১ তাৰিখ শনিবাৰে বৰকুমাৰপাৰা গাঁৱত, ১৯ নৱেম্বৰ, ২০১১ তাৰিখ শনিবাৰে মাৰৈৰ 'হায়াতুন নবী জলছাহ মুবাৰক' আৰু ২৭ নৱেম্বৰ ২০১১ তাৰিখ ৰবিবাৰে ভেকুৱা গাঁৱত উক্ত কুফ্‌ৰী আক্বীদাহৰ কিতাপ সমূহ উপস্থিত ৰাইজক পাঠ কৰি শুনোৱা হয়। যোৱা ২৩ নৱেম্বৰ, ২০১২ তাৰিখে 'নিয়মীয়া বাৰ্তা' কাকতৰ 'সমন্বয়' শিতানত আমাৰ এই লেখনী প্ৰকাশ হোৱাৰ পিছৰ পৰা অসমৰ বিভিন্ন ঠাইৰ পৰা বহুতো দেওবন্দীয়ে আমালৈ ফোন যোগে বিভিন্ন ধৰণৰ অশ্লীল গালি গালাজৰ সৈতে ভাবুকি দি আছে। যদি সৎ সাহস আছে আমাক আহ্বান কৰি আমাৰ লগত সোঁ-শৰীৰে আলোচনা কৰক। যদি আমাৰ লেখনীবোৰৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰো মই ৱাদ্ব'দা কৰিছো তেওঁলোকক একলাখ টকা পুৰস্কাৰ দিম আৰু লগে লগেই আমাৰ ত্বৰীক্বাহ ত্যাগ কৰিম। ইনশ্বা-আল্লাহ। আমাক গালি দিয়ক কিন্তু আল্লাহ আৰু ৰছুল (স্বাঃ)ৰ শ্বানত কোনেও এনেধৰণৰ আক্বীদাহ নাৰাখিব।

আমাৰ হাতত উল্লেখিত উপৰোক্ত দেওবন্দৰ মুৰব্বীসকলৰ কিতাপসমূহ সংৰক্ষিত আছে। অধিক জানিব বিচাৰিলে তলৰ ঠিকনাত যোগাযোগ কৰক। প্ৰয়োজন বোধে আমি যিকোনো ঠাইত বাহাস (মোনাজাৰা)ত বহিবলৈ সাজু আছো। আল্লাহ পাকে আমাক সকলোকে শুদ্ধ পথত থকাৰ তৌফিক্ব দান কৰক। আ-মীন বি জাহে ছায়্যিদিল মুৰছালিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

*(মৌলানা মুহাম্মদ ছৰফৰাজ আ'লী ক্বাদ্‌ৰীৰ যোৱা ২৩ নৱেম্বৰ, ২০১২ তাৰিখে 'নিয়মীয়া বাৰ্তা' কাকতৰ 'সমন্বয়' শিতানত প্ৰকাশিত)*

যোগাযোগৰ ঠিকনাঃ
'ইদাৰা-ই-শ্বৰীঅ'ত'
দেৱেৰাপাৰ চাৰিআলি
ডাক - নকছাৰী, যোৰহাট (অসম)
ভ্ৰাম্যভাষঃ ৯৯৫৪৪৭৫৬১৫
৯৯৫৪৩০৯১০১

pdf By Syed Mostafa Sakib



আ'লা (اعلى) হযৰত ইমাম আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী(ৰহঃ)ৰ কেইটামান গুৰুত্বপূৰ্ণ নচিহত—

ছুন্নীয়াত প্ৰচাৰ-প্ৰসাৰৰ বাবে আ'লা হযৰত (ৰহঃ)এ কেইটামান জৰুৰী কৰ্মসূচীৰ কথা কৈছে। আল্লাহৰ ৰাস্তে আপুনি সামৰ্থনুযায়ী কমপক্ষে এটি কৰ্ম বাস্তৱায়িত কৰাৰ চেষ্টা কৰক।

১। ডাঙৰ ডাঙৰ মাদ্ৰাছা প্ৰতিষ্ঠা কৰিব লাগিব আৰু সেই সমূহত যথাযথ নিয়মে পঢ়াশুনা চলাই ৰাখিব লাগিব।

২। ছাত্ৰ সকলক আৰ্থিক সাহায্য দিব লাগিব যাতে তেওঁলোকৰ মাজত প্ৰেৰণা আহে।

৩। মুদাৰ্ৰিচ সকলক খিদ্‌মতৰ গুণাগুণ অনুসৰি উপযুক্ত বেতন দিব লাগিব।

৪। ছাত্ৰসকলক মানসিকতাৰ পৰীক্ষা কৰিব লাগিব আৰু যিজন যেনেকুৱা কামৰ কাৰণে উপযুক্ত তাক সেই কামত লগাই দিব লাগিব।

৫। ছাত্ৰ সকলৰ মাজত যিসকল প্ৰস্তুত থাকে বিভিন্ন দেশলৈ সিহঁতক প্ৰেৰণ কৰিব লাগিব যাতে তেওঁলোকে তাত গৈ লেখনী, বক্তৃতা, ওৱাজ নচিহতৰ মাধ্যমত আৰু মুনাজাৰাহ কৰি দ্বীন আৰু মযহবৰ কাম কৰিব পাৰে।

৬। ভাল ভাল লেখক সকলক আৰ্থিক সাহাৰ্য্য দি মযহবৰ সমৰ্থনত বদ মযহবৰ বিৰোদ্ধে উত্তম ৰূপত কিতাপ পত্ৰ লেখাব লাগিব।

৭। পুৰণা আৰু নতুনকৈ লেখা কিতাপসমূহ সুন্দৰ আৰু মনোৰম ৰূপত ছপাই বিনা মূল্যে বিতৰণ কৰিব লাগিব।

৮। আপোনালোকৰ পত্ৰ-পত্ৰিকা প্ৰকাশ হৈ থাকিব লাগিব ঠিক সময়ত মযহবী লেখাসমূহ দেশৰ চাৰিওফালে মূল্য নোলোৱাকৈ প্ৰত্যেক দিন অথবা প্ৰত্যেক সপ্তাহত পঠাই থাকিব লাগিব। হাদীচ পাকত আছে- "শেষ যুগত দিৰহাম আৰু দিনাৰৰ দ্বাৰা দ্বীন চলি থাকিব" যিহেতু সত্যবাদী নবী (স্বাঃ)ৰ সত্যবাদী কথা সেয়ে এই কথা বাস্তৱ হ'বই। (ফত্‌ৱা ৰিজৱীয়া শ্বৰীফ, খণ্ড- ১২, পৃঃ ১৩৩)





# ছুন্নীয়াত প্ৰতিষ্ঠাৰ বাবে কেইটামান তৰতীব

পৃথিৱীত যিমান মছজিদ আছে তাৰে প্ৰায় সকলোবোৰেই আহ্‌লে ছুন্নত ওৱাল জামাআ'তৰ ফালৰ পৰা প্ৰতিষ্ঠা কৰা হয়। কিন্তু মাজভাগত পাৱত গজা, পথভ্ৰষ্ট, বিদ্‌আ'তী ফিৰক্বাহ কিছুমানে কিছু মছজিদ নিজৰ অধীনলৈ নি এই মছজিদ সমূহত সিহঁতৰ নতুন মতবাদ প্ৰচাৰৰ কেন্দ্ৰ (centre)কৰি গঢ়ি তোলে। ফলত ইছ্‌লামী সমাজত এক বিশৃঙ্খল পৰিবেশৰ সৃষ্টি হয়। যিহেতু ছুন্নীসকলৰ ৰাজধানী মছজিদ গতিকে এই ৰাজধানী (মছজিদ)ক বাত্বিল দলৰ সকলো প্ৰকাৰৰ চক্ৰান্তৰ পৰা বচাই ৰাখিবলৈ তলৰ আ'মল কেইটা কৰোঁ আহক।

১। যিহেতু বৰ্তমান প্ৰত্যেক মছজিদতেই মাইকৰ ব্যৱস্থা আছে গতিকে মগ্‌ৰীবৰ নামাজৰ বাহিৰে প্ৰত্যেক নামাজৰ আজানৰ পিছত ইক্বামতৰ পূৰ্বে ছালাত-ছালাম পাঠ কৰক। যেনে- আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া ৰাছূলাল্লাহ, আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া হাবীবাল্লাহ, আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নাবীয়াল্লাহ, আস্বালাতু ওৱাচ্ছালামু আ'লাইকা ইয়া নূৰাম্ মিন্ নূৰিল্লাহ। বালাগাল উ'লা বিকামালিহী, কাশাফাদ্দুজা বিজামালিহী, হাছনাত জামীউ' সিস্বালিহী স্বাল্লু আ'লাইহি ৱা আলিহি। ফিক্বাহৰ কিতাপত এই ছালাতক তাছ্‌বীব বোলা হয়। (দুৰ্‌ৰে মুখ্‌তাৰ, পৃঃ ৩৯০)

২। তকবীৰৰ সময়ত মুকাব্বিৰে যেতিয়ালৈকে 'হাইয়্যা আ'লাচ স্বালাহ' নকয় তেতিয়ালৈকে মোক্তাদীসকল বহি থাকিব আৰু যেতিয়া 'হাইয়্যা আ'লাচ স্বালাহ' ক'ব তেতিয়া উঠিব। তকবীৰ থিয় হৈ শুনা মকৰুহ। আনকি তকবীৰৰ সময়ত কোনো আহিলে বহিব। এয়া হুজুৰ পাক (স্বাঃ)ৰ ছুন্নত।

৩। পাঁচ ওৱাক্ত নামাজৰ ছালাম ফিৰোৱাৰ পিছত ইমামসকলে সোঁ-দিশে অথবা বাঁও দিশে ঘূৰি বহিব। সোঁফালে ঘূৰি বহাটো উত্তম। ওৱাহাবী-দেওবন্দী সকলে কেৱল ফজৰ আৰু আচৰৰ সময়ত ঘূৰি বহে। হযৰত ছামূৰাহ ইব্‌নে জুন্দুব(ৰাঃ)ই কৈছে— "হুজুৰ পাক (স্বাঃ)এ যেতিয়া নামাজ শেষ কৰিছিল তেতিয়া তেওঁ (স্বাঃ) আমাৰ ফালে ঘূৰি বহিছিল।" (বুখাৰী শ্বৰীফ)

৪। পাঁচ ওৱাক্ত নামাজত আজান মুখেৰে হওঁক বা মাইকেৰেই হওঁক মছজিদৰ বাহিৰত দিব আনকি যুমুআ'হৰ দিনা খোত্‌বাৰ আজানো মছজিদৰ বাহিৰ (দৰ্জাৰ সন্মুখৰ)ৰ পৰা দিব ই ছুন্নত। ফুক্বাহায়ে কিৰামে মছজিদৰ ভিতৰত আজান দিয়া

pdf By Syed Mostafa Sakib



মানা কৰিছে। ফতৱা ক্বাজী খান, প্ৰথম খণ্ড, পৃষ্ঠা- ৭৮; ফত্ৱা আ'লমগীৰী (মিচৰী) ১ম খণ্ড, পৃষ্ঠা-৫৫; বাহাৰুৰ ৰাইক, প্ৰথম খণ্ড, পৃষ্ঠা -২৬৮ ত আছে لا يؤذن فى المسجد অৰ্থাৎ- "মছজিদৰ ভিতৰত আজান দিব নালাগে।" মছজিদৰ ভিতৰত আজান দিয়া মকৰুহ।

৫। আজানত হুজুৰ পাক (স্বাঃ)ৰ নাম শুনি দুই বৃদ্ধ আঙুলি চুম্বন কৰি চকুত বুলাই দিব। মাত্ৰ যুমুআ'হৰ খোত্বাৰ আজানৰ সময়ত এইটো নকৰিব। ওৱাজ-নস্বিহত, মীলাদ মাহ্ফিল সকলোতে হুজুৰ পাক (স্বাঃ)ৰ নাম শুনিলে ওপৰত উল্লেখ কৰা ধৰণে কৰিব। ৰদ্দুল মুহ্তাৰ, প্ৰথম খণ্ড, পৃষ্ঠা ২৬৭ত আছে- "যেতিয়া (আজানত) প্ৰথমবাৰ "আশ্হাদু আন্না মুসাম্মাদাৰ্ ৰাছূলুল্লাহ" (স্বাঃ) কয় তেতিয়া "স্বাল্লাল্লাহু আ'লাইকা ইয়া ৰাছূলাল্লাহ" পঢ়িব লাগে। ২য় বাৰ কওঁতে বুঢ়া আঙুলিৰ নখ (চুমা খাই তাক) চকুৰ ওপৰত ৰাখি "ক্বুৰ্ৰাতু আ'ইনী বিকা মুসাম্মাদ ইয়া ৰছূলাল্লাহ (স্বাঃ)" পঢ়ি পিছত "আল্লাহুম্মা মাত্তিঅ'নী বিচ্-চাম্ঈ ৱাল বাস্বাৰ" ক'ব লাগে। সেই ব্যক্তিক ৰছূল পাক স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লামে যান্নাতৰ ফালে ৰাস্তা দেখুৱাব।

৬। প্ৰতিটো মছজিদতেই মীলাদ-ক্বিয়ামৰ ব্যাপকভাৱে আয়োজন কৰক। বিশেষকৈ ফজৰ আৰু যুমুআ'হ নামাজৰ পাছত মুখেৰে অথবা মাইক থাকিলে মাইকেৰে ছালাম পাঠ কৰক। ওৱাহাবীৰ বিপক্ষে ই এটা মাৰণাস্ত্ৰ। মছজিদৰ ভিতৰত দুনীয়াদাৰী কথা নাপাতিব।

৭। প্ৰতিটো মছজিদত 'ফাইজ্বানে ছুন্নত' ৰখাৰ ব্যৱস্থা কৰক। সপ্তাহত অন্ততঃ দুই বা এদিন ক্বুৰ্আন পাকৰ তৰ্জমা- তফ্ছীৰৰ বাবে 'কান্জুল ঈমান ফী খাজাইনুল ইৰফান' পঢ়াৰ ব্যৱস্থা কৰক আৰু মাছাইলৰ বাবে 'বাহাৰে শ্বৰীঅ'ত', 'কানুনে শ্বৰীঅ'ত' পঢ়াৰ ব্যৱস্থা কৰক। ( উল্লেখিত কিতাপকেইখন বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্ট'ৰ, মঙলদৈ- ৯৮৫৪২৫৭৯৪৯, ৯৬১৩৮২২৬৯২)

**সাম্প্ৰতিক সময়ত যিকোনো ধৰণৰ ছুন্নী কানুনৰ বাবে যোগাযোগ কৰিব পাৰে—**

১। হযৰত আ'ল্লামা মুফ্তী গোলাম ছামদানী ৰিজৱী চাহেব, বিশিষ্ট ইছলামী চিন্তাবিদ, লেখক, ইছলামপুৰ (পশ্চিমবংগ) ম'বাইল নং- ০৯৭৩২৭০৪৩৩৮

২। হযৰত আ'ল্লামা মুফ্তী ৰফিকুল ইছলাম চিশ্তী চাহেব, মুনাজিৰে আহ্লে





ছুন্নত, পশ্চিমবংগ ম'বাইল নং- ০৯৯৩৩৭২৮৫২১

৩। হযৰত আ'ল্লামা চামচুল আ'লম নক্সবন্দী চাহেব, বিশিষ্ট ইছলামী বক্তা, উত্তৰ লখিমপুৰ, ম'বাইল নং- ৯৮৫৪৬৩৭০৬৬

৪। হযৰত মাওলানা মুহাম্মদ নবীউল হক ৰিজৱী চাহেব, বিশিষ্ট ইছলামী চিন্তাবিদ, লেখক, হাতীগাঁও (গুৱাহাটী) ম'বাইল নং- ৯৯৫৭৩৩৭৩৮৮

৫। হযৰত মাওলানা মুফ্তী মুহাম্মদ ৱালিউদ্দিন আহমেদ ৰিজৱী মিশ্বাহী চাহেব, বিশিষ্ট ইছলামী বক্তা, লেখক, বুঢ়িগাঁও, দলগাঁও, দৰং ম'বাইল নং- ৯৮৫৯১৬১২৭২

৬। হযৰত মাওলানা ক্বাৰী মুহাম্মদ আব্দুল হক ৰিজৱী চাহেব, আ'লা হযৰত একাডেমি, মঙলদৈ, দৰং ম'বাইল নং- ৯৫৭৭০১৭৩৯৮

## ছুন্নী লাইব্ৰেৰী প্ৰতিষ্ঠা কৰোঁ আহক

সাম্প্ৰতিক সময়ত বাত্বিল ফিৰক্বাহ সমূহে সমাজত প্ৰভূত পৰিমাণে বিস্তাৰ লাভ কৰিছে। সেয়ে বৰ্তমান সময়ত নিজৰ ঈমান আৰু আক্বীদাহ শুদ্ধ পথত বচাই ৰাখিবৰ কাৰণে আমি প্ৰত্যেকেই ঘৰতেই হওঁক বা মছজিদতেই হওঁক নিম্নলিখিত গ্ৰন্থ সমূহৰ এটি লাইব্ৰেৰী প্ৰতিষ্ঠা কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। গ্ৰন্থ সমূহৰ এখন তালিকা দিয়া হ'ল— ১। 'তাব্লিগী জামায়াতেৰ গুপ্ত ৰহস্য', ২। 'ফায়জানে ছুন্নত', ৩। 'তফছীৰে কানজুল ঈমান', ৪। 'বাহাৰে শ্বৰীঅ'ত', ৫। 'কানুনে শ্বৰীঅ'ত', ৬। 'জা-আল হাক্ব', ৭। 'শ্বানে হবিবুৰ ৰহমান', ৮। 'আনোৱাৰে শ্বৰীঅ'ত', ৯। 'ছুন্নী বেহেস্তী জেওৰ'।

ওপৰোক্ত গ্ৰন্থসমূহ বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব পাৰে হুদা কেপ এণ্ড বুক ষ্ট'ৰ, মঙলদৈ- ৯৮৫৪২৫৭৯৪৯, ৯৬১৩৮২২৬৯২ খাৰুপেটীয়া বুক হাউচ, খাৰুপেটীয়া- ৮৮৭৬০১০৯৫৪, খিজুৱাৰী (হাতীগাঁও) মাঝাৰৰ সন্মুখৰ আটাইকেইখন দোকানত।

দ্বীনী Internet সেৱা- Internetত ল'গ অন কৰক Madina 24.com আৰু ইয়াৰ জৰিয়তে আপুনি লাভ কৰিব ছুন্নী মছলা-মাছাইল বঙালী ভাষাত।

## নাতে ৰছূল (স্বাঃ) ঃ নবী প্ৰশস্তি



### ছালামে ৰাজা

মুস্তাফা জানে ৰহ্‌মত পে লাখোঁ ছালাম।
শ্বমএ' বযমে হিদায়াত পে লাখোঁ ছালাম।।
মেহ্‌ৰে চোৰখে নবুওৱত পে ৰৌশ্বন দৰূদ।
গোলে বাগে ৰিছালত পে লাখোঁ ছালাম।।
শ্বেহ্‌ৰে য়াৰে ইৰম তাজ্দাৰে হাৰম।
নৌবাহাৰে শ্বাফাআ'ত পে লাখোঁ ছালাম।
শ্বমে আশ্বৰা কে দুলহা পে দাঈমে দৰূদ।।
নৌশ্বাহে বাযমে যান্নাত পে লাখোঁ ছালাম।
আৰশ্ব্‌তা ফৰশ্ব হে জিছ্‌কে যেৰে নাগী।
উছ্‌কি কাহিৰ ৰিয়াছত পে লাখোঁ ছালাম।।
ফৎ হে বাবে নবুওৱত পে বেহদ দৰূদ
খত্‌মে দৌৰে ৰিছালত পে লাখোঁ ছালাম
লাইলাতুল ক্বাদ্‌ৰি মে মাত্‌লাঈ'ল ফজ্‌ৰে হক।
মাংগ কি ইস্তিকামত পে লাখোঁ ছালাম।।
দূৰ ও নযদীক্ কে চুন্‌নেৱালে ৰ' কাণ।
কাণে লালে কাৰামত পে লাখোঁ ছালাম।।
জিছ্‌কে মাথে শ্বাফাআ'ত কা চেহ্‌ৰা ৰাহা।
উচ্ জাবীনে ছাআ'দত পে লাখোঁ ছালাম।।
জিছ্‌কে ছাজ্‌দেকো মেহ্‌ৰাবে কা'বা ঝুকি।
উন্ ভাওঁকী লাটাফৎ পে লাখোঁ ছালাম।।
জিছ্ তৰফ্ উঠ গেয়ী দম্ মে দম্ আগেয়া।
উচ্ নিগাহে ইনায়ত পে লাখোঁ ছালাম।।
জিচ্‌ছে তাৰীক দিল জগ্ মগানে লাগে।
উচ্ চমক্ ৱালী ৰংগত পে লাখোঁ ছালাম।।
পাত্‌লি পাত্‌লি গুলে কুদ্‌ছিকি পাতিয়াঁ।

*(উৎসঃ ইমামে আহ্‌লে ছুন্নত আহমদ ৰাজাখাঁ (ৰহঃ)ৰ 'হাদায়িকে ৰখ্‌শ্বিচ')*

pdf By Syed Mostafa Sakib

pdf By Syed Mostafa Sakib

লেখকৰ অন্যান্য গ্ৰন্থসমূহ ঃ

১। আল্ যা-মিআ'তুল ইছলামীয়্যাহ নূৰীয়্যাহ মাদ্ৰাছা, খাৰুপেটীয়া, দৰঙৰ অনুষ্ঠান বিৱৰণী পুস্তিকা সম্পাদনা (২০১০ খ্ৰীঃ)

২। ক্বুৰ্আন হাদীচৰ আলোকত ইল্মে গায়বৰ আক্বীদাহ (ডিচেম্বৰ, ২০১২ খ্ৰীঃ)

৩। ইছলামত সংস্কাৰবাদ (ফেব্ৰুৱাৰী, ২০১৩ খ্ৰীঃ)

৪। ঈদে মীলাদুন্নবী (স্বাঃ) তৰ্জমা (অক্টোবৰ ২০১৩ খ্ৰীঃ)

৫। তব্লীগ জামাআ'ত (ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীঃ)

৬। পত্ৰিকা সমূহ — (i) 'হাদীচ আৰু ফুক্বাহা কিৰামৰ আলোকত বেনামাজীৰ শাস্তি', (ii) 'পবিত্ৰ দৰূদ শ্বৰীফৰ আ'মল', (iii) 'হুজুৰ পাক (স্বাঃ)ৰ মুঅ'জিজা মুবাৰক', (iv) 'জা-আল্ হাক্ব', (v) 'জছ্নে ঈদে মীলাদুন্নবী (স্বাঃ)', (vi) 'দেওবন্দৰ পৰা বেৰেলীলৈ মতবিৰোধ কিয় ?', (vii) 'আ'লা হযৰত (ৰহঃ)ৰ অপপ্ৰচাৰৰ স্পষ্টীকৰণ', (viii) 'দেওবন্দী সকলৰ অপপ্ৰচাৰত বিভ্ৰান্ত নহ'ব', (ix) 'হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ অমিয় বাণী', (x) 'ডাঃ জাকিৰ নায়ক কিয় কাফিৰ নহ'ব?'

৭। সদ্য প্ৰকাশিতব্য গ্ৰন্থসমূহঃ * উত্তৰ জীৱন জ্যোতি, * ইমাম আহমদ ৰেজা বেৰেলৱী (ৰহঃ) আৰু আশ্ৰফ আ'লী থানৱী, * ফাজ্বাঈ'লে দৰূদ শ্বৰীফ, * বালিঝাৰ গাঁৱৰ ঐতিহাসিক বাহাস, * পথভ্ৰষ্ট ডাঃ জাকিৰ নায়ক

প্ৰকাশক

বাজা ফাউণ্ডেশ্বন (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)

মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)

পিন - ৭৮৪১৪৫

ভ্ৰাম্যভাষ - ৯৮৫৯৩৯৩৬৩৮, ৯৮৬৪৮০৮৬৭৭

ছপা — পাবামাউণ্ট অফ্‌চেট, ববদৌলগুৰি, ৯৮৫৪০৪৬৩৮৩

Price - 40.00

কালামুল ইছলাম-৫

# মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰীৰ



# তব্লীগ জামাআ'ত